৬ষ্ঠ বৰ্ষ, সংখ্যা ১৪

১৬-৩১ জানুৱাৰী, ২০২৬
বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ



ভাৰতৰ নিৰ্বাচন আয়োগ

## সমৃদ্ধিশালী গণতন্ত্ৰৰ দৃঢ় ভেটি

'এজন ব্যক্তি, এক ভোট, এক মূল্য' এই সাংবিধানিক সংকল্পৰ আধাৰত ভাৰতৰ নিৰ্বাচন আয়োগে জনসাধাৰণৰ অংশগ্ৰহণ আৰু বিশ্বাস বৃদ্ধি কৰিছে, যিয়ে সুদৃঢ় কৰিছে গণতন্ত্ৰৰ আত্মাক

ই-কপিৰ বাবে



# ‘বিকশিত ভাৰত’ৰ বাবে লোৱা সংকল্প নিশ্চিতভাবে পূৰণ হ’ব

প্ৰতি মাহৰ শেষৰ দেওবাৰে সম্প্ৰচাৰিত ৰেডিঅ’ অনুষ্ঠান ‘মন কী বাত’এ দেশবাসীৰ লগতে সমাজৰ কল্যাণৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহৰ আলোচনা কৰাৰ এক মূল্যৱান সুযোগ প্ৰদান কৰে। নতুন শক্তি, নতুন বিষয়বস্তু, আৰু অগণন প্ৰেৰণাদায়ক কাহিনীৰে সমৃদ্ধ ‘মন কী বাত’ অনুষ্ঠানে দেশৰ জনসাধাৰণক সংযোগ কৰিছে। ২৮ ডিচেম্বৰ তাৰিখে এই অনুষ্ঠানৰ ১২৯ সংখ্যক খণ্ড প্ৰচাৰ কৰা হৈছিল, য’ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫ চনৰ প্ৰাপ্তিসমূহৰ বিষয়ে আলোচনা কৰিছিল। লগতে তেওঁ কৈছিল, “২০২৬ চনত দেশখনে নতুন আশা আৰু নতুন সংকল্পৰ সৈতে আগবাঢ়ি যাবলৈ প্ৰস্তুত হৈছে...”

- **ভাৰতীয়সকলৰ বাবে গৌৰৱৰ উৎসঃ** ২০২৫ বৰ্ষটোৱে প্ৰতিজন ভাৰতীয়ক গৌৰৱান্বিত কৰি তোলা বহু মুহূৰ্ত উপহাৰ দিছে। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ পৰা আৰম্ভ কৰি ক্ৰীড়াক্ষেত্ৰলৈকে, বিজ্ঞান পৰীক্ষাগাৰৰ পৰা আৰম্ভ কৰি বিশ্বৰ বৃহৎ মঞ্চলৈকে, ভাৰতে সকলো ক্ষেত্ৰতে নিজৰ শক্তিশালী পদচিহ্ন ৰাখিবলৈ সক্ষম হৈছিল।

- **অপাৰেচন সিন্দূৰ:** এই বছৰৰ ‘অপাৰেচন সিন্দূৰ’ প্ৰতিজন ভাৰতীয়ৰ বাবে গৌৰৱৰ প্ৰতীক হৈ পৰিছিল। সমগ্ৰ বিশ্বৰ স্পষ্টকৈ দৃষ্টিগোচৰ হোছিল যে আজিৰ ভাৰতে নিজৰ নিৰাপত্তাৰ ক্ষেত্ৰত আপোচ নকৰে। ‘অপাৰেচন সিন্দূৰ’ৰ সময়ত মা ভাৰতীৰ প্ৰতি ভালপোৱা আৰু ভক্তিৰ প্ৰতিচ্ছবি দেশৰ চুকে-কোণে প্ৰত্যক্ষ কৰা হৈছিল।

- **এণ্টিবায়টিক:** শেহতীয়াকৈ আইচিএমআৰ (ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাৰ্চ)য়ে এক প্ৰতিবেদন প্ৰকাশ কৰিছে। ইয়াত উল্লেখ কৰা হৈছে যে নিউমোনিয়া আৰু ইউটিআইৰ দৰে বহু ৰোগৰ ক্ষেত্ৰত এণ্টিবায়’টিক অকাৰ্যকৰী বুলি প্ৰমাণিত হৈছে। ইয়াৰ এটা প্ৰধান কাৰণ হৈছে মানুহে কৰা এণ্টিবায়’টিকৰ অযথা আৰু অবিবেচিত ব্যৱহাৰ। ই কেৱল চিকিৎসকৰ পৰামৰ্শ মতেহে ব্যৱহাৰ কৰিব লাগে।

- **যুৱ শক্তি:** আজি বিশ্বই বৰ আশাৰে ভাৰতৰ ফালে চাই আছে। ভাৰতক আশাৰে চোৱাৰ আটাইতকৈ ডাঙৰ কাৰণ হৈছে আমাৰ যুৱ শক্তি। বিজ্ঞানৰ ক্ষেত্ৰত সাফল্য, নন উদ্ভাৱন, প্ৰযুক্তিৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত আমি লাভ কৰা সাফল্যই বিশ্বৰ দেশসমূহক বহু পৰিমাণে আপ্লুত কৰি তুলিছে।

- **স্মাৰ্ট ইণ্ডিয়া হেকাথন:** আজি দেশৰ যুৱক-যুৱতীসকলে নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ নতুন সুযোগ লাভ কৰিছে। বহুতো মঞ্চ গঢ়ি তোলা হৈছে য’ত যুৱক-যুৱতীসকলে নিজৰ সামৰ্থ্য আৰু আগ্ৰহ অনুযায়ী নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিব পাৰিব। তেনে এটা মঞ্চ হ’ল ‘স্মাৰ্ট ইণ্ডিয়া হেকাথন’, ই হৈছে এনে এটা মাধ্যম য’ত ধাৰণাবোৰক কাৰ্য্যত পৰিণত কৰা হয়।

- **সৌৰ পেনেল:** মইৰাংথেম শেঠে বাস কৰিছিল মণিপুৰত, য’ত বিদ্যুৎ যোগান লাভ কৰাৰ ক্ষেত্ৰত আছিল এটা বৃহৎসমস্যা। গতিকে, মইৰাংথেমে সৌৰ পেনেল স্থাপনৰ অভিযান আৰম্ভ কৰিলে, আৰু এই অভিযানৰ বাবেই আজি সৌৰশক্তিৰ বিজুলী শ শ ঘৰত উপলব্ধ হৈছে। আজি ‘পিএম সূৰ্য ঘৰ ‘বিনামূলীয়া বিজুলী যোজনা’ৰ অধীনত চৰকাৰে প্ৰতিটো হিতাধিকাৰী পৰিয়ালক সৌৰ পেনেল স্থাপনৰ বাবে প্ৰায় ৭৫,০০০ৰ পৰা ৮০,০০০ টকালৈ আগবঢ়াইছে।

- **কাশী তামিল সংগমমঃ** এইবছৰ বাৰাণসীত অনুষ্ঠিত ‘কাশী তামিল সংগমম’ৰ সময়ত তামিল শিকাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। ‘তামিল শিকক-তামিল কৰকলম’ শীৰ্ষক বিষয়বস্তুৰ আধাৰত বাৰাণসীৰ ৫০খনতকৈও অধিক বিদ্যালয়ত বিশেষ অভিযান চলোৱা হৈছিল।

- **পাৰ্বতী গিৰি:** স্বাধীনতা সংগ্ৰামী পাৰ্বতী গিৰিৰ জন্ম শতবাৰ্ষিকী ২০২৬ চনৰ জানুৱাৰী মাহত ওড়িশাত উদযাপন কৰা হ’ব। তেওঁ ১৬ বছৰ বয়সতে ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰিছিল। পাৰ্বতী গিৰিয়ে সমাজসেৱা আৰু জনজাতীয় সমাজৰ কল্যাণৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল। তেওঁ কেইবাখনো অনাথ আশ্ৰমো প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ প্ৰেৰণাদায়ক জীৱনৰ কাহিনী প্ৰতিটো প্ৰজন্মৰ বাবে পথ প্ৰদৰ্শক হৈ থাকিব।

- **লেচ/ফিতা শিল্পঃ** অন্ধ্ৰ প্ৰদেশৰ নৰচপুৰম জিলাৰ লেচ ।ফিতা শিল্পই সমগ্ৰ দেশতে জনপ্ৰিয়তা লাভ কৰিছে। অন্ধ্ৰ প্ৰদেশ চৰকাৰ আৰু নাবাৰ্ডে যৌথভাৱে শিল্পীসকলক নতুন ডিজাইন শিকাইছে, উন্নত দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ প্ৰদান কৰিছে আৰু নতুন বজাৰৰ সৈতে তেওঁলোকক সংযোগ কৰোৱাইছে।.

- **কচ্ছ ৰাণোৎসৱ:** এই বছৰ, কচ্ছ ৰাণোৎসৱ ২০ ফেব্ৰুৱাৰীলৈকে চলি থাকিব। ইয়াত কচ্ছৰ বৈচিত্ৰ্যময় লোকসংস্কৃতি, লোকসংগীত, নৃত্য, হস্তশিল্প প্ৰদৰ্শিত হৈছে। কচ্ছৰ বৃহৎ আৰু সুন্দৰ শুভ্ৰ মৰুভূমিৰ দৰ্শন লাভ কৰিব পৰাটো হৈছে এক আনন্দদায়ক অভিজ্ঞতা।.

- **বিকশিত ভাৰত:** প্ৰত্যেক মাহত, মই এনে বহু বাৰ্তা লাভ কৰোঁ য’ত মানুহে ‘বিকশিত ভাৰত’ৰ বাবে তেওঁলোকৰ দৃষ্টিভংগীবোৰ ভাগ-বতৰা কৰে। জনগণৰ পৰা লাভ কৰা পৰামৰ্শ আৰু এই দিশটোত তেওঁলোকৰ প্ৰচেষ্টা দেখি বিশ্বাস দৃঢ় হৈ উঠে আৰু এই সকলোবোৰ বাৰ্তা যেতিয়া মোৰ ওচৰলৈ আহে তেতিয়া অনুভৱ হয় ‘বিকশিত ভাৰত’ৰ সংকল্প নিশ্চিতভাৱে পূৰণ হ’ব। এই বিশ্বাস দিনক দিনে অধিক শক্তিশালী হৈ উঠিছে।

*সম্পূৰ্ণ “মন কী বাত” খণ্ডটো শুনিবলৈ কিউআৰ কোড স্কেন কৰক।*

# নিউ ইণ্ডিয়া সমাচাৰ

ষষ্ঠ বৰ্ষ, সংখ্যা ১৪, জানুৱাৰী ১৬-৩১, ২০২৬

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওজা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**




https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক

https://newindiasamachar pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক


# ভিতৰৰ পৃষ্ঠাসমূহত...





**প্ৰচ্ছদ নিবন্ধ**

ভাৰত কেৱল বিশ্বৰ আটাইতকৈ বৃহৎ গণতন্ত্ৰই নহয়, লগতে ই আটাইতকৈ জীৱন্ত আৰু সজীৱ গণতন্ত্ৰ। গণতন্ত্ৰত, জনতাৰ আদেশ আৰু অনুমোদন সৰ্বোপৰি, আৰু এই অনুমোদন নাগৰিকৰ ভোটাধিকাৰৰ দ্বাৰাই নিৰ্ধাৰণ কৰা হয়। এই পটভূমিত সময়ে সময়ে নিৰ্বাচনী তালিকাৰ বিশুদ্ধিকৰণ বা নতুন নীতি, পদক্ষেপ, আধুনিক প্ৰযুক্তিৰ জৰিয়তে নিৰ্বাচনী ব্যৱস্থাক অধিক ফলপ্ৰসু কৰি তোলাটো নিৰ্বাচনী সংস্কাৰৰ জৰিয়তে গণতন্ত্ৰক সবলীকৰণ আৰু সমৃদ্ধি কৰাৰ এক অবিৰত প্ৰক্ৰিয়া। বাবাচাহেব আম্বেদকাৰে সংবিধান সভাত উল্লেখ কৰা 'এজন ব্যক্তি, এটা ভোট, এটা মূল্য'ৰ নীতিয়েই বৰ্তমান আৰু ভৱিষ্যতৰ সংস্কাৰৰ ভিত্তি গঠন কৰে। |১০-২৯

**প্ৰধানমন্ত্ৰীৰ বিশেষ প্ৰবন্ধ**




প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫ চনৰ প্ৰাপ্তিসমূহৰ সম্পৰ্কে লিংকড্‌ইনত এটা পোষ্ট শ্বেয়াৰ কৰে | ৬-৯




অসমৰ মাটিৰ পৰা প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা দেশৰ ভৱিষ্যতৰ নতুন প্ৰভাত উদয় হ'ব... |৩৮-৪০


সংক্ষিপ্ত সংবাদ |৪-৫

মনৰেগাৰ নতুন অৱতাৰ: বিকশিত ভাৰত-জি ৰাম জি বিধেয়ক
সংসদে নিয়োগৰ এক নতুন নিশ্চয়তা গৃহীত কৰিলে। |৩০-৩৩

ক্ষমতাশালী কন্যা: এখন সমৃদ্ধিশালী আৰু উন্নত ভাৰত
কন্যা সন্তানৰ জন্মলাভ উদযাপনৰ বিষয় হ'ব লাগে, ই বোজা নহয় |৩৪-৩৫

পৰম্পৰাগত চিকিৎসা: গুৰুত্বৰ স্বাস্থ্য, পৰম্পৰাগত সমাধান
বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বিতীয় সন্মিলনত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণ |৩৬-৩৭

কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্তঃ দিল্লী মেট্ৰ' আৰু অধিক সম্প্ৰসাৰণ কৰা হ'ব
মহাৰাষ্ট্ৰ আৰু ওড়িশাৰ মূল আন্তঃগাঁথনি প্ৰকল্পসমূহতো অনুমোদন |৪১

পশ্চিমবংগৰ প্ৰগতিৰ বাবে এক নতুন গতি
পশ্চিমবংগক প্ৰধানমন্ত্ৰীয়ে আগবঢ়ালে ৩২০০ কোটি টকাৰ উপহাৰ |৪২-৪৩

নেতাজীৰ সাহসে ভাৰতৰ স্বাধীনতা সংগ্ৰামক পুনৰ সজীৱ কৰিছিল
পৰাক্ৰম দিৱস: নেতাজীৰ প্ৰতি এখন কৃতজ্ঞ ৰাষ্ট্ৰৰ শ্ৰদ্ধাঞ্জলি |৪৪-৪৫

আত্মসন্মান, ঐক্য আৰু সেৱাৰ প্ৰতীক
প্ৰধানমন্ত্ৰী মোদীয়ে লক্ষ্ণৌত ৰাষ্ট্ৰ প্ৰেৰণা স্থল উদ্বোধন কৰে |৪৬-৪৭

বীৰ বাল দিৱস: অসামান্য সাহস আৰু প্ৰতিভা প্ৰদৰ্শন কৰা কিশোৰ-কিশোৰীক সন্মান
ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰদান কৰিলে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ |৪৮-৪৯

এটি সুৰক্ষিত, স্বচ্ছ আৰু শক্তিশালী ভৱিষ্যতৰ আধাৰ
পাৰমাণৱিক শক্তি: সংসদত গৃহীত হ'ল শান্তি বিধেয়ক, ২০২৫। |৫০-৫২

শিলত জীৱন প্ৰৱাহিত কৰা শিল্পীজন
মহান ভাস্কৰ্য শিল্পী ৰাম বঞ্জী সুতাৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি |৫৩

তিনিখন দেশ, এক বাৰ্তা ১: সহযোগিতা, উন্নয়ন, আৰু বিশ্বাস
প্ৰধানমন্ত্ৰী মোদীৰ জৰ্দান, ইথিঅ'পিয়া আৰু ওমান ভ্ৰমণ |৫৪-৫৮

ব্যক্তিত্বঃ মুনিশ্বৰ চন্দ্ৰ দাৱাৰ
দৰিদ্ৰ ৰোগীৰ বাবে এগৰাকী ত্ৰাণকৰ্তা |৫৯

বিশ্ব গ্ৰন্থমেলা: সামৰিক বাহিনীৰ শৌৰ্য্য আৰু প্ৰজ্ঞাক সন্মান জনোৱাৰ উদ্দেশ্যে
তৃতীয় পৰ্যায়ৰ পিএম-যুৱা মেণ্টৰশ্বিপ আঁচনিত নিৰ্বাচিত হৈছে ৪৩ গৰাকী যুৱ লেখক |৬০



**Published & Printed by :** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Printed at :** JK Offset Graphics Pvt. Ltd., B-278, Okhla Ind. Area Phase-I, New Delhi-110020.
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
**E-Mail :** response-nis@pib.gov.in, **RNI No. :** DELENG/2020/78811

# সম্পাদকৰ মেজৰ পৰা...

# ৰাষ্ট্ৰীয় ভোটদাতা দিৱস

## এক সজীৱ গণতন্ত্ৰৰ শক্তি

নমস্কাৰ,

ভাৰতৰ সংবিধান গৃহীত হোৱাৰ সময়ত বাবাচাহেব আম্বেদকাৰে সংবিধান সভাত দিয়া ঐতিহাসিক ভাষণত ভাৰতত কিদৰে অতীজৰে পৰা গণতান্ত্ৰিক প্ৰক্ৰিয়া বৰ্তি আছিল সেই বিষয়ে ব্যাখ্যা কৰিছিল। এই দেশৰ ১৪০ কোটি নাগৰিকৰ বাবে গৌৰৱৰ বিষয় যে আমাৰ গণতন্ত্ৰ বিশ্বৰ ভিতৰতে আটাইতকৈ পুৰণি গণতন্ত্ৰই নহয়, বৰঞ্চ আটাইতকৈ ডাঙৰ, বৈচিত্ৰ্যময়, যুৱ শক্তিৰে ভৰা, সৰ্বাংগীণ আৰু সংবেদনশীল গণতন্ত্ৰ। আমাৰ গণতন্ত্ৰৰ এই দিশটো আমাৰ নিৰ্বাচনসমূহত প্ৰত্যক্ষভাৱে দেখা যায়। দেশত মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ সাংবিধানিক দায়িত্ব ভাৰতৰ নিৰ্বাচন আয়োগৰ ওপৰত ন্যস্ত আছে, যিয়ে সাত দশকৰো অধিক সময়ৰ যাত্ৰাত নিজ দায়িত্ব সফলতাৰে পালন কৰি আহিছে। ইয়াৰ গুৰুত্ব এই কথাৰে উপলব্ধি কৰিব পাৰি যে, ভাৰতক গণৰাজ্য ঘোষণা কৰাৰ মাত্ৰ এদিন পূৰ্বে নিৰ্বাচন আয়োগ গঠন কৰা হৈছিল। সেই সময়তেই ড° আম্বেদকাৰে ভোটাধিকাৰক সৰ্বোচ্চ বুলি বিবেচনা কৰিছিল।

ভোটদান যিকোনো গণতন্ত্ৰৰ বাবে আটাইতকৈ পবিত্ৰ কাৰ্য্য, কিয়নো ই দেশখনৰ ভৱিষ্যত নিৰ্ধাৰণ কৰে। গতিকে নিৰ্বাচনী প্ৰক্ৰিয়াটো সময়ে সময়ে উন্নত কৰা, ভোটাৰ তালিকাখনো নিয়মিতভাৱে উন্নীতকৰণ তথা বিশুদ্ধ কৰাটো অতি প্ৰয়োজনীয়।

৭৬ বছৰীয়া এই যাত্ৰাত ভাৰতৰ নিৰ্বাচন আয়োগে উল্লেখযোগ্য সংস্কাৰ ৰূপায়ণৰ লগতে, প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে ব্যৱস্থাটো সুশৃংখলিত কৰা আৰু ভোটদান সম্পৰ্কে জনসচেতনতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেইবাবেই এতিয়া বিশ্বৰ বহু দেশে ভাৰতৰ নিৰ্বাচনী ব্যৱস্থা আৰু ইয়াৰ পৰিচালনা পদ্ধতিৰ পৰা শিকিবলৈ লৈছে। ভাৰতৰ গণতন্ত্ৰই বিশ্ব সমাজৰ বাবে নতুন মানদণ্ড নিৰ্ধাৰণ কৰিছে। এই যাত্ৰাত ভাৰতীয় ভোটাৰ আৰু নিৰ্বাচন আয়োগে ভোটদানত অংশগ্ৰহণ আৰু উৎকৃষ্টতাৰ নতুন মাপকাঠী স্থাপন কৰিছে। ভাৰতীয় নিৰ্বাচন আয়োগ হৈছে নিৰ্ভীক হৈ থাকি নিৰপেক্ষ সিদ্ধান্ত লোৱা এক প্ৰতিষ্ঠান। আমাৰ নিৰ্বাচন আয়োগ হৈছে গণতন্ত্ৰৰ ৰক্ষক।

এই ২৫ জানুৱাৰী তাৰিখে, ৰাষ্ট্ৰীয় ভোটদাতা দিৱস। এই দিৱসে এটা বিশেষ অনুষ্ঠানৰ সৈতে সংগতি ৰাখিছে: সেয়া হৈছে ভাৰতে আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচনী সাহায্য প্ৰতিষ্ঠান (আন্তঃৰাষ্ট্ৰীয় আইডিইএ)ৰ সদস্য ৰাষ্ট্ৰ পৰিষদৰ অধ্যক্ষতা গ্ৰহণ। এয়া এক উল্লেখযোগ্য সফলতা। এই পটভূমিত ভাৰতীয় নিৰ্বাচন আয়োগৰ যাত্ৰাক এই সংখ্যাৰ প্ৰচ্ছদ নিবন্ধ হিচাপে আগবঢ়োৱা হৈছে।

লগতে, ব্যক্তিত্ব শাখাত দৰিদ্ৰ ৰোগীৰ ত্ৰাণকৰ্তা মুনিশ্বৰ চন্দ্ৰ দাৱাৰ বিষয়ে পঢ়িবলৈ পাব। পাৰমাণৱিক শক্তিৰ সৈতে জড়িত শান্তি বিধেয়ক-২০২৫, ৰোজগাৰ আৰু অজীৱিকা মিছনৰ বাবে বিকশিত ভাৰত-নিশ্চয়তা (গ্ৰামীণ) (ভিবি-জি ৰাম জি) বিধেয়ক, ২০২৫; মহান ভাস্কৰ্য্য শিল্পী ৰাম বঞ্জী সুতাৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্তসমূহ হৈছে অন্যান্য উল্লেখযোগ্য মুখ্য বিষয়বস্তু। ২০২৫ চনটো কিদৰে সংস্কাৰৰ বৰ্ষ হৈ পৰিল সেই সম্পৰ্কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰবন্ধ; ৰাষ্ট্ৰ প্ৰেৰণা স্থলৰ উদ্বোধনীকে ধৰি তেওঁৰ পষেকীয়া কাৰ্যসূচীসমূহো এই সংখ্যাৰ অংশ হিচাপে সন্নিবিষ্ট কৰা হৈছে।

ভিতৰৰ পৃষ্ঠাত "মন কী বাত" অন্তৰ্ভুক্ত কৰা হৈছে, আনহাতে পিছফালৰ প্ৰচ্ছদত ৰাজস্থানৰ আলোৱাৰৰ চিলিচেৰ হ্ৰদ আৰু ছত্তীশগড়ৰ বিলাসপুৰৰ ওচৰৰ কোপ্ৰা জলাশায়ক ৰামছাৰ ছাইট হিচাপে ঘোষণা কৰাৰ বিষয়ে বিশেষ লেখা সন্নিবিষ্ট কৰা হৈছে।

আপোনালোকৰ পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি থাকিব।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https://newindiasamachar.pib.gov.in/

# মেইল বক্স






### অতি নিৰ্ভৰযোগ্য তথ্য উপলব্ধ হৈ থাকে

মই নিয়মিতভাৱে নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন পাওঁ। নিউ ইণ্ডিয়া সমাচাৰ আলোচনীয়ে অতি সঠিক তথ্য প্ৰদান কৰে যিবোৰ আন কোনো উৎসৰ পৰা পোৱা নাযায়। প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন উপযোগী। এই আলোচনীখন বহুত সুন্দৰকৈ ডিজাইন কৰা হৈছে।

-সঞ্জয় মালব্য

akhiri.aghat@gmail.com

### আলোচনীখনে চৰকাৰৰ আঁচনিসমূহৰ প্ৰতিটো দিশ সামৰি লৈছে

মোৰ নাম কুমাৰ চেল্লাপ্পান। মই কেৰালাত থাকো, আৰু মই এজন সাংবাদিক। মই নিউ ইণ্ডিয়া সমাচাৰৰ নিয়মীয়া পাঠক। এই আলোচনীখনত ভাৰত চৰকাৰৰ আঁচনিৰ সকলো তথ্য সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ উপৰিও ভাৰতৰ প্ৰগতিৰ প্ৰতি ই আস্থা জন্মায়। এই আলোচনীখনে বহুমুখী তথা তথ্যসমৃদ্ধ বিষয় প্ৰকাশ কৰে, যিয়ে আমাৰ জ্ঞান বৃদ্ধি কৰে।

kumarchellappan@gmail.com

### আলোচনীখনে কেন্দ্ৰীয় চৰকাৰৰ প্ৰকল্প আৰু আঁচনিৰ বিষয়ে মোক অৱগত কৰি ৰাখিছে

মই কোচিৰ ৰাষ্ট্ৰীয় তদন্ত সংস্থাত চৰকাৰী অধিবক্তা হিচাপে কাম কৰি আছো। নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন বহুদিনৰে পৰা পঢ়ি আহিছো। এই আলোচনীখনৰ জৰিয়তে মই কেন্দ্ৰীয় চৰকাৰৰ প্ৰকল্প আৰু আঁচনি সমূহৰ বিষয়ে অৱগত হৈ থাকিব পাৰিছো।

advsreenaths@gmail.com

### মই আলোচনীখন ডিজিটেলভাৱে অনুসৰণ কৰো আৰু প্ৰতিটো লেখা মনোযোগেৰে পঢ়ো

মোৰ নাম ৰামু বাৰ্মা। সাংবাদিকতা আৰু গণসংযোগ বিষয়ত স্নাতকোত্তৰ কৰিছো। মই নিউ ইণ্ডিয়া সমাচাৰ ডিজিটেলভাৱে অনুসৰণ কৰি আছো। প্ৰতিটো লেখা ভালদৰে পঢ়ো। মই আলোচনীখন যথেষ্ট উৎকৃষ্ট বুলি বিবেচনা কৰোঁ। ই মোক অতি সকলো বিষয়ত জ্ঞাত কৰি ৰাখিছে।

bjpramu27@gmail.com

### নাৰীৰ সৱলীকৰণৰ ক্ষেত্ৰত দ্ৰুত অগ্ৰগতিৰ বাবে দেশ স্বাৱলম্বী হৈ পৰিছে

ভাৰতীয়সকলৰ বাবে গৌৰৱৰ বিষয় যে কেন্দ্ৰীয় চৰকাৰে শক্তি, স্বাস্থ্য, উদ্ভাৱন, আৰু গাঁথনিগত সংস্কাৰৰ দিশত বহু কাম কৰি আছে। ইয়াৰ ফলত দেশখন স্বাৱলম্বী হৈ পৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু মহিলা সবলীকৰণৰ ক্ষেত্ৰত দেশখনে দ্ৰুত অগ্ৰগতি লাভ কৰিছে। ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰ হোৱাৰ সংকল্প লৈ দেশখন আগবাঢ়িছে। প্ৰতি পযেকতে আপডেট প্ৰদান কৰাৰ বাবে নিউ ইণ্ডিয়া সমাচাৰ আলোচনীলৈ ধন্যবাদ।

bhagwan.sel@gmail.com

যোগাযোগৰ ঠিকনা: কোঠা নং-১০৭৭, সুশান্ত ভৱন
চিজিঅ' কমপ্লেক্স, নতুন দিল্লী-১১০০০৩।
ই-মেইল: response-nis@pib.gov.in

প্ৰতি শনিবাৰে-দেওবাৰে আবেলি ৩ বাজি ১০ মিনিটত আৰু ৩ বাজি ২৫ মিনিটত অল ইণ্ডিয়া ৰেডিঅ' এফএম গোল্ড যোগে নিউ ইণ্ডিয়া সমাচাৰ শুনিবলৈ কিউআৰ কোড স্কেন কৰক।

সংক্ষিপ্ত সংবাদ




## ভাৰতীয়া ডাক সেৱাই উন্মোচন কৰিলে প্ৰথম নৱীকৰণ কৰা জেন জেড ডাকঘৰ

ভাৰতৰ ডাকঘৰৰ ভাবমূৰ্তিৰ সম্পূৰ্ণৰূপে পৰিৱৰ্তন ঘটিছে। এই পৰিৱৰ্তনৰ এক উদাহৰণ হৈছে জেনজেড ডাকঘৰ, য'ত ডাক সেৱা যুৱক-যুৱতীসকলৰ বাবে এক সজীৱ আৰু আকৰ্ষণীয় অভিজ্ঞতাত পৰিণত হৈছে। ইয়াত ছাত্ৰ-ছাত্ৰীসকলে কেৱল চিঠি, পাৰ্চেল প্ৰেৰণ, আৰু স্পীড পোষ্টৰ দৰে সেৱাৰ সুবিধা লাভ কৰাই নহয়, বিনামূলীয়া ৱাই-ফাই আৰু কিউআৰ কোড ভিত্তিক বুকিঙৰ জৰিয়তেও ডিজিটেল জগতৰ সৈতে সংযুক্ত হৈ থাকিব পাৰে। ইণ্ডিয়া পোষ্টে যুৱক-যুৱতীসকলৰ মনৰ ভাষা আৰু প্ৰয়োজনীয়তা বুজি কেফে শৈলীৰ আভ্যন্তৰীণ সাজ-সজ্জাযুক্ত, কিউআৰ কোড পেমেণ্ট আৰু আধুনিক সুবিধাসমূহ উপলব্ধ হৈ থকা জেনজেড ডাকঘৰৰ আৰম্ভণি কৰি নতুন যুগৰ সৈতে খাপ খাই পৰিছে।
চৰকাৰে সমগ্ৰ দেশৰ মহাবিদ্যালয় চৌহদত আধুনিক, জেন জেড থিমযুক্ত ডাকঘৰ খোলাৰ প্ৰকল্প আৰম্ভ কৰিছে। আইআইটি দিল্লীত এনে প্ৰথমটো ডাকঘৰ মুকলি কৰা হৈছে, য'ত ছাত্ৰ-ছাত্ৰীসকলে ৱাই-ফাই, কিউআৰ কোড ভিত্তিক বুকিং, গ্ৰেফিটি আৰ্ট আৰু স্মাৰ্ট সেৱা লাভ কৰিব পাৰে। এই পদক্ষেপে যুৱক-যুৱতীসকলক ডাক সেৱাৰ সৈতে এক নতুন আৰু ৰোমাঞ্চকৰ ৰূপত সংযোগ কৰিছে। আধুনিক সা-সুবিধাৰে সজ্জিত এই নতুন ডাকঘৰসমূহ ইতিমধ্যে দিল্লী বিশ্ববিদ্যালয়, আইআইটি গান্ধীনগৰ, এইমছ-বিজয়পুৰ আদি প্ৰতিষ্ঠানত মুকলি কৰা হৈছে। অতি সোনকালে আৰু ৪৬খন মহাবিদ্যালয় চৌহদত এনে ডাকঘৰ স্থাপন কৰা হ'ব। যিয়ে পৰম্পৰা তথা প্ৰযুক্তিৰ সৈতে নীৰৱচ্ছিন্নভাৱে আৰু মিশ্ৰিতভাৱে আগবাঢ়ি যোৱাৰ সুযোগ প্ৰদান কৰিব।

## ৰঙা পথ, সেউজ সংকল্প: ভাৰতৰ প্ৰথম টেবুল-টপ ৰেড মাৰ্কিং



ভাৰতত ঘাইপথ নেটৱৰ্কৰ দ্ৰুত সম্প্ৰসাৰণৰ লগে লগে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ নিৰ্দেশনাত আন্তঃগাঁথনি সমূহৰ পুনৰ উন্নয়নৰ ধাৰণাক নতুন ৰূপ প্ৰদান কৰিছে। মধ্যপ্ৰদেশৰ বীৰাংগনা দুৰ্গাৱতী ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ স্পৰ্শকাতৰ বনাঞ্চল আৰু ঘাট অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথ-৪৫ৰ প্ৰায় ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ ২৫টা নিৰ্দিষ্ট বন্যজন্তু আণ্ডাৰ পাছত আৰম্ভ কৰা 'টেবুল-টপ ৰঙা চিহ্নাংকন' শীৰ্ষক সুৰক্ষাৰ পদক্ষেপে এয়া প্ৰমাণ কৰিছে যে পথ অভিযান্ত্ৰিকীকৰণে মানৱ সুৰক্ষা, বন্যপ্ৰাণী সংৰক্ষণ আৰু পৰিৱেশগত সুৰক্ষাৰ মাজত কোনো আপোচ নকৰাকৈ সেইবোৰৰ মাজত সু-সমন্বয় স্থাপন কৰিব পাৰে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ এই পদক্ষেপৰ জৰিয়তে ৪৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ এই অংশটো দেশৰ প্ৰথমটো বন্যপ্ৰাণী সুৰক্ষিত ঘাইপথ হিচাপে পৰিগণিত হৈছে।
ডুবাইৰ শ্বেখ জায়েদ ৰোডৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ভাৰতৰ প্ৰথমটো টেবল-টপ ৰেড মাৰ্কিং' ৰাষ্ট্ৰীয় ঘাইপথ ৰূপায়ণ কৰিছে। নিৰ্দিষ্ট বিপজ্জনক অঞ্চলৰ পথত ৫ মিলি মিটাৰ ডাঠ, উত্তপ্ত ৰূপত প্ৰয়োগ কৰা থাৰ্মোপ্লাষ্টিক ৰঙা পৃষ্ঠৰ স্তৰ এটা স্থাপন কৰা হৈছে। উজ্জ্বল ৰঙা ৰঙে লগে লগে চালকসকলক সতৰ্ক কৰি দিয়ে যে তেওঁলোকে গতি নিয়ন্ত্ৰিত কৰিব লাগিব, কাৰণ তেওঁলোকে বন্যপ্ৰাণীৰ প্ৰতি সংবেদনশীল কৰিড'ৰত প্ৰৱেশ কৰিছে। ইয়াৰ সামান্য উচ্চ পৃষ্ঠই এটা সূক্ষ্ম স্পৰ্শ আৰু শ্ৰৱণ ইংগিত প্ৰদান কৰে, যিয়ে চালকসকলক হঠাতে ব্ৰেকিঙৰ প্ৰয়োজন নোহোৱাকৈ স্বাভাৱিকভাৱে বাহনৰ গতি হ্ৰাস কৰিবলৈ উৎসাহিত কৰে।

## এটা ডাঙৰ সফলতা...

# আটাইতকৈ গধুৰ উপগ্ৰহ উৎক্ষেপণ কৰা হ'ল


এলভিএম-৩এম৬ৰ সফল উৎক্ষেপণ হৈছে ভাৰতৰ মহাকাশ কাৰ্যসূচীৰ এক বৃহৎ সফলতা। এলভিএম-৩এম৬-ব্লু বাৰ্ড ব্লক-২ হৈছে এক বাণিজ্যিক অভিযান। ভাৰতৰ মাটিৰ পৰা এতিয়ালৈকে উৎক্ষেপণ কৰা আটাইতকৈ গধুৰ উপগ্ৰহ, আমেৰিকাৰ 'ব্লু বাৰ্ড ব্লক-২' যোগাযোগ উপগ্ৰহ-ক এই অভিযানে নিম্ন পৃথিৱীৰ কক্ষপথত সফলতাৰে স্থাপন কৰে। এই উপগ্ৰহটো নতুন প্ৰজন্মৰ ব্লুবাৰ্ড ব্লক-২ উপগ্ৰহৰ অংশ আৰু মহাকাশৰ পৰা মোবাইল ফোনলৈ পোনপটীয়াকৈ নিয়মীয়া মোবাইল ব্ৰডবেণ্ড সেৱা আগবঢ়াব পাৰে। ভাৰতীয় উৎক্ষেপণ বাহনখনৰ মুঠ ওজন প্ৰায় ৬৪০ টন আৰু উচ্চতা ৪৩.৫ মিটাৰ। ই ৪,২০০ কিলোগ্ৰাম পৰ্যন্ত পেলোড জিঅ'ষ্টেচনেৰী ট্ৰেন্সফাৰ অৰ্বিটলৈ কঢ়িয়াই নিব পাৰে। এইখন হৈছে এলভিএম-৩ৰ ষষ্ঠখন যান। পূৰ্বৰ অভিযানসমূহত এলভিএম-৩ এ চন্দ্ৰযান-২, চন্দ্ৰযান-৩ৰ লগতে দুটা ওৱান ৱেব অভিযান সফলতাৰে উৎক্ষেপণ কৰিছে।

সফল উৎক্ষেপণৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টুইট কৰি কয় যে, "এলভিএম ৩-এম ৬ৰ সফল উৎক্ষেপণ হৈছে ভাৰতৰ মহাকাশ যাত্ৰাৰ এক গৌৰৱৰ মুহূৰ্ত। ই ভাৰতৰ মাটিৰ পৰা এতিয়ালৈকে উৎক্ষেপণ কৰা আটাইতকৈ গধুৰ উপগ্ৰহ- আমেৰিকাৰ ব্লু বাৰ্ড ব্লক-২ -ক নিজৰ নিৰ্দিষ্ট কক্ষপথত সফলতাৰে স্থাপন কৰিলে। ইয়াৰ ফলত ভাৰতৰ হেভি-লিফ্টৰ ক্ষমতা শক্তিশালী হৈছে আৰু বিশ্বব্যাপী বাণিজ্যিক উৎক্ষেপণ বজাৰত আমাৰ ভূমিকা আৰু অধিক বৃদ্ধি পাইছে। এই সাফল্যই আত্মনিৰ্ভৰ ভাৰতৰ প্ৰতি থকা আমাৰ প্ৰচেষ্টাকো প্ৰতিফলিত কৰিছে। আমাৰ কঠোৰ পৰিশ্ৰমী মহাকাশ বিজ্ঞানী আৰু অভিযন্তাসকলক আন্তৰিক অভিনন্দন। মহাকাশৰ ক্ষেত্ৰত ভাৰতে নিৰন্তৰ নতুন উচ্চতালৈ আগুৱাই গৈ আছে।



'প্ৰগতি'ৰ ৫০সংখ্যক অধিৱেশন

# প্ৰগতি-এ ৮৫ লাখ কোটি টকাৰ প্ৰকল্পসমূহ ত্বৰান্বিত কৰিছে



"

যোৱা এটা দশক, ভাৰতে শাসন সংস্কৃতিৰ ক্ষেত্ৰত ঘটা পৰিৱৰ্তনসমূহৰ সাক্ষী হৈ আহিছে। যেতিয়া সময়মতে সিদ্ধান্ত লোৱা হয়, সমন্বয় ফলপ্ৰসূ হয় আৰু দায়িত্ব নিৰ্দিষ্ট কৰা হয়, তেতিয়া চৰকাৰৰ কাম-কাজৰ গতি স্বাভাৱিকতে আস্থা বৃদ্ধি পায়। এই প্ৰভাৱ প্ৰত্যক্ষভাৱে নাগৰিকৰ জীৱনত দেখা পোৱা গৈছে।

**নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী

নতুন ভাৰতে এতিয়া প্ৰকল্পসমূহ ৰূপায়ণত বিলম্ব নকৰে বা আধাতে সেইবোৰ বন্ধ নকৰে। বৰঞ্চ নিৰ্ধাৰিত সময়ৰ আগতেই সম্পূৰ্ণ কৰে। এই সন্দৰ্ভত ৩১ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সক্ৰিয় শাসন আৰু সময়োপযোগী ৰূপায়ণৰ বাবে আইচিটি সক্ষমযুক্ত বহুমুখী মঞ্চ 'প্ৰগতি'ৰ ৫০ সংখ্যক অধিৱেশনত সভাপতিত্ব কৰিছিল। বৈঠকত পাঁচখন ৰাজ্যত বিস্তৃত হৈ থকা পাঁচটা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পৰ পৰ্যালোচনা কৰা হয়। যাৰ মুঠ ব্যয় ৪০ হাজাৰ কোটি টকাতকৈ অধিক। বিগত দশকত প্ৰগতি পৰিৱেশ তন্ত্ৰই ৮৫ লাখ কোটিতকৈও অধিক মূল্যৰ প্ৰকল্প ত্বৰান্বিত কৰাত সহায় কৰিছে। ২০১৪ চনত প্ৰতিষ্ঠা হোৱাৰ পৰাই প্ৰগতিয়ে ৩৭৭টা প্ৰকল্পৰ পৰ্যালোচনা কৰিছে। এই প্ৰকল্পসমূহত চিনাক্ত কৰা ৩,১৬২টা সমস্যাৰ ভিতৰত ২,৯৫৮টা (৯৪%) সমাধান কৰা হৈছে, যাৰ ফলত বিলম্ব, খৰচৰ অতিৰিক্ত ব্যয়, আৰু সমন্বয়ৰ বিফলতা যথেষ্ট হ্ৰাস পাইছে। ইয়াৰ গুৰুত্ব সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতে দ্ৰুতগতিত আগবাঢ়ি যোৱাৰ লগে লগে প্ৰগতিৰ প্ৰাসংগিকতা আৰু অধিক বৃদ্ধি পাইছে। সংস্কাৰৰ গতি অক্ষুণ্ণ ৰাখিবলৈ আৰু কাৰ্যকৰীকৰণ সুনিশ্চিত কৰিবলৈ প্ৰগতি অপৰিহাৰ্য। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে পি এম-শ্ৰী আঁচনিখন সামগ্ৰিক আৰু ভৱিষ্যতৰ বাবে সাজু বিদ্যালয় শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় মান হ'ব লাগে। ইয়াৰ ৰূপায়ণ আন্তঃগাঁথনিকেন্দ্ৰিক নহয়, ফলাফলমুখী হ'ব লাগে। তেওঁ সকলো মুখ্য সচিবক পিএম-শ্ৰী আঁচনিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ অনুৰোধ জনায়। প্ৰগতিৰ পৰৱৰ্তী পৰ্যায়ৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে মন্ত্ৰ এটা দিয়ে: "সৰল কৰিবলৈ সংস্কাৰ কৰক, ফলপ্ৰদান কৰিবলৈ কাম কৰক, প্ৰভাৱান্বিত কৰিবলৈ ৰূপান্তৰিত কৰক।" ●



# ২০২৫
## সংস্কাৰৰ বৰ্ষ

উন্নত ৰাষ্ট্ৰ হোৱাৰ সংকল্প পূৰণৰ দিশত আগবাঢ়ি যোৱা ভাৰতে ২০২৫ চনত এক নতুন মাইলৰ খুঁটি সংযোজন কৰিলে। ২০২৫ চনত দেশখন সাংস্কৃতিক পুনৰুত্থান, অৰ্থনীতিৰ বাবে এক নতুন প্ৰেৰণা, কৃষিৰ অগ্ৰগতি, মহিলা সবলীকৰণ, দৰিদ্ৰ আৰু যুৱক-যুৱতীসকলৰ উত্থান, বিজ্ঞানৰ অগ্ৰগতি, সামুদ্ৰিক উন্নয়ন, আভ্যন্তৰীণ নিৰাপত্তা, আৰু বিশ্ব পৰ্যায়ত নতুন স্বীকৃতিৰ সাক্ষী হ'ল। ২০২৫ চনত উন্নয়ন উত্তৰাধিকাৰ হৈ পৰিল, আৰু ৰাষ্ট্ৰ-নিৰ্মাণেই হৈ পৰিল পথ প্ৰদৰ্শক নীতি। ১১ বছৰীয়া নিৰন্তৰ উন্নয়নৰ পিছত ২০২৫ চনতো উল্লেখযোগ্য সংস্কাৰ ঘটিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বছৰটোৰ প্ৰাপ্তিসমূহৰ বিষয়ত আলোকপাত কৰি লিংকড্ইনত এটা পোষ্ট শ্বেয়াৰ কৰিছে...

বিশ্বৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে ভাৰতে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ কাৰণ হৈছে আমাৰ জনগণৰ উদ্ভাৱনীমূলক উদ্যম। আজি বিশ্বই ভাৰতলৈ পৰম আশা আৰু আত্মবিশ্বাসেৰে চায়। তেওঁলোকে পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰৰ জৰিয়তে প্ৰগতিৰ গতি ত্বৰান্বিত হোৱা কথাটোক প্ৰশংসা কৰে, যিবোৰ আন্তঃখণ্ডীয় আৰু সেইবোৰেই দেশখনৰ বৃদ্ধিৰ সম্ভাৱনা বৃদ্ধি কৰিছে।

মই বহুতকে কৈ আহিছো যে ভাৰতে সংস্কাৰ এক্সপ্ৰেছত আৰোহণ কৰিছে। এই সংস্কাৰ এক্সপ্ৰেছৰ প্ৰাথমিক ইঞ্জিন হৈছে ভাৰতৰ জনগাঁথনি, আমাৰ যুৱ প্ৰজন্ম আৰু আমাৰ জনসাধাৰণৰ অদম্য মনোভাৱ।

২০২৫ চনটো ভাৰতৰ বাবে এনে এটা বছৰ হিচাপে মনত ৰখা হ'ব যিটো বৰ্ষত ই বিগত ১১ বছৰত লাভ কৰা অনুভৱৰ ভেটি নিৰ্মাণ কৰি সংস্কাৰক এক নিৰন্তৰ ৰাষ্ট্ৰীয় অভিযান হিচাপে গুৰুত্ব আৰোপ কৰিবলৈ সক্ষম হৈছে। আমি প্ৰতিষ্ঠানসমূহৰ আধুনিকীকৰণ কৰিলোঁ, শাসন ব্যৱস্থা সৰল কৰিলোঁ আৰু দীৰ্ঘম্যাদী, সৰ্বাংগীণ বিকাশৰ ভেটি শক্তিশালী কৰিলোঁ।

আমি নিৰ্ণায়কভাৱে আগবাঢ়িলোঁ... উচ্চ উচ্চাকাংক্ষা, দ্ৰুত নিষ্পাদন আৰু গভীৰ ৰূপান্তৰৰ জৰিয়তে। সংস্কাৰসমূহৰ মূল উদ্দেশ্য হৈছে নাগৰিকসকলক মৰ্যাদাৰে জীয়াই থাকিবলৈ, উদ্যোগীসকলক আত্মবিশ্বাসেৰে উদ্ভাৱন কৰিবলৈ আৰু প্ৰতিষ্ঠানসমূহক স্পষ্টতা তথা বিশ্বাসেৰে কাম কৰিবলৈ সক্ষম কৰি তোলা।

এইখিনিতে, আমি গ্ৰহণ কৰা সংস্কাৰৰ কেইটামান উদাহৰণ উল্লেখ কৰিব বিচাৰিছো।

২০২৫ চনৰ সংস্কাৰক যিটোৱে বিশেষ কৰি তুলিছে, সেয়া কেৱল ইয়াৰ পৰিসৰ নহয়, সেয়া হৈছে ইয়াৰ আঁৰৰ




### জি এছ টি সংস্কাৰ

- ৫% আৰু ১৮% ৰ স্পষ্ট দুটা স্লেব ৰূপায়ণ কৰা হৈছে।
- পৰিয়াল, এমএছএমই, কৃষক আৰু শ্ৰম নিয়োজিত খণ্ডৰ ওপৰত বোজা লাঘৱ কৰা হৈছে।
- উদ্দেশ্য হৈছে বিবাদ হ্ৰাস আৰু উন্নত অনুপালন নিশ্চিত কৰা।
- এই সংস্কাৰে গ্ৰাহকৰ আবেগ আৰু চাহিদা বৃদ্ধি কৰিছে। উৎসৱৰ বতৰত সামগ্ৰীৰ বিক্ৰী বৃদ্ধি পাইছে।

### ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়ক অগ্ৰাধিকাৰ

- "ক্ষুদ্ৰ কোম্পানী"ৰ সংজ্ঞা সম্প্ৰসাৰিত কৰি ১০০ কোটি টকা পৰ্যন্ত টাৰ্ণঅভাৰ থকা প্ৰতিষ্ঠানসমূহকো ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে।
- হাজাৰ হাজাৰ কোম্পানীৰ অনুপালনৰ বোজা আৰু ইয়াৰ লগত জড়িত খৰচ হ্ৰাস পাব।

### মধ্যবিত্ত শ্ৰেণীৰ বাবে অতুলনীয় সকাহ

- প্ৰথমতে বছৰি ১২ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰা ব্যক্তিসকলে একেবাৰেই আয়কৰ দিবলগীয়া নহ'ল।
- ১৯৬১ চনৰ অচল আয়কৰ আইনখনৰ ঠাইত আধুনিক তথা সহজ আয়কৰ আইন, ২০২৫ৰ ব্যৱস্থা কৰা হৈছে।
- এই সংস্কাৰসমূহে একেলগে ভাৰতে স্বচ্ছ, প্ৰযুক্তিচালিত কৰ প্ৰশাসনৰ দিশত আগবাঢ়ি যোৱাৰ প্ৰমাণ দাঙি ধৰিছে।




### ১০০% এফডিআই বীমা সংস্কাৰ

- ভাৰতীয় বীমা কোম্পানীত ১০০% বিদেশী পুঁজিৰ বিনিয়োগৰ অনুমতি প্ৰদান কৰা হ'ল।
- ইয়াৰ দ্বাৰা বীমাৰ বিস্তাৰ আৰু মানুহৰ বাবে সুৰক্ষা বৃদ্ধি পাব।
- বৰ্ধিত প্ৰতিযোগিতাৰ উপৰি ই জনসাধাৰণৰ বাবে উন্নত বীমাৰ বিকল্প আৰু উন্নত সেৱা প্ৰদানৰ সুবিধা প্ৰদান কৰিব।



## সামুদ্ৰিক তথা নীলা অৰ্থনীতিৰ সংস্কাৰ

- সংসদৰ বৰ্ষাকালীন অধিৱেশনত পাঁচখন গুৰুত্বপূৰ্ণ সামুদ্ৰিক আইন গৃহীত কৰা হয়- লোডিং বিধেয়ক, ২০২৫; সাগৰেৰে সামগ্ৰী পৰিবহণ বিধেয়ক, ২০২৫; উপকূলীয় জাহাজ পৰিবহণ বিধেয়ক, ২০২৫; ব্যৱসায়িক জাহাজ পৰিবহণ বিধেয়ক, ২০২৫; আৰু ভাৰতীয় বন্দৰ বিধেয়ক, ২০২৫।
- এই সংস্কাৰসমূহে নথি-পত্ৰৰ সৰলীকৰণ, বিবাদ নিষ্পত্তি সহজ কৰাৰ লগতে লজিষ্টিক ব্যয় হ্ৰাস কৰিছে।
- ১৯০৮, ১৯২৫ আৰু ১৯৫৮ চনৰ পুৰণি আইনসমূহো বাতিল কৰা হৈছে।

## ছিকিউৰিটী বজাৰৰ সংস্কাৰ:

- ছিকিউৰিটী মাৰ্কেট কোড বিল সংসদত উত্থাপন কৰা হয়। ই ছেবিৰ প্ৰশাসনিক নীতি-নিয়ম উন্নত কৰাৰ লগতে বিনিয়োগকাৰীৰ সুৰক্ষা বৃদ্ধি, আইনী বোজা হ্ৰাস কৰাৰ লগতে বিকশিত ভাৰত গঢ়াৰ বাবে প্ৰযুক্তি-চালিত ছিকিউৰিটী বজাৰৰ সুবিধা প্ৰদান কৰিব।
- সংস্কাৰৰ ফলত কম অনুপালন আৰু অন্যান্য সাধাৰণ খৰচ হ্ৰাসৰ ফলত সঞ্চয় বৃদ্ধি পাব।

## জন বিশ্বাস ... অপৰাধীকৰণৰ যুগৰ সমাপ্তি:

- শ শ পুৰণি আইন বাতিল কৰা হৈছে।
- বাতিল আৰু সংশোধনী বিধেয়ক, ২০২৫ৰ জৰিয়তে ৭১খন আইন বাতিল কৰা হৈছে।

## ব্যৱসায়ৰ সুচলতা বৃদ্ধিঃ

- ছিন্থেটিক ফাইবাৰ, সূতা, প্লাষ্টিক, পলিমাৰ আৰু সাধাৰণ ধাতুসমূহৰ বাবে মুঠ ২২টা কোৱালিটি কণ্ট্ৰ'ল অৰ্ডাৰ প্ৰত্যাহাৰ কৰা হৈছে। ইলেক্ট্ৰিকেল, এলয়ড আৰু গ্ৰাহক সামগ্ৰীৰ ক্ষেত্ৰত ৫৩টা কোৱালিটি কণ্ট্ৰ'ল অৰ্ডাৰ প্ৰত্যাহাৰ কৰা হৈছে।
- ইয়াৰ ফলত বস্ত্ৰৰ ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতৰ অংশ বৃদ্ধি পাব; জোতা-চেণ্ডেল, অ'টোমোবাইলৰ দৰে বিভিন্ন উদ্যোগত উৎপাদন ব্যয় হ্ৰাস হ'ব, ইলেক্ট্ৰনিক্স, বাইচাইকেল আৰু অ'টোমোবাইল সামগ্ৰী দেশীয় গ্ৰাহকে কম মূল্য পোৱাটো নিশ্চিত হ'ব।

## ঐতিহাসিক শ্ৰম সংস্কাৰ:

- শ্ৰম আইনসমূহ নতুন ৰূপত প্ৰস্তুত কৰা হৈছে, ২৯খন পৃথক আইনক চাৰিটা আধুনিক সংহিতাত একত্ৰিত কৰা হৈছে।
- ভাৰতে শ্ৰমিকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে ব্যৱসায়িক পৰিস্থিতিতন্ত্ৰকো শক্তিশালী কৰি তোলাৰ বাবে শ্ৰমৰ কাঠামো প্ৰস্তুত কৰিছে।
- সংস্কাৰৰ লক্ষ্য হৈছে ন্যায্য মজুৰি, সময়মতে মজুৰি প্ৰদান, শ্ৰমিক সম্পৰ্ক সুচল কৰা, সামাজিক সুৰক্ষা আৰু সুৰক্ষিত কৰ্মক্ষেত্ৰৰ ব্যৱস্থা কৰা।
- সেইবোৰে কৰ্মশালাত মহিলাসকলৰ অধিক অংশগ্ৰহণ সুনিশ্চিত কৰিছে।
- ইএছআইচি আৰু ইপিএফঅ'ৰ অধীনত চুক্তিভিত্তিক শ্ৰমিককে ধৰি অসংগঠিত শ্ৰমিকক আনুষ্ঠানিক শ্ৰমিকৰ আওতালৈ অনা হৈছে।

## ভাৰতত উৎপাদিত সামগ্ৰীৰ বৈচিত্ৰ্য আৰু সম্প্ৰসাৰিত বজাৰঃ

- ভাৰতে নিউজিলেণ্ড, অ'মান আৰু ব্ৰিটেইনৰ সৈতে বাণিজ্যিক চুক্তি স্বাক্ষৰ কৰিছে। ইয়াৰ ফলত বিনিয়োগ বৃদ্ধি হ'ব, নিয়োগ সৃষ্টি হ'ব আৰু স্থানীয় উদ্যোগীক উৎসাহিত কৰা হ'ব। সেইবোৰে বিশ্ব অৰ্থনীতিত বিশ্বাসযোগ্য তথা প্ৰতিযোগিতামূলক অংশীদাৰ হিচাপে ভাৰতৰ স্থিতি শক্তিশালী কৰিছে।
- ছুইজাৰলেণ্ড, নৰৱে', আইচলেণ্ড আৰু লিচটেনষ্টেইনক লৈ গঠিত ইউৰোপিয়ান ফ্ৰী ট্ৰেড এছ'চিয়েচনৰ সৈতে এফটিএ কাৰ্যকৰী কৰা হৈছে। উন্নত ইউৰোপীয় অৰ্থনীতিৰ সৈতে ভাৰতৰ এইখনেই প্ৰথম মুক্ত বাণিজ্য চুক্তি।



## পাৰমাণৱিক শক্তিৰ সংস্কাৰ

- ভাৰতৰ স্বচ্ছ শক্তি আৰু প্ৰযুক্তিৰ যাত্ৰাত 'শান্তি (SHANTI) আইন' এক পৰিৱৰ্তনকামী পদক্ষেপ।
- পৰমাণু বিজ্ঞান আৰু প্ৰযুক্তিৰ সুৰক্ষিত, নিৰাপদ আৰু দায়িত্বশীল সম্প্ৰসাৰণৰ বাবে এক শক্তিশালী কাঠামো নিশ্চিত কৰা হৈছে।
- ভাৰতে তথ্য কেন্দ্ৰ, উন্নত নিৰ্মাণ, সেউজ হাইড্ৰ'জেন আৰু উচ্চ প্ৰযুক্তিৰ উদ্যোগৰ জৰিয়তে এআই যুগৰ শক্তিৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হ'ব।
- স্বাস্থ্য সেৱা, কৃষি, খাদ্য সুৰক্ষা, জল ব্যৱস্থাপনা, উদ্যোগ, গৱেষণা আৰু পৰিৱেশীয় বহনক্ষমতা, সমাৱেশী বিকাশ আৰু উন্নত জীৱনশৈলীৰ ক্ষেত্ৰত পাৰমাণৱিক প্ৰযুক্তিৰ শান্তিপূৰ্ণ প্ৰয়োগক উৎসাহিত কৰিব।
- ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ, উদ্ভাৱন আৰু দক্ষতা বিকাশৰ বাবে নতুন পথ মুকলি কৰিব। ভাৰতৰ যুৱক-যুৱতীসকলৰ বাবে আগশাৰীৰ প্ৰযুক্তি আৰু পৰৱৰ্তী প্ৰজন্মৰ শক্তি সমাধানৰ ক্ষেত্ৰত নেতৃত্ব দিয়াৰ সুযোগ সৃষ্টি কৰিব।
- বিনিয়োগকাৰী, উদ্ভাৱক আৰু প্ৰতিষ্ঠানসমূহৰ বাবে ভাৰতৰ সৈতে অংশীদাৰীত্ব স্থাপন, বিনিয়োগ, উদ্ভাৱন আৰু এক স্বচ্ছ, সুস্থিৰ তথা ভৱিষ্যতৰ বাবে প্ৰস্তুত শক্তি ব্যৱস্থাৰ নিৰ্মাণৰ বাবে এয়া এক উপযুক্ত সময়।

## গ্ৰামাঞ্চলত নিয়োগ নিশ্চিতকৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সংস্কাৰ

- বিকশিত ভাৰত-জি-ৰাম-জি আইন, ২০২৫ৰ জৰিয়তে নিশ্চিত ৰোজগাৰ কাঠামোত নিয়োগৰ নিশ্চিতি ১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে।
- ইয়াৰ ফলত গাঁৱৰ আন্তঃগাঁথনি আৰু জীৱিকাৰ দিশত ব্যয় বৃদ্ধি হ'ব।
- ইয়াৰ উদ্দেশ্য হৈছে গ্ৰামীণ কাম-কাজক অধিক আয় আৰু উন্নত সম্পদ নিশ্চিত কৰাৰ মাধ্যমলৈ ৰূপান্তৰিত কৰা।

## শিক্ষা সংস্কাৰ

- বিধেয়কখন সংসদত উত্থাপন কৰা হৈছে।
- একক, একীকৃত উচ্চ শিক্ষাৰ নিয়ন্ত্ৰক প্ৰতিষ্ঠা কৰা হ'ব।
- ইউজিচি, এআইচিটিই, এনচিটিইৰ দৰে একাধিক অভাৰলেপিং বোৰ্ডৰ ঠাইত বিকশিত ভাৰত শিক্ষা অধিষ্ঠান স্থাপন কৰা হ'ব।
- প্ৰতিষ্ঠানসমূহৰ স্বায়ত্তশাসন শক্তিশালী কৰা হ'ব, উদ্ভাৱন আৰু গৱেষণাক উৎসাহিত কৰা হ'ব।



চিন্তাধাৰা। আধুনিক গণতন্ত্ৰৰ প্ৰকৃত মনোভাৱত আমাৰ চৰকাৰে নিয়ন্ত্ৰণৰ সলনি সহযোগিতাক আৰু নিয়ন্ত্ৰণতকৈ সুবিধা প্ৰদানক অগ্ৰাধিকাৰ দিছে।

এই সংস্কাৰসমূহ ক্ষুদ্ৰ ব্যৱসায়, যুৱ পেছাদাৰী, কৃষক, শ্ৰমিক আৰু মধ্যবিত্ত শ্ৰেণীৰ বাস্তৱতাক স্বীকৃতি দি সহানুভূতিৰে প্ৰস্তুত কৰা হৈছিল। তথ্যৰ দ্বাৰা পৰিচালিত হৈছিল পৰামৰ্শৰ জৰিয়তে আৰু ভাৰতৰ সাংবিধানিক মূল্যবোধৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল। নিয়ন্ত্ৰণভিত্তিক অৰ্থনীতিৰ পৰা আঁতৰি আহি বিশ্বাসৰ কাঠামোৰ ভিতৰত কাম কৰা আৰু নাগৰিকক কেন্দ্ৰ কৰি গঢ় লৈ উঠা অৰ্থনীতিৰ দিশে আগবাঢ়ি যোৱাৰ আমাৰ দশকজোৰা প্ৰচেষ্টাক সেইবোৰে ত্বৰান্বিত কৰে। এই সংস্কাৰৰ লক্ষ্য হৈছে এখন সমৃদ্ধিশালী আৰু স্বাৱলম্বী ভাৰত গঢ়ি তোলা। এখন উন্নত ভাৰত গঢ়ি তোলা আমাৰ উন্নয়ন যাত্ৰাৰ মূল লক্ষ্য। আমি আগন্তুক বছৰবোৰতো আমাৰ সংস্কাৰৰ এজেণ্ডা অব্যাহত ৰাখিম। ভাৰতৰ লগতে বিদেশৰ সকলোকে ভাৰতৰ বিকাশৰ কাহিনীৰ সৈতে নিজৰ সংযোগ গভীৰ কৰিবলৈ আহ্বান জনাইছো।

***ভাৰতক বিশ্বাস কৰক আৰু আমাৰ জনসাধাৰণৰ মাজত বিনিয়োগ কৰি যাওক!***

*প্ৰধানমন্ত্ৰীৰ প্ৰবন্ধটো পঢ়িবলৈ কিউআৰ ক'ড স্কেন কৰক।*

ভাৰতৰ নিৰ্বাচন আয়োগ

# ভাৰতীয় গণতন্ত্ৰ

# ভোটাৰ, সংস্কাৰ আৰু ভৱিষ্যত



ভাৰত বিশ্বৰ সৰ্ববৃহৎ আৰু সজীৱ গণতন্ত্ৰ। গণতন্ত্ৰত জনসাধাৰণৰ জনাদেশেই সৰ্বোচ্চ, যিটো নাগৰিকৰ ভোটাধিকাৰৰ দ্বাৰা শক্তিশালী হয়। ভাৰত কেৱল বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰই নহয়, বৰঞ্চ আটাইতকৈ প্ৰাণৱন্ত দেশ। গণতন্ত্ৰত জনাদেশ সৰ্বোচ্চ আৰু এই জনাদেশ নাগৰিকৰ ভোটাধিকাৰৰ দ্বাৰা নিৰ্ধাৰিত হয়। এই পটভূমিত সময়ে সময়ে ভোটাৰ তালিকাসমূহ সংশোধন কৰা বা নীতি, পদক্ষেপ, আধুনিক প্ৰযুক্তিৰ জৰিয়তে নিৰ্বাচনী ব্যৱস্থাটোক অধিক ফলপ্ৰসূ কৰি তোলা, নিৰ্বাচনী সংস্কাৰৰ দ্বাৰা গণতন্ত্ৰক শক্তিশালী কৰা আৰু সমৃদ্ধিৰ এক অবিৰত প্ৰক্ৰিয়া নিশ্চিত কৰা হয়। বিগত দশকসমূহৰ প্ৰচেষ্টাই গণতন্ত্ৰক শক্তিশালী আৰু সমৃদ্ধ কৰিছে। এতিয়া দেশখনে বিকশিত ভাৰতৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ দিশত আগবাঢ়ি যোৱাৰ লগে লগে বাবাচাহেব আম্বেদকাৰে সংবিধান সভাত উল্লেখ কৰা "এজন ব্যক্তি, এজন ভোট, এক মূল্যবোধ"ৰ নীতিয়ে বৰ্তমান তথা ভৱিষ্যতৰ সংস্কাৰৰ ভিত্তি গঢ়ি তুলিছে...

২৫ জানুৱাৰীত দেশত ষোড়শ ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদযাপনৰ সময়ত ২০২৬ বৰ্ষই ভাৰতৰ বাবে আন এক গৌৰৱৰ মুহূৰ্ত কঢ়িয়াই আনিছে। এইবাৰ ভাৰতে আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচনী সাহায্য প্ৰতিষ্ঠান (আন্তঃৰাষ্ট্ৰীয় আইডিইএ)ৰ সদস্য ৰাষ্ট্ৰ পৰিষদৰ সভাপতিত্ব গ্ৰহণ কৰিছে। এই উপলক্ষে আহক আমি অন্বেষণ কৰোঁ যে প্ৰযুক্তিৰ শক্তিয়ে মানুহক কেনেদৰে সবল কৰি তোলাৰ লগতে ভাৰতৰ ভোটদান প্ৰক্ৰিয়াক সহজ, ফলপ্ৰসূ তথা আধুনিক কৰি তুলিছে।



ভাৰতত নিৰ্বাচন কেৱল ৰাজনৈতিক প্ৰক্ৰিয়া আৰু চৰকাৰ গঠনতে সীমাবদ্ধ নহয়; বৰঞ্চ ইয়াক গণতন্ত্ৰৰ এক বৃহৎ উৎসৱ হিচাপে উদযাপন কৰা হয়, যিটো জনসাধাৰণৰ প্ৰকৃত উৎসৱ। বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ ভূমি, গণতন্ত্ৰৰ মাতৃ ভাৰতবৰ্ষই চলিত বৰ্ষৰ ২৫ জানুৱাৰীত যোড়শ ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদযাপন কৰিছে। এইবাৰৰ ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ গুৰুত্ব বিশেষ। ভাৰতে আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচনী সাহায্য প্ৰতিষ্ঠান (আন্তঃৰাষ্ট্ৰীয় আইডিইএ)ৰ সদস্য ৰাষ্ট্ৰ পৰিষদৰ সভাপতিত্ব গ্ৰহণ কৰিছে। দুটা দশকৰ পাছত ভাৰতত ভোটাৰ তালিকা সংশোধন কৰাৰ বাবে এক বিশেষ অভিযান চলি আছে। গণতন্ত্ৰৰ মন্দিৰ সংসদত নিৰ্বাচনী সংস্কাৰৰ বিষয়ত এক বিশেষ আলোচনা অনুষ্ঠিত হয়। সবাতোকৈ ডাঙৰ কথাটো হ'ল স্বাধীনতাৰ ১০০ বছৰলৈকে দেশখন উন্নত ভাৰত হোৱাৰ পথত আগবাঢ়িছে আৰু গণতন্ত্ৰৰ এই যাত্ৰাক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত ভাৰতৰ নিৰ্বাচন আয়োগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

দেশৰ কোটি কোটি লোকে নিজৰ প্ৰতিনিধি নিৰ্বাচনৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰে। এয়াই গণতান্ত্ৰিক গণৰাজ্যৰ প্ৰকৃত মনোভাৱ। এই আধাৰতেই ভাৰতীয় গণতন্ত্ৰৰ ভব্য গাঁথনি গঢ় লৈ উঠিছে। স্বাধীনতাৰ পিছত ভাৰতে সংসদীয় গণতন্ত্ৰক নিজৰ শাসন প্ৰণালী হিচাপে গ্ৰহণ কৰে। এই ব্যৱস্থাত প্ৰতিনিধিসকলক সৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ জৰিয়তে নিৰ্বাচিত কৰা হয়। সংবিধান প্ৰণয়নকাৰীসকলে নিৰ্বাচন আয়োগক অতি গুৰুত্ব দিছিল, যিটো ইয়াৰ আৰম্ভণিৰে পৰাই স্পষ্ট হৈ পৰিছে। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান বলবৎ হয় আৰু ইয়াৰ এদিন আগতে অৰ্থাৎ ১৯৫০ চনৰ ২৫ জানুৱাৰীত নিৰ্বাচন আয়োগ গঠন হয়। দেশখন গণৰাজ্য হোৱাৰ এদিন আগতে নিৰ্বাচন আয়োগ প্ৰতিষ্ঠা কৰা হয় কাৰণ সংবিধানৰ প্ৰণেতাসকলে জানিছিল যে এক সজীৱ গণতন্ত্ৰ কেৱল এটা স্বচ্ছ আৰু শক্তিশালী নিৰ্বাচনী ব্যৱস্থাৰ দ্বাৰাহে সম্ভৱ। সংবিধান প্ৰণয়নকাৰীসকলৰ বাবে নিৰ্বাচন আয়োগ আছিল এক অতি গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান। সংবিধানৰ ৩২৪ অনুচ্ছেদত নিৰ্বাচন আয়োগক লোকসভা, ৰাজ্যসভা, ৰাজ্যিক বিধানসভা, ৰাজ্যিক বিধান পৰিষদ, উপ-ৰাষ্ট্ৰপতি আৰু ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। বৰ্তমানলৈকে ১৮বাৰ লোকসভা নিৰ্বাচন আৰু ৪০০ৰো অধিকবাৰ ৰাজ্যিক বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰা নিৰ্বাচন আয়োগে ১৯৫০ চনৰ ২৫ জানুৱাৰীৰ পৰাই নিজৰ প্ৰাসংগিকতা প্ৰমাণ কৰি আহিছে।

## গণতন্ত্ৰৰ এক সমৃদ্ধ পৰম্পৰা

ভাৰত আজি বিশ্ব গণতন্ত্ৰৰ এক পথ প্ৰদৰ্শক। যিকোনো গণতান্ত্ৰিক দেশত, "নিৰ্বাচন" শব্দটোৰে চৰকাৰ গঠনত নাগৰিকসকলৰ সক্ৰিয় আৰু প্ৰত্যক্ষ অংশগ্ৰহণক প্ৰতীক হিচাপে ব্যৱহাৰ কৰে। আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে এতিয়া ভাৰতক বিশ্বৰ অন্যতম শক্তিশালী গণতন্ত্ৰ হিচাপে স্বীকৃতি দিছে। ভাৰতৰ নিৰ্বাচন আয়োগে স্বাধীন সাংবিধানিক সংস্থা হিচাপে দেশৰ বাবে এই স্বীকৃতি লাভ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। প্ৰকৃততে, ভাৰতৰ প্ৰজাতন্ত্ৰবাদৰ এক সমৃদ্ধ ইতিহাস আছে। স্বাধীনতাৰ পিছত ভাৰতৰ সংবিধানৰ


গণতন্ত্ৰ

### ভাৰতীয় গণতন্ত্ৰত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি

মহিলা ভোটাৰৰ সংখ্যা (১৯৫২-২০২৪)

| নিৰ্বাচনৰ বৰ্ষ | মহিলা ভোটাৰৰ সংখ্যা |
|---|---|
| ১৯৫২ | - |
| ১৯৫৭ | ৯.২১+ |
| ১৯৬২ | - |
| ১৯৬৭ | - |
| ১৯৭১ | ১৩.০৬+ |
| ১৯৭৭ | ১৫.৪১+ |
| ১৯৮০ | ১৭.০৬+ |
| ১৯৮৪-৮৫ | ১৯.২৩+ |
| ১৯৮৯ | ২৩.৬৮+ |
| ১৯৯১-৯২ | ২৪.২৫+ |
| ১৯৯৬ | ২৮.২৭+ |
| ১৯৯৮ | ২৮.৯১+ |
| ১৯৯৯ | ২৯.৫৭+ |
| ২০০৪ | ৩২.১৯+ |
| ২০০৯ | ৩৪.২২+ |
| ২০১৪ | ৩৯.৭০+ |
| ২০১৯ | ৪৩.৮৫+ |
| ২০২৪ | ৪৭.৬৩+ |

(ভোটাৰৰ সংখ্যা কোটিৰ হিচাপত)



# বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনী কাৰ্যসূচী-২০২৪

**৯৭.৭৯** কোটি পঞ্জীয়নভুক্ত ভোটাৰ

**৭৪৩** টা ৰাজনৈতিক দল


**১০.২** লাখ ভোটগ্ৰহণ কেন্দ্ৰ

**১.৫** কোটি ভোটগ্ৰহণকাৰী বিষয়া আৰু নিৰাপত্তাৰক্ষী

**৫৫** লাখ ইভিএম

## লোকসভা আৰু ৰাজ্যিক বিধানসভাত ৩৩ শতাংশ সংৰক্ষণৰ বাবে আইন গৃহীত

গণতন্ত্ৰত মহিলাসকলৰ অংশগ্ৰহণ কেৱল ভোটদানৰ ক্ষেত্ৰতে নহয়, নেতৃত্বৰ ক্ষেত্ৰতো বৃদ্ধি পাইছে। ১৯৫৭ চনৰ দ্বিতীয় সাধাৰণ নিৰ্বাচনত মাত্ৰ ৩% মহিলা প্ৰাৰ্থী আছিল, যদিও ২০২৪ চনত এই সংখ্যা ১০%লৈ বৃদ্ধি পাইছে। প্ৰথম লোকসভাত ২২গৰাকী আৰু দ্বিতীয় লোকসভাত ২৭গৰাকী মহিলা সদস্যা নিৰ্বাচিত হোৱাৰ বিপৰীতে সপ্তদশ লোকসভাত ৭৮গৰাকী আৰু অষ্টাদশ লোকসভাত ৭৫গৰাকীলৈ বৃদ্ধি পাইছে। দেশখনে ২০২৩ চনত নাৰী শক্তি বন্দন অধিনিয়ম গৃহীত কৰে, যিয়ে লোকসভা আৰু ৰাজ্যিক বিধানসভাত এক-তৃতীয়াংশ সংৰক্ষণৰ ব্যৱস্থা কৰে। ৰাজ্যসভাতো ১৯৫২ চনত মহিলা সদস্যৰ সংখ্যা আছিল ১৫গৰাকী, বৰ্তমান ৪২গৰাকী সদস্য আছে। এই সংখ্যা মুঠ সদস্যৰ প্ৰায় ১৭%। আনহাতে, সমগ্ৰ দেশতে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহত প্ৰায় ১.৪৫ নিযুত মহিলা প্ৰতিনিধি আছে, যি হৈছে মুঠ নিৰ্বাচিত প্ৰতিনিধিৰ প্ৰায় ৪৬ শতাংশ। দেশৰ ২১খন ৰাজ্যই পঞ্চায়তত পূৰ্বৰ ৩৩ শতাংশৰ বিপৰীতে ৫০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে।



প্ৰত্যেক লোকসভাত কিমান ভোটাৰ পঞ্জীয়ন হৈছে?

| নিৰ্বাচন | ভোটাৰৰ সংখ্যা | ভোটদান |
|---|---|---|
| প্ৰথম | ১৭.৩২+ | ৪৫.৬৭% |
| দ্বিতীয় | ১৯.৩৬+ | ৪৭.৭৪% |
| তৃতীয় | ২১.৬৩+ | ৫৫.৪২% |
| চতুৰ্থ | ২৫.০২+ | ৬১.০৪% |
| পঞ্চম | ২৭.৪১+ | ৫৫.২৭% |
| ষষ্ঠ | ৩২.১১+ | ৬০.৪৯% |
| সপ্তম | ৩৫.৬২+ | ৫৬.৯২% |
| অষ্টম | ৪০.০৩+ | ৬৪.০১% |
| নৱম | ৪৯.৮৯+ | ৬১.৯৫% |
| দশম | ৫১.১৫+ | ৫৫.৮৮% |
| একাদশ | ৫৯.২৫+ | ৫৭.৯৪% |
| দ্বাদশ | ৬০.৫৮+ | ৬১.৯৭% |
| ত্ৰয়োদশ | ৬১.৯৫+ | ৫৯.৯৯% |
| চতুৰ্দশ | ৬৭.১৪+ | ৫৮.০৭% |
| পঞ্চদশ | ৭১.৬৯+ | ৫৮.২১% |
| ষোড়শ | ৮৩.৪০+ | ৬৬.৪৪% |
| সপ্তদশ | ৯১.১৫+ | ৬৭.৪০% |
| অষ্টাদশ | ৯৭.৭৯+ | ৬৫.৭৯% |

*(ভোটাৰৰ সংখ্যা নিযুতৰ হিচাপত)*

জৰিয়তে গঢ়ি উঠা গণতান্ত্ৰিক প্ৰমূল্যসমূহ হাজাৰ বছৰ পুৰণি গণতান্ত্ৰিক পৰম্পৰাৰ পৰা প্ৰেৰণা লাভ কৰে।
হয়তো সেইবাবেই, যিটো সময়ত বিশ্বজুৰি গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ দুৰ্বল হৈ পৰা বুলি উদ্বেগ প্ৰকাশ কৰা হৈছে, সেই সময়ত ভাৰতত গণতন্ত্ৰ শক্তিশালী হৈ আছে। বৈশালী, কপিলাৱস্তু আৰু মিথিলাৰ পৰম্পৰাৰ পৰা ভাৰতে শিকিব পাৰিছে যে কোনো একক শ্ৰেণী বা ৰাজবংশৰ শাসন একচেটিয়া হ'ব নোৱাৰে। গণতন্ত্ৰত জনসাধাৰণৰ ইচ্ছাই সৰ্বোচ্চ। নিৰ্বাচনী প্ৰক্ৰিয়াৰ মেৰুদণ্ড হ'ল সজাগ

> আমি এজনো অবৈধ অনুপ্ৰৱেশকাৰীক এই দেশত ভোটদান কৰিবলৈ অনুমতি নিদিওঁ। এয়া আমাৰ নীতি-চিনাক্ত কৰা, নাম মচি দিম, ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম আঁতৰ কৰা আৰু তেওঁলোকক বহিষ্কাৰ কৰা হ'ব। আমি সাংবিধানিক প্ৰক্ৰিয়াৰ জৰিয়তে তেনে লোকক চিনাক্ত কৰিম, নাম মচি দিম আৰু দেশৰ পৰা পঠিয়াই দিম।

**অমিত শ্বাহ,** কেন্দ্ৰীয় গৃহ মন্ত্ৰী (লোকসভাত নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত হোৱা আলোচনাত)

ভোটাৰসকল। গণতান্ত্ৰিক গণৰাজ্য হিচাপে ভাৰতৰ যাত্ৰা আৰম্ভ হোৱাৰ এদিন পূৰ্বেই ভাৰতৰ নিৰ্বাচন আয়োগৰ যাত্ৰা আৰম্ভ হৈছিল। নিৰ্বাচনী আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়াৰ কাৰ্যকাৰিতা সুনিশ্চিত কৰিবলৈ সদায়েই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। এক শক্তিশালী নিৰ্বাচনী ব্যৱস্থা গঢ়ি তোলাৰ জৰিয়তে ভাৰতৰ নিৰ্বাচন আয়োগে সমগ্ৰ বিশ্বৰ বাবে এক উদাহৰণ দাঙি ধৰিছে।

সমগ্ৰ বিশ্বৰ মানুহে ভোটাধিকাৰৰ বাবে কঠোৰ সংগ্ৰাম কৰিছে। সংবিধান সভাৰ সদস্য হিচাপে প্ৰখ্যাত সাংবিধানিক বিশেষজ্ঞ আল্লাদী কৃষ্ণস্বামী আয়াৰে প্ৰাপ্তবয়স্ক ভোটাধিকাৰক গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ সফলতাৰ ভেটি বুলি অভিহিত কৰিছে। আগশাৰীৰ উন্নত দেশ আৰু গণতন্ত্ৰৰ আৰ্হি বুলি গণ্য কৰা আমেৰিকাত দশক দশক ধৰি সংগ্ৰাম আৰু অদম্য সাহস তথা অধ্যৱসায়ৰ অন্ততহে মানুহে ভোটাধিকাৰ লাভ কৰিছিল। ব্ৰিটেইনতো মহিলাসকলে ভোটাধিকাৰ লাভৰ বাবে দীঘলীয়া যুঁজ দিবলগীয়া হৈছিল। কিন্তু স্বাধীন ভাৰতত ২১ বছৰ আৰু তাৰ ঊৰ্ধ্বৰ সকলো নাগৰিককে আৰম্ভণিৰে পৰাই ভোটাধিকাৰ দিয়া হৈছিল। পিছলৈ ভোটদানৰ বয়স ১৮ বছৰলৈ হ্ৰাস কৰা হয়। ক্ষমতা, ধৰ্ম, জাতি, বৰ্ণ নিৰ্বিশেষে কোনো ধৰণৰ বৈষম্য নকৰাকৈ ধনী-দুখীয়া সকলো পুৰুষ-মহিলাৰ ভোটদানৰ অধিকাৰ আছে আৰু প্ৰতিজন ব্যক্তিৰ ভোটক সমানে মূল্যৱান বুলি গণ্য কৰা হয়। ভাৰতীয় সংবিধানৰ সৰ্বাংগীণ স্বৰূপটো মহিলাৰ ভোটাধিকাৰৰ বাবে বিশ্ব অভিযানৰ দৃষ্টিৰে বুজিব পাৰি।

১৭৭৬ চনত আমেৰিকাৰ দৰে দেশসমূহে স্বাধীনতা লাভ কৰাৰ বিপৰীতে মহিলাসকলক ভোটাধিকাৰ প্ৰদান কৰিবলৈ ১৪৪ বছৰ সময় লাগিছিল। ভাৰতে সংসদীয় ব্যৱস্থা গ্ৰহণ কৰা ইংলেণ্ডত ১৯১৮ চনত ৩০ বছৰৰ ওপৰৰ মহিলাই ভোটাধিকাৰ লাভ কৰিছিল আৰু ১৯২৮ চনত সকলো মহিলাই ভোটাধিকাৰ লাভ কৰিছিল। ইয়াৰ বিপৰীতে ভাৰতত প্ৰথম দিনাৰ পৰাই মহিলাৰ ভোটাধিকাৰ আছিল। সংবিধানসভাত এই বিষয়ত বিতৰ্ক যেতিয়া ভুল দিশত গৈ আছিল, তেতিয়া বাবাচাহেব আম্বেদকাৰে কৈছিল যে ভাৰতৰ পিছত বহু দেশ স্বাধীন হ'ব আৰু ভাৰতে সকলোকে ভোটাধিকাৰ প্ৰদানৰ ক্ষেত্ৰত আগভাগ লোৱা উচিত। তেওঁ কয় যে আমি যদি সকলোকে ভোটাধিকাৰ দিওঁ আৰু এজন ব্যক্তি, এটা ভোট, এটা মূল্যবোধৰ নীতি গ্ৰহণ কৰো, তেন্তে ইয়াৰ প্ৰভাৱ সমগ্ৰ বিশ্বতে অনুভৱ কৰা হ'ব। বাবাছাহেবে সংবিধান সভাত এই কথা কওঁতে কোনোবাই সুধিলে যে মহিলাসকলক কিয় ভোটাধিকাৰ দিয়া হৈছে, যিহেতু তেওঁলোকে কেৱল পৰিয়ালৰ মুৰব্বী অনুযায়ী ভোটদান কৰিব। এই কথাত বাবাচাহেবে উত্তৰ দিছিল, "সেয়া আচল কথা নহয়। ভাৰতীয় নাৰী বুদ্ধিমান আৰু যেতিয়া তেওঁলোকে অংশগ্ৰহণ কৰিব, তেতিয়া

নিৰ্বাচন

## আয়োগে ১৮ বাৰ লোকসভা আৰু ৪০০ৰো অধিক বিধানসভা নিৰ্বাচন পৰিচালনা কৰিছে

আৰম্ভণিৰে পৰা ৭৫ বছৰত নিৰ্বাচন আয়োগে ১৮বাৰ সাধাৰণ নিৰ্বাচন, অসংখ্য ৰাজ্যসভা নিৰ্বাচন, ৪০০ৰো অধিক বিধানসভা নিৰ্বাচন আৰু ৰাষ্ট্ৰপতিৰ পদৰ বাবে ১৬বাৰ তথা উপ-ৰাষ্ট্ৰপতিৰ পদৰ বাবে ১৭বাৰ নিৰ্বাচন অনুষ্ঠিত কৰিছে। ভাৰতীয় সংবিধানৰ ৩২৪নং অনুচ্ছেদ অনুসৰি নিৰ্বাচন আয়োগে নিৰ্বাচনী তালিকা প্ৰস্তুত কৰাৰ লগতে প্ৰতিখন ৰাজ্যৰ সাংসদ আৰু বিধানসভাৰ সকলো নিৰ্বাচন অনুষ্ঠিত কৰাৰ লগতে ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰো দায়িত্ব লয়। সংবিধানৰ ৩২৪ৰ পৰা ৩২৯নং অনুচ্ছেদত নিৰ্বাচন আয়োগৰ কাম-কাজ, দায়িত্ব, গঠন আৰু ক্ষমতাৰ সংজ্ঞা উল্লেখ কৰা হৈছে।



## বিশ্বজোৰা ভূমিকা

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ নিৰ্বাচন আয়োগৰ উল্লেখযোগ্য ভূমিকা পালন




ভাৰতৰ নিৰ্বাচন আয়োগে ভাৰতত কেৱল মুক্ত আৰু নিকা নিৰ্বাচন নিশ্চিত কৰাই নহয়, সমগ্ৰ বিশ্বতে গণতান্ত্ৰিক নিৰ্বাচনী প্ৰক্ৰিয়া শক্তিশালী কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নিৰ্বাচন পৰিচালনাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই বিশ্বৰ আগশাৰীৰ দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে। ১৯৯৫ চনৰ পৰা আন্তঃৰাষ্ট্ৰীয় আইডিইএৰ প্ৰতিষ্ঠাপক সদস্য ভাৰত। এই সংস্থাটোৱে বিশ্বজুৰি গণতন্ত্ৰ আৰু নিৰ্বাচনী প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাৰ বাবে কাম কৰে। ২০২৬ চনত ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ ইয়াৰ পৰিষদৰ অধ্যক্ষ হ'ব। এই সময়ছোৱাত ভাৰতৰ গুৰুত্ব হ'ব "সমাৱেশী, শান্তিপূৰ্ণ, শক্তিশালী আৰু বহনক্ষম গণতন্ত্ৰ" প্ৰতিষ্ঠা কৰা আৰু আইআইডিইএমৰ জৰিয়তে ভাৰতৰ নিৰ্বাচনী অভিজ্ঞতা বিশ্বৰ সৈতে শ্বেয়াৰ কৰা।

## ১৪২খন দেশৰ অংশগ্ৰহণকাৰীক প্ৰশিক্ষণ প্ৰদান

২৮খন দেশৰ নিৰ্বাচন পৰিচালনা সংস্থা আৰু তিনিটা আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সৈতে আয়োগে চুক্তি স্বাক্ষৰ কৰিছে। ২০১১ চনৰ জুন মাহত ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন ব্যৱস্থাপনা প্ৰতিষ্ঠান স্থাপন কৰা হয়। বিগত ১৫ বছৰত এই প্ৰতিষ্ঠানটোৱে ১৪২খন দেশৰ প্ৰায়,, ১৭০জন অংশগ্ৰহণকাৰীৰ উপস্থিতিৰে আন্তঃৰাষ্ট্ৰীয় প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰিছে। ইজিপ্ত, নেপাল, ভূটান, শ্ৰীলংকা, ৰাছিয়া, কাজাখস্তান, ভেনিজুৱেলা, মেক্সিকো, নামিবিয়া, গিনি আদি দেশলৈ নিৰ্বাচন আয়োগে পৰ্যবেক্ষক আৰু বিশেষজ্ঞ দল প্ৰেৰণ কৰিছে।

গণতন্ত্ৰ শক্তিশালী হ'ব।" আজি ইয়াৰ ফলাফল দেখা গৈছে; মহিলাসকলে বৃহৎ হাৰত ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছে।


### বিশেষ ব্যাপক পুনৰীক্ষণ: শুধৰণিৰ আধাৰ

বিশেষ নিবিড় পুনৰীক্ষণ (SIR) কি? যদি কোনো ভোটাৰৰ মৃত্যু হৈছে, তেন্তে তেওঁৰ নাম ভোটাৰ তালিকাৰ পৰা আঁতৰাই পেলোৱা উচিত। ১৮ বছৰ সম্পূৰ্ণ কৰা সকলৰ নাম অন্তৰ্ভুক্ত কৰিব লাগে। একাধিক স্থানত ভোটাৰ হিচাপে পঞ্জীয়ন কৰা সকলৰ নাম আঁতৰাই পেলোৱা আৰু বিদেশী নাগৰিকৰ নাম সাৱধানে আঁতৰাই পেলোৱা উচিত। এইটোৱেই হৈছে ব্যাপক পুনৰীক্ষণৰ প্ৰক্ৰিয়া। ই হৈছে ভোটাৰ তালিকাৰ বিশুদ্ধিকৰণ। দ্ৰুত নগৰায়ন, শিক্ষা আৰু নিয়োগৰ বাবে প্ৰব্ৰজন আৰু অন্যান্য আৰ্থ-সামাজিক পৰিৱৰ্তনৰ বাবে নাগৰিকে সঘনাই নিজৰ বাসস্থান সলনি কৰে যাৰ ফলত তেওঁলোকৰ বৰ্তমানৰ অৱস্থানৰ খবৰ ৰখাটো অতি প্ৰয়োজনীয় হৈ পৰে। প্ৰায়ে বহু মানুহে নতুন সমষ্টিত নাম পঞ্জীয়ন কৰে যদিও পূৰ্বৰ সমষ্টিৰ পৰা নাম কৰ্তন কৰাবলৈ পাহৰি যায়। ইয়াৰ ফলত কেতিয়াবা একাধিক স্থানত নাম পঞ্জীয়ন

## নিৰ্বাচনী উপাখ্যান

### হাতীৰ পৰা সুৰক্ষা দিবলৈ নিয়োজিত বন বিভাগৰ দল

এই ঘটনা সংঘটিত হৈছে মেঘালয়ৰ ৫৫নং ছলমানপাৰা ভোটকেন্দ্ৰত। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ সময়ত বন বিভাগৰ বিষয়াসকলে এই ভোটকেন্দ্ৰৰ পৰা হাতী খেদিবলৈ জৰুৰী বৈঠক অনুষ্ঠিত কৰিবলগীয়া হৈছিল। বৈঠকৰ অন্তত হাতীয়ে উপদ্ৰৱ চলোৱা অঞ্চলত বনকৰ্মীৰ পাঁচটা দল নিয়োগ কৰাৰ সিদ্ধান্ত লোৱা হয়, যাতে ১৯টা ভোটকেন্দ্ৰক সুৰক্ষিত কৰিব পৰা যায়।



> ‘এক দেশ, এক ভোটাৰ তালিকা’ আৰু ‘এক দেশ, এক নিৰ্বাচন’ৰ আলোচনা অব্যাহত থাকিব লাগিব। যেতিয়া আলোচনা হ’ব, যেতিয়া দুয়োপক্ষ একত্ৰিত হ’ব আৰু যেতিয়া বিবেচনা হ’ব, তেতিয়াহে সৰ্বোত্তম সমাধানৰ পথ মুকলি হ’ব। এনে আলোচনা বন্ধ হ’ব নালাগে; ই বাধাহীনভাৱে চলি থাকিব লাগিব। গণতন্ত্ৰৰ এয়াই উত্তম পথ।
>
> **নৰেন্দ্ৰ মোদী,** *প্ৰধানমন্ত্ৰী*

হয়। অবৈধ অনুপ্ৰৱেশ আজি এটা ডাঙৰ সমস্যা; সেয়েহে গণতন্ত্ৰত ভোটাৰ তালিকা পুনৰীক্ষণ কৰাটো অতি প্ৰয়োজনীয়। শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে স্পষ্টকৈ উল্লেখ কৰিছে যে সমগ্ৰ দেশতে ভোটাৰ তালিকাৰ বাবে এছআইআৰ প্ৰক্ৰিয়া চলোৱাৰ আইনী আৰু সাংবিধানিক অধিকাৰ নিৰ্বাচন আয়োগৰ আছে।

বাবাচাহেব আম্বেদকাৰে সংবিধান সভাত কোৱা কথাখিনিয়েই ভাৰতত নিৰ্বাচনী সংস্কাৰ আৰু এছআইআৰৰ আধাৰ গঢ় দিছে। তেওঁ কৈছিল যে ৰাজনীতিত আমি এজন ব্যক্তি, এটা ভোট, এটা মূল্যবোধৰ নীতিৰ পোষকতা কৰো। এয়া আজি নিৰ্বাচন আয়োগৰ দৃষ্টিভংগী। এজন ব্যক্তিৰ মাত্ৰ এটা ভোট থাকিব লাগে আৰু সেই ভোটৰ মূল্য সমান হ’ব লাগে। বাবাচাহেবৰ মতে অযোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হ’ব নালাগে, লগতে যোগ্য ভোটাৰৰ নাম তালিকাৰ পৰা বাদ পৰিব নালাগে। ইয়াৰ ভিত্তিত আজি বিশেষ ভোটাৰ পুনৰীক্ষণৰ প্ৰচাৰ অভিযান চলোৱা হৈছে। এই প্ৰক্ৰিয়াৰ অধীনত কোনো যোগ্য ব্যক্তিক ভোটাৰ তালিকাৰ পৰা বাদ দি ভোটাধিকাৰৰ পৰা বঞ্চিত কৰিব নালাগে। একেদৰে কোনো অযোগ্য ব্যক্তিক অন্তৰ্ভুক্ত কৰিব নালাগে। ইয়াৰ বাবে নিৰ্বাচন আয়োগে সময়ে সময়ে এছআইআৰ প্ৰক্ৰিয়া হাতত লয়।

সাংবিধানিক কাঠামোৰ অধীনত ভাৰতৰ নিৰ্বাচন আয়োগক ৩২৪নং অনুচ্ছেদৰ অধীনত নিৰ্বাচনী তালিকা প্ৰস্তুত কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। সংবিধান সভাই নিজেই এই ক্ষমতা প্ৰদান কৰিছিল। অৰ্থাৎ নিৰ্ভৰযোগ্য ভোটাৰ তালিকা বজাই ৰখাৰ সাংবিধানিক দায়িত্ব আয়োগৰ। এই অনুচ্ছেদ অনুসৰি আয়োগৰ ভোটাৰ তালিকা প্ৰস্তুত, তদাৰক, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ কৰাৰ আৰু সাংসদ আৰু ৰাজ্যিক

## নিৰ্বাচন আয়ুক্ত নিযুক্তিৰ নতুন নিয়ম

উচ্চতম ন্যায়ালয়ৰ পৰামৰ্শৰ ভিত্তিত নিৰ্বাচন আয়ুক্ত নিযুক্তিৰ বাবে এক প্ৰক্ৰিয়া স্থাপন কৰা হৈছে। সংসদৰ উভয় সদনে ২০২৩ চনৰ ডিচেম্বৰ মাহত মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য নিৰ্বাচন আয়ুক্ত (নিযুক্তি, সেৱাৰ চৰ্ত আৰু কাৰ্যকাল) আইন, ২০২৩ গৃহীত কৰে। এই আইনখনে পুৰণি নিৰ্বাচন আয়োগ (নিৰ্বাচন আয়ুক্তৰ সেৱাৰ চৰ্ত আৰু কাম) আইন, ১৯৯১ৰ ঠাই লয়, য’ত বিৰোধীৰ নেতা, বা কোনো স্বীকৃতিপ্ৰাপ্ত বিৰোধী নেতাৰ অনুপস্থিতিত, সৰ্ববৃহৎ বিৰোধী দলৰ নেতাই এটা নাম চূড়ান্ত কৰিব। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ পিছত সেই ব্যক্তিজনক সংশ্লিষ্ট পদত নিযুক্তি দিয়া হ’ব। নতুন আইনখন কাৰ্যকৰী হোৱাৰ আগতে চৰকাৰৰ পৰামৰ্শ মতে ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন আয়ুক্ত নিযুক্তি দিছিল আৰু পৰম্পৰাগতভাৱে আটাইতকৈ জ্যেষ্ঠ ব্যক্তিজনক মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছিল।






# ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাৰ বিৱৰ্তন

- ভাৰত বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ আৰু বিগত সাত দশক ধৰি নিৰ্বাচনী গণতন্ত্ৰৰ আগশাৰীৰ সমৰ্থক। ১৯৪৭ চনৰ ১৫ আগষ্টত দেশখনে স্বাধীনতা লাভ কৰাৰ সময়ত সৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত প্ৰতিনিধি চৰকাৰ নিৰ্বাচনৰ বাবে সাধাৰণ নিৰ্বাচনৰ পৰিকল্পনা আৰু পৰিচালনা কৰাটো অন্যতম শীৰ্ষ অগ্ৰাধিকাৰ আছিল।
- ভাৰত সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য হোৱাৰ এদিন পূৰ্বে ১৯৫০ চনৰ ২৫ জানুৱাৰীত নিৰ্বাচন আয়োগ আনুষ্ঠানিকভাৱে গঠন কৰা হৈছিল।
- সংবিধানে নিৰ্বাচন আয়োগক সেই সময়ৰ প্ৰয়োজন অনুসৰি এজন বা একাধিক সদস্যৰ সংস্থা হিচাবে পৰিগণিত হ'বলৈ ক্ষমতা প্ৰদান কৰিছিল। ১৯৫০ চনৰ ২১ মাৰ্চত প্ৰথমজন মুখ্য নিৰ্বাচনী আয়ুক্ত নিযুক্তি দিয়া হৈছিল। বৰ্তমানৰ আয়োগত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু দুজন নিৰ্বাচন আয়ুক্ত ক্ৰমে ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীকে ধৰি তিনিজন সদস্য আছে।



| | |
|---|---|
| ১৯৫০ | নিৰ্বাচন আয়োগ আনুষ্ঠানিকভাৱে গঠন কৰা হয়। |
| ১৯৮৯ | ১৯৮৯ চনৰ ১৬ অক্টোবৰত নিৰ্বাচন আয়োগক ৩জনীয়া সংস্থালৈ ৰূপান্তৰিত কৰা হয়। |
| ১৯৯০ | ১৯৯০ চনৰ ১ জানুৱাৰীত পুনৰ নিৰ্বাচন আয়োগক এজনীয়া সদস্যৰ সংস্থালৈ ৰূপান্তৰিত কৰা হয়। |
| ১৯৯৩ | ১৯৯৩ চনৰ ১ অক্টোবৰত পুনৰ নিৰ্বাচন আয়োগক ৩জনীয়া সংস্থালৈ ৰূপান্তৰিত কৰা হয়। |

বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষমতা আছে। এই সাংবিধানিক সংস্থাটোক জনপ্ৰতিনিধিত্ব আইন, ১৯৫০ আৰু ভোটাৰ পঞ্জীয়ন নিয়ম, ১৯৬০ (আৰ ই আৰ-১৯৬০)ৰ দ্বাৰা অধিক ক্ষমতা প্ৰদান কৰা হৈছে। ৩২৬ নং অনুচ্ছেদত এইটোও উল্লেখ আছে যে ভাৰতৰ প্ৰতিজন নাগৰিক, যিয়ে নিৰ্দিষ্ট তাৰিখত ১৮ বছৰ বয়স সম্পূৰ্ণ কৰিছে আৰু কোনো আইনৰ অধীনত অযোগ্য নহয়, তেওঁলোকৰ ভোটাৰ হিচাপে পঞ্জীয়ন হোৱাৰ অধিকাৰ আছে। তদুপৰি, ১৬, ১৯ আৰু জনপ্ৰতিনিধিত্ব আইন, ১৯৫০ৰ ধাৰাত নামভৰ্তিৰ বাবে মৌলিক যোগ্যতাৰ মাপকাঠী নিৰ্ধাৰণ কৰা হৈছে। এই মাপকাঠীসমূহ হ'ল- আবেদনকাৰী ভাৰতীয় নাগৰিক, মানসিকভাৱে


## নিৰ্বাচন আয়ুক্তসকলৰ কাৰ্যকাল ৬ বছৰ

মুখ্য নিৰ্বাচন আয়ুক্ত আৰু নিৰ্বাচন আয়ুক্ত দুগৰাকীয়ে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সমান দৰমহা আৰু ভাট্টা লাভ কৰে। তিনিওজন আয়ুক্তৰ সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্ব সমান। যিকোনো বিষয়ত মতানৈক্য হ'লে সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা সিদ্ধান্ত লোৱা হয়। মুখ্য নিৰ্বাচন আয়ুক্ত আৰু আন দুজন নিৰ্বাচন আয়ুক্তই ছবছৰ বা ৬৫ বছৰ বয়স নোহোৱালৈকে কাৰ্যনিৰ্বাহ কৰিব পাৰে।

## নিৰ্বাচনী উপাখ্যান

### নাম প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰিছিল একাংশ মহিলাই

দেশত প্ৰথমটো সাধাৰণ নিৰ্বাচনৰ কথা ঘোষণা কৰাৰ সময়ত নিৰ্বাচন আয়োগৰ প্ৰতিনিধিয়ে গাঁৱে গাঁৱে গৈ নিৰ্বাচন সম্পৰ্কীয় তথ্য আৰু নথি সংগ্ৰহ কৰিছিল। গাঁও ভ্ৰমণৰ সময়ত তেওঁলোকে বৃহৎ সংখ্যক মহিলাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়, যিসকলে অচিনাকি লোকৰ আগত নিজৰ নাম প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰে। বৰঞ্চ এই মহিলাসকলে নিজকে কাৰোবাৰ পত্নী, মাক, কন্যা, ভনীয়েক বা বিধৱা বুলি পৰিচয় দিছিল। ফলত প্ৰথম সাধাৰণ নিৰ্বাচনৰ সময়ত ভোটাৰ তালিকাৰ পৰা ২৮ লাখৰ নাম বাদ পৰিছিল।



*দেশৰ প্ৰথমটো লোকসভা নিৰ্বাচনৰ সময়ত, ১৭.৩২ কোটি ভোটাৰ আছিল, যিটো সংখ্যাই এতিয়া ২০২৪ চনৰ নিৰ্বাচনত ৯৭ কোটি অতিক্ৰম কৰিছে। ভোটাৰৰ সংখ্যাৰ এই পাঁচগুণতকৈ অধিক বৃদ্ধি পৰিচালনা কৰাটো ইভিএম আৰু ভিভিপিএটি অবিহনে সম্ভৱ নহ'লহেঁতেন।*

সুস্থ, নিৰ্দিষ্ট তাৰিখত ১৮ বছৰ বয়স সম্পূৰ্ণ কৰা আৰু সংশ্লিষ্ট সমষ্টিৰ বাসিন্দা হ'ব লাগিব। নিৰ্বাচন আয়োগৰ সাংবিধানিক দায়িত্ব, যাতে কেৱল যোগ্য নাগৰিককহে নিৰ্বাচনী তালিকাত অন্তৰ্ভুক্ত কৰা হয়। নিৰ্বাচনী তালিকাৰ সঠিকতা আৰু অখণ্ডতা বজাই ৰখাৰ লগতে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ই অতি গুৰুত্বপূৰ্ণ। নিৰ্বাচনী তালিকাৰ পৰা অযোগ্য ভোটাৰ আৰু এটাতকৈ বেছি প্ৰৱেশ পত্ৰ আঁতৰাই দিলে স্বচ্ছতা নিশ্চিত হয়, যিয়ে গণতন্ত্ৰক শক্তিশালী কৰে।

১৯৬০ চনৰ নিৰ্বাচক পঞ্জীয়ন নিয়মৰ ২১ নং বিধানত উল্লেখ আছে যে নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি, প্ৰতিটো সমষ্টিৰ নিৰ্বাচনী তালিকাত বিশেষ নিবিড় পুনৰীক্ষণ বা সাৰাংশ পুনৰীক্ষণ কৰা উচিত। এই পুনৰীক্ষণ বছৰত চাৰিবাৰ কৰা হয়, আৰু সেই অনুসৰি তালিকাখন সংশোধন কৰা হয়। সংবিধানে নিৰ্বাচন আয়োগক নিৰ্বাচনী তালিকাৰ পুংখানুপুংখ পুনৰীক্ষণ কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰে। দেশত এছ আই আৰ (Special Intensive Revision) প্ৰথমবাৰৰ বাবে নহয়; ইয়াৰ আগতেও কেইবাবাৰো কৰা হৈছে। সাৰাংশ পুনৰীক্ষণ এটা নিয়মীয়া আপডেট প্ৰক্ৰিয়া, আনহাতে এছ আই আৰ এটা ব্যাপক প্ৰক্ৰিয়া। এছ আই আৰত বুথ স্তৰৰ বিষয়াসকলে (বিএলঅ') ঘৰে ঘৰে গণনা কৰে। দেশৰ প্ৰথম সাধাৰণ নিৰ্বাচন ১৯৫২ত অনুষ্ঠিত হৈছিল, আৰু প্ৰথম বিশেষ নিবিড় পুনৰীক্ষণ (SIR) একেটা বছৰতে কৰা হৈছিল। দ্বিতীয়টো এছআইআৰ ১৯৫৭ চনত, তৃতীয়টো ১৯৬১ চনত, তাৰ পিছত ১৯৬৫-৬৬ চনত এটা। আনবোৰ ১৯৮৩-৮৪, ১৯৮৭-৮৯, ১৯৯২, ১৯৯৩ আৰু ১৯৯৫ চনত কৰা হৈছিল। তাৰ পিছত ২০০২ আৰু ২০০৩ চনত পুনৰীক্ষণ কৰা হৈছিল। যোৱা দুটা দশকত কোনো বিশেষ নিবিড় পুনৰীক্ষণ কৰা হোৱা নাই। সেয়ে ২০০৪ চনৰ পৰা ব্যৱধানৰ পিছত ২০২৫-২৬ চনত শেহতীয়াকৈ এছ আই আৰ কৰা হৈছে। কেন্দ্ৰীয় আইন আৰু ন্যায় বিভাগৰ ৰাজ্যিক মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয় যে নিৰ্বাচন আয়োগৰ নিৰন্তৰ সংস্কাৰমূলক পদক্ষেপৰ লগতে প্ৰতি বছৰে আয়োগ প্ৰতিষ্ঠাৰ স্মৃতিত ২৫ জানুৱাৰীত

## শ্যাম চৰণ নেগি



### স্বাধীন ভাৰতৰ প্ৰথম ভোটাৰ

স্বাধীন ভাৰতৰ প্ৰথমজন ভোটাৰ শ্যাম চৰণ নেগিয়ে ৭০ বছৰতকৈও অধিক সময় অবিৰতভাৱে ভোটদান কৰি, ২০২২ চনৰ ২ নৱেম্বৰত ডাক বেলটৰ জৰিয়তে ভোটদান কৰি অন্তিম দিনতো নিজৰ কৰ্তব্য পালন কৰি মুঠ ৩৪বাৰ ভোটাধিকাৰ সাব্যস্ত কৰে। ২০২২ চনৰ ৫ নৱেম্বৰত ১০৬ বছৰ বয়সত হিমাচল প্ৰদেশৰ কিন্নাউৰৰ পূৰ্বপুৰুষৰ গাঁও কল্পাত শ্যাম চৰণ নেগিৰ দেহাৱসান ঘটে।

ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰে। নিৰ্বাচন আয়োগে এই দিনটোতে দেশৰ ৰাজনৈতিক দল আৰু বিদেশী প্ৰতিনিধিৰ সৈতে অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানসমূহত বিদেশী প্ৰতিনিধিয়ে ভাৰতৰ নিৰ্বাচন আয়োগ, ইয়াৰ নিৰ্বাচনী ব্যৱস্থা, নিৰ্বাচন পৰিচালনা ব্যৱস্থাক ধাৰাবাহিকভাৱে প্ৰশংসা কৰি আহিছে। নিৰ্বাচন আয়ুক্ত নিযুক্তি দিবলৈ প্ৰথমবাৰৰ বাবে আইন প্ৰণয়ন কৰা হৈছে

নিৰ্বাচন আয়ুক্ত নিযুক্তিৰ আইন - মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য নিৰ্বাচন আয়ুক্ত (নিযুক্তি, সেৱাৰ চৰ্ত আৰু কাৰ্যকাল) বিধেয়ক,

# নিৰ্বাচন আয়োগে বলৱৎ কৰা সংশোধনৰাজি

শেহতীয়া বছৰবোৰত নিৰ্বাচন আয়োগে গণতন্ত্ৰ শক্তিশালী কৰিবলৈ, ভোটাৰৰ সুবিধা বৃদ্ধি কৰিবলৈ আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰিবলৈ ৩০টাতকৈও অধিক প্ৰতিষ্ঠানিক, প্ৰশাসনিক, আৰু কাৰিকৰী সংস্কাৰ ৰূপায়ণ কৰিছে...

- কোনো যোগ্য ভোটাৰক যাতে বাদ দিয়া নহয় আৰু কোনো অযোগ্য ব্যক্তি নিৰ্বাচনী তালিকাত অন্তৰ্ভুক্ত নহয়, তাৰ বাবে ২ দশকৰ পিছত বিহাৰত এক বিশেষ নিবিড় পুনৰীক্ষণ কৰা হয়।
- অনলাইন প্লেটফৰ্মৰ জৰিয়তে ভোটাৰ সেৱা ডিজিটেলাইজ কৰা হৈছে। ভোটাৰসকলে এতিয়া নিজৰ নাম যোগ কৰা, মচি পেলোৱা বা শুধৰণি কৰাৰ বাবে অনলাইন আবেদন কৰিব পাৰিব। প্ৰক্ৰিয়াটো সহজ হৈ পৰিছে আৰু সময় ৰাহি হৈছে।
- ১৮ নং লোকসভা নিৰ্বাচনত প্ৰথমবাৰৰ বাবে ৮৫ বছৰ আৰু ততোধিক বয়সৰ ভোটাৰ আৰু বিশেষভাৱে সক্ষম লোকসকলক ঘৰৰ পৰাই ভোটদানৰ সুবিধা প্ৰদান কৰা হয়। ইয়াৰ বাবে ভোটগ্ৰহণকাৰী বিষয়াসকলে বেলট বাকচ লৈ তেওঁলোকৰ ঘৰলৈ গৈছিল।
- সাধাৰণতে ইভিএম গণনা আৰম্ভ হোৱাৰ আগতেই ডাক বেলট গণনা সম্পূৰ্ণ কৰা হয়, যদিও এতিয়া আয়োগে সিদ্ধান্ত লৈছে যে ডাক বেলট গণনা কৰা গণনা কেন্দ্ৰসমূহত ইভিএম/ভিভিপিএটি গণনাৰ দ্বিতীয়ৰ পৰা শেষৰ ৰাউণ্ড ডাক বেলট গণনা সম্পূৰ্ণ হোৱাৰ পিছতহে কৰা হ'ব।
- ভোটগ্ৰহণৰ দিনটোত ভোটাৰৰ সুবিধাৰ্থে ভোটগ্ৰহণ কেন্দ্ৰত মোবাইল ফোন জমা ৰখাৰ সুবিধা। ভিৰ হ্ৰাস কৰিবলৈ প্ৰতিটো ভোটকেন্দ্ৰত সৰ্বাধিক ১,২০০ ভোটাৰ।
- একাধিক ব্যক্তিৰ একে ইপিআইচি নম্বৰ থকাৰ সমস্যা নাইকিয়া কৰা হৈছে।
- ভোটাৰৰ তথ্য শ্লিপৰ ডিজাইনৰ পৰিৱৰ্তন কৰা হৈছে, যাতে ভোটাৰৰ ক্ৰমিক নম্বৰ আৰু অংশ নম্বৰ অধিক স্পষ্টভাৱে দেখা যায়। উন্নত চিনাক্তকৰণ আৰু স্পষ্টতাৰ বাবে ইভিএমত প্ৰাৰ্থীৰ ৰঙীণ ফটোগ্ৰাফ।
- ৮০৮টা পঞ্জীয়নভুক্ত কিন্তু স্বীকৃতি নোপোৱা ৰাজনৈতিক দলক ধাৰাবাহিকভাৱে পঞ্জীয়নৰ বাবে দৰকাৰী প্ৰয়োজনীয়তাসমূহ মানি চলাত ব্যৰ্থ হোৱাৰ বাবে দুটা পৰ্যায়ত তালিকাভুক্ত কৰা হৈছিল।
- বুথ লেভেল অফিচাৰ (বিএলঅ')ক ষ্টেণ্ডাৰ্ড ফটো পৰিচয় পত্ৰ প্ৰদান কৰা হৈছিল। বিএলঅ'ৰ মাননিৰ ধন দুগুণ কৰা হৈছে আৰু বিএলঅ'ৰ তত্ত্বাৱধায়ক, ভোটগ্ৰহণ/গণনা কৰ্মী, চিএপিএফ, চোৰাচিতাকাৰী দল, আৰু মাইক্ৰ'-পৰ্যবেক্ষকৰ মাননিৰ ধন বৃদ্ধি কৰা হৈছে।

*নিৰ্বাচন আয়োগ গঠনৰ স্মৃতিত প্ৰতি বছৰে ২৫ জানুৱাৰীত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰা হয়। নিৰ্বাচন আয়োগে এই দিনটোতে দেশৰ ৰাজনৈতিক দল আৰু বিদেশী প্ৰতিনিধিৰ সৈতে অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানসমূহত বিশেষকৈ বিদেশী প্ৰতিনিধিসকলে ভাৰতৰ নিৰ্বাচন আয়োগ, ইয়াৰ নিৰ্বাচনী ব্যৱস্থা, নিৰ্বাচন পৰিচালনা ব্যৱস্থাক ধাৰাবাহিকভাৱে প্ৰশংসা কৰি আহিছে।*

### নিৰ্বাচনী উপাখ্যান

**১৯৫২ চনত ফুলেৰে সজাই থোৱা বেলট বাকচ পোৱা গৈছিল**

১৯৫২ চনত যেতিয়া ভাৰতত প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল, তেতিয়া কিছুমান বেলট বাকচত, বেলট পেপাৰেৰে ভোটদানৰ পিছত, ফুলেৰে সজাই থোৱা হৈছিল আৰু তাত ভাৰমিলিয়ন লেপ দিয়া দেখা গৈছিল। ইয়াৰ পৰা বুজা যায় যে এই নিৰ্বাচনৰ সময়ত মানুহে বেলট বাকচ বা বেলট পেপাৰক পূজাৰ সামগ্ৰী হিচাপে গণ্য কৰিছিল। তদুপৰি বহু বাকচত বেলট পেপাৰৰ বাহিৰেও বিভিন্ন সামগ্ৰী, যেনে- সফলতাৰ কামনা কৰা নোট, চলচ্চিত্ৰ তাৰকাৰ ছবি, মুদ্ৰা, কাগজী মুদ্ৰা ইত্যাদি ৰখা হৈছিল।



# গণতন্ত্ৰৰ উৎসৱত প্ৰযুক্তিয়ে বৃদ্ধি কৰিছে স্বচ্ছতা

ভোটাৰৰ সুবিধা বৃদ্ধি আৰু নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰিবলৈ নিৰ্বাচন আয়োগে কেইবাটাও প্ৰযুক্তিগত ব্যৱস্থা গ্ৰহণ কৰিছে, যাৰ ফলত ভোটগ্ৰহণ প্ৰক্ৰিয়াটো সহজ, নিৰাপদ আৰু অধিক নিৰ্ভৰযোগ্য হৈ পৰিছে...



- নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত ইভিএম মেম'ৰী/মাইক্ৰ'কণ্ট্ৰ'লাৰ পৰিদৰ্শন আৰু পৰীক্ষণৰ বাবে কাৰিকৰী তথা প্ৰশাসনিক এছঅ'পি প্ৰস্তুত কৰা হৈছে।

- নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত ইভিএম মেম'ৰী/মাইক্ৰ'কণ্ট্ৰ'লাৰ পৰিদৰ্শন আৰু পৰীক্ষণৰ বাবে কাৰিকৰী তথা প্ৰশাসনিক এছঅ'পি প্ৰস্তুত কৰা হৈছে।



- সূচকাংক কাৰ্ড আৰু পৰিসংখ্যাগত প্ৰতিবেদন তৈয়াৰ কৰাৰ প্ৰক্ৰিয়াটো সৰল কৰা হৈছে, যাতে নিৰ্বাচন সম্পৰ্কীয় তথ্যসমূহ সমষ্টি পৰ্যায়ত দ্ৰুতভাৱে ভাগ-বতৰা কৰিব পৰা যায়।

- ইচিনেট প্লেটফৰ্ম: এটা সংহত ডিজিটেল প্লেটফৰ্ম ইচিনেট মুকলি কৰা হৈছে, যিয়ে ৪০টাতকৈও অধিক এপ আৰু ভোটাৰ আৰু অন্যান্য অংশীদাৰসকলৰ ৱেবছাইটক সংযোগ কৰিছে।




- ভোটদান প্ৰক্ৰিয়াৰ নিৰন্তৰ নিৰীক্ষণৰ বাবে সকলো ভোটকেন্দ্ৰতে ১০০% ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে।
- প্ৰপত্ৰ ১৭চি আৰু ইভিএম তথ্যৰ মাজত অমিলৰ প্ৰতিটো ক্ষেত্ৰতে ভিভিপিএটি গণনা নিশ্চিত কৰা হ'ব।

- মৃত্যুৰ পঞ্জীয়নৰ তথ্য একত্ৰিত কৰা হৈছে, যাতে নিৰ্বাচনী পঞ্জীয়ন বিষয়াসকলে পঞ্জীয়নভুক্ত মৃত্যুৰ বিষয়ে সময়মতে তথ্য লাভ কৰে।
- ভোটাৰ তালিকা উন্নীত কৰাৰ ১৫ দিনৰ ভিতৰত ইপিআইচি কাৰ্ড ডেলিভাৰী নিশ্চিত কৰাৰ বাবে নতুন এছঅ'পি ৰূপায়ণ কৰা হৈছে, প্ৰতিটো পৰ্যায়তে এছএমএছ অধিসূচনা প্ৰদান কৰা হৈছে।

আৰ্হি আচৰণ বিধি উলংঘাৰ বিষয়ে অৱগত কৰাৰ বাবে চি-ভিজিল আবেদন




সুবিধা পৰ্টেল: এই পৰ্টেলে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহক অনলাইন মনোনয়ন, অনুমতি প্ৰদান আদিৰ বাবে বিভিন্ন ধৰণৰ সুবিধা প্ৰদান কৰে, সেইবোৰ তলত দিয়া ধৰণৰ:

- প্ৰাৰ্থীসকলে অনলাইনযোগে মনোনয়ন শপতনামা দাখিল কৰিব পৰাকৈ এটা অনলাইন পৰ্টেল মুকলি কৰা হৈছে।




- প্ৰাৰ্থীৰ অনুমতি মডিউল: সুবিধা পৰ্টেলৰ অনুমতি মডিউলৰ জৰিয়তে প্ৰাৰ্থী, ৰাজনৈতিক দল বা প্ৰাৰ্থীৰ যিকোনো প্ৰতিনিধিয়ে সভা, ৰেলী, লাউডস্পীকাৰ আৰু অস্থায়ী কাৰ্যালয়ৰ বাবে অনুমতি বিচাৰি অনলাইন আবেদন কৰিব পাৰে।

- নিৰ্বাচন আয়োগে প্ৰাৰ্থীৰ অপৰাধমূলক ইতিহাসৰ তথ্য প্ৰদানৰ বাবে "নিজৰ প্ৰাৰ্থীক চিনি লওক" এপ্লিকেচন প্ৰস্তুত কৰিছে।



- ভোটাৰ সেৱা পৰ্টেল: (https://voters.eci.gov.in/)ৰ জৰিয়তে নাগৰিকে নিৰ্বাচনী তালিকা চাব পাৰে, ভোটাৰ আইডি কাৰ্ডৰ বাবে আবেদন কৰিব পাৰে, ভোটাৰ আইডি কাৰ্ডত সংশোধনৰ বাবে অনলাইন আবেদন কৰিব পাৰে আৰু ব্লক পৰ্যায়ৰ বিষয়া তথা নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ যোগাযোগ নম্বৰ বিচাৰিব পাৰে। ভোটাৰ হেল্পলাইন মোবাইল এপ ব্যৱহাৰ কৰি ফোনত অনুৰূপ কিছু কাম কৰিব পাৰিব।






- প্ৰতিবন্ধী ব্যক্তি (সক্ষম) এপ্লিকেচন এপ: সক্ষম এপটো বিশেষভাৱে সক্ষম ব্যক্তিৰ বাবে।

- ৰাষ্ট্ৰীয় অভিযোগ সেৱা পৰ্টেল (NGSP): এইটো এটা ৰাষ্ট্ৰীয় অভিযোগ সেৱা পৰ্টেল। https://voters.eci.gov.in লিংক ব্যৱহাৰ কৰি নাগৰিকে এই সেৱাৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।




- সংহত নিৰ্বাচনী ব্যয় নিৰীক্ষণ ব্যৱস্থা (আইইএমএছ): এইটো এটা ব্যৱহাৰকাৰী-বন্ধুত্বপূৰ্ণ, সুৰক্ষিত অনলাইন মঞ্চ যিয়ে ৰাজনৈতিক দলসমূহক অৰদানৰ প্ৰতিবেদন, বাৰ্ষিক অডিট একাউণ্ট আৰু নিৰ্বাচনী ব্যয়ৰ দৰে নথিপত্ৰ অনলাইনত দাখিল কৰিববলৈ সক্ষম কৰে।



- ভোটাৰ টাৰ্ণআউট এপটো প্ৰমাণিত ভোটদান বিষয়াসকলে লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ বাবে ভোটাৰৰ ভোটদান ৰেকৰ্ড কৰিববলৈ ব্যৱহাৰ কৰে।
- ফলাফল ৱেবছাইট আৰু ফলাফলৰ ধাৰা সম্পৰ্কীয় ৰিটাৰ্ণিং বিষয়াসকলে লাভ কৰা গণনাৰ তথ্য ‘আয়োগৰ ফলাফল ৱেবছাইট’ত উপলব্ধ।

## নিৰ্বাচনী উপাখ্যান

### ছিয়াচেন হিমবাহ শৃংগত পাঁচজন ভোটাৰৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰ

লাডাখৰ দুৰ্গম অঞ্চলত ছিয়াচেন বেছ কেম্পৰ পৰা মাত্ৰ ১৭ কিলোমিটাৰ দূৰত্বত থকা ৰাৰ্ছিত এটা পৰিয়ালৰ মাত্ৰ ৫জন ভোটাৰৰ বাবে এটা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছিল। ছিয়াচেনৰ ওখ শৃংগবোৰৰ মাজত থকা আউটপোষ্টবোৰৰ আগৰ এইখনেই শেষ গাঁও। যিহেতু তাত ভোটাৰৰ গৃহৰ বাহিৰে আন কোনো স্থায়ী অট্টালিকা নাছিল, সেয়েহে ভোটগ্ৰহণ কেন্দ্ৰটো তমবুত স্থাপন কৰা হৈছিল।



> ভৱিষ্যতে ভাৰতত আপোনালোকে লাভ কৰিব পৰা সুযোগ নিৰ্ভৰ কৰিব সেই সময়ছোৱাত দেশ শাসন কৰাসকলৰ ওপৰত। গতিকে, উপযুক্ত লোকক নিৰ্বাচন কৰাৰ দায়িত্ব আপোনালোকৰ ওপৰতে নিৰ্ভৰশীল, যুৱ ভোটাৰসকলৰ ওপৰতো। ভাৰতৰ উজ্জ্বল ভৱিষ্যৎ সুনিশ্চিত কৰিবলৈ আপোনালোকৰ বাবে ভোটদান কৰাটো অতি প্ৰয়োজনীয়। গতিকে মনত ৰাখিব, আপোনাৰ একক ভোট আৰু দেশৰ উন্নয়নৰ দিশটো আন্তঃসংলগ্ন।

**নৰেন্দ্ৰ মোদী,** *প্ৰধানমন্ত্ৰী*

## নিৰ্বাচন প্ৰক্ৰিয়া

### ইভিএম আৰু ভিভিপিএটিয়ে একাধিক স্তৰৰ সত্যাপনৰ সৈতে প্ৰক্ৰিয়াটোক সহজ কৰি তুলিছে

এতিয়া প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ইলেক্ট্ৰনিক ভোটিং মেচিন (ইভিএম) আৰু ভোটাৰ ভেৰিফায়েবল পেপাৰ অডিট ট্ৰেইল (ভিভিপিএটি) ব্যৱহাৰ কৰা হৈছে। কোনটো ইভিএম আৰু ভিভিপিএটি ক'ত ব্যৱহাৰ কৰা হ'ব সেয়া আৱণ্টনৰ বাবে এটা প্ৰক্ৰিয়া আছে; সেইবোৰক যাদৃচ্ছিকভাৱে নিযুক্ত কৰা হয়। ইভিএমত প্ৰতীক সন্নিবিষ্ট কৰাৰ পিছত ৫% ইভিএমত ১০০০ ভোটৰ মক প'ল কৰা হয়, যিটো প্ৰাৰ্থী বা তেওঁলোকৰ প্ৰতিনিধিয়ে নিৰীক্ষণ কৰাৰ অধিকাৰ আছে...



২০২৩ -২০২৩ চনৰ ২ মাৰ্চত গৃহীত হৈছিল। পূৰ্বতে এইবিষয়ত কোনো আইন নাছিল; যিটো ব্যৱস্থা আছিল তাৰ আধাৰত ভিত্তি কৰি নিযুক্তি দিয়া হৈছিল। উচ্চতম ন্যায়ালয়ে এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে আৰু সংসদে এই আইন প্ৰণয়ন কৰে। ৭৩ বছৰ ধৰি আমাৰ দেশত নিৰ্বাচন আয়ুক্ত নিযুক্তিৰ কোনো আইন নাছিল। ১৯৫০ চনৰ পৰা ১৯৭৯ চনলৈ নিৰ্বাচন আয়োগ আছিল একক সদস্যৰ সংস্থা। প্ৰধানমন্ত্ৰীয়ে পোনপটীয়াকৈ এই নিযুক্তি প্ৰদান কৰে। তাৰ পিছত নিৰ্বাচন আয়োগক বহু সদস্যৰ সংস্থা হিচাপে গঢ়ি তোলা হ'ল। অৰ্থাৎ ১৯৫০ চনৰ পৰা ২০২৩ চনলৈ নিৰ্বাচন আয়ুক্ত নিযুক্তিৰ কোনো আইন নাছিল। ২০২৩ চনত অনুপ বৰণৱাল বনাম ইউনিয়ন অৱ ইণ্ডিয়া গোচৰ উচ্চতম ন্যায়ালয়ত চলিছিল। সেই গোচৰত উচ্চতম ন্যায়ালয়ে কৈছিল যে নিৰ্বাচন আয়ুক্তৰ নিযুক্তি অধিক স্বচ্ছ হ'ব লাগে। এয়া এটা পৰামৰ্শ আছিল, আদেশ নাছিল। চৰকাৰে সেই পৰামৰ্শত সন্মতি জনাই কৈছিল যে এই বিষয়ত সকলো অংশীদাৰৰ সৈতে আলোচনাৰ প্ৰয়োজন হ'ব, যাৰ বাবে কিছু সময় লাগিব। ইয়াৰ পিছত উচ্চতম ন্যায়ালয়ে পৰামৰ্শ দিছিল যে যেতিয়ালৈকে কোনো আইন প্ৰণয়ন কৰা নহয় তেতিয়ালৈকে প্ৰধানমন্ত্ৰী, উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, বিৰোধী দলৰ নেতাক লৈ এখন সমিতি গঠন কৰিব লাগে। এই কথাত সন্মতি দিছিল কেন্দ্ৰীয় চৰকাৰে। ইয়াৰ পিছত ২০২৩ চনত সংসদে এনে আইন প্ৰণয়ন কৰে, যাৰ অধীনত বিৰোধী দলপতি, প্ৰধানমন্ত্ৰীয়ে নিযুক্তি দিয়া এজন মন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীয়ে নিজেই আলোচনা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য নিৰ্বাচন আয়ুক্তক নিযুক্তি দিব পাৰে।

**ভাৰত: গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ এক পথ প্ৰদৰ্শক আলোক**

ভাৰতৰ গণতন্ত্ৰৰ বিশালতা আৰু বৈচিত্ৰ্য গৌৰৱৰ বিষয়। গণতন্ত্ৰৰ এই গৌৰৱময় যাত্ৰাত ভাৰতৰ নিৰ্বাচন আয়োগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই পৰ্যন্ত ভাৰতৰ নিৰ্বাচন আয়োগে ১৮টা

## ১৯৮৯ চনত ইভিএমৰ বাবে আইন পৰিৱৰ্তন কৰা হয়

**১৯৮২** ইভিএমৰ ব্যৱহাৰ প্ৰথমবাৰৰ বাবে ১৯৮২ চনত কেৰালাৰ পাৰভুৰ উপ-নিৰ্বাচনত কৰা হৈছিল। ইয়াক আদালতত প্ৰত্যাহ্বান জনোৱা হৈছিল আৰু সেয়েহে ১৯৮৯ চনলৈকে ইয়াক পুনৰ ব্যৱহাৰ কৰিব পৰা হোৱা নাছিল।

**১৯৮৯** চনৰ ১৫ মাৰ্চত তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ইভিএম প্ৰৱৰ্তন কৰিবলৈ আইন সংশোধন কৰিছিল।

**১৯৯৮** চনত মধ্যপ্ৰদেশ, ৰাজস্থান আৰু দিল্লীৰ মাত্ৰ ১৬টা বিধানসভা সমষ্টিত ইয়াক পৰীক্ষণ কৰা হৈছিল।

**২০০২** চনত ইভিএমৰ বিৰুদ্ধে যেতিয়া আবেদন দাখিল কৰা হৈছিল তেতিয়া উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া বিচাৰপীঠে ইভিএম সম্পৰ্কীয় আইনী সংশোধনীক সমৰ্থন জনাইছিল।

**২০০৪** চনত সমগ্ৰ দেশতে প্ৰথমবাৰৰ বাবে ইভিএম ব্যৱহাৰ কৰা হয়। তেতিয়াৰে পৰাই ইয়াৰ ব্যৱহাৰ হৈ আহিছে।






## ভিভিপিএটি




*ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াসকলক ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ সময়ত ইভিএম আৰু ভিভিপিএটি এঠাইৰ পৰা আন ঠাইলৈ পৰিবহণৰ বাবে কেৱল জিপিএছ সক্ষম বাহন ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। ভোটগ্ৰহণ আৰম্ভ হোৱাৰ ৯০ মিনিট পূৰ্বে ৫০টা ভোটৰ ম'ক প'ল অনুষ্ঠিত কৰা হয় আৰু প্ৰতিটো ভোট কেন্দ্ৰত হিচাপ কৰা হয়।*

- অভিযোগ আৰু প্ৰতি-অভিযোগৰ মাজতে নিৰ্বাচন আয়োগে ৫ বছৰৰ গৱেষণাৰ অন্তত ভিভিপিএটি প্ৰৱৰ্তন কৰে।
- ইভিএম আৰু ভিভিপিএটিৰ মাজত অমিলৰ অভিযোগৰ পিছত নিৰ্বাচন আয়োগে ইভিএম আৰু ভিভিপিএটিৰ শ্লিপৰ ৫ শতাংশ মিলাবলৈ সিদ্ধান্ত লয়। যেতিয়া মিলোৱা হ'ল, তেতিয়া দুয়োটা ক্ষেত্ৰতে ভোট সমান হোৱা দেখা গ'ল। ইভিএম আৰু ভিভিপিএটিৰ ফলাফলত ৰাজনৈতিক দলৰ এজেণ্টে চহী কৰে।
- নিয়ন্ত্ৰণ ইউনিটৰ পৰা পোৱা ফলাফল পৰীক্ষা কৰিবলৈ প্ৰাৰ্থী বা তেওঁলোকৰ এজেণ্টৰ উপস্থিতিত লটাৰীৰ জৰিয়তে যাদৃচ্ছিকভাৱে নিৰ্বাচিত ভিভিপিএটিৰ শ্লিপ গণনা কৰা হয়।

সাধাৰণ নিৰ্বাচন আৰু ৪০০ৰো অধিক ৰাজ্যিক বিধানসভা নিৰ্বাচন সফলতাৰে অনুষ্ঠিত কৰিছে। ২০২৪ চনৰ লোকসভা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ১০ লাখতকৈ অধিক ভোটকেন্দ্ৰ স্থাপন কৰা হৈছিল, য'ত নিৰাপত্তাৰক্ষী, ভোটগ্ৰহণ বিষয়া আৰু কৰ্মচাৰীকে ধৰি প্ৰায় ডেৰ কোটি লোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল।

নিৰ্বাচন আয়োগৰ নিৰ্দেশ কাৰ্যকৰী কৰাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াত যাতে কোনো বাধাৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে। পূৰ্বে বিভিন্ন প্ৰাৰ্থীৰ বাবে বিভিন্ন ৰঙৰ পৃথক পৃথক বেলট বাকচ আছিল, য'ত মানুহে ভোটদান কৰিছিল। প্ৰথম সাধাৰণ নিৰ্বাচনত বেলট

### নিৰ্বাচনী উপাখ্যান

### কাৰ্গিলত হেলিকপ্টাৰেৰে উপস্থিত হয় ভোটগ্ৰহণকাৰী দল আৰু সামগ্ৰী

কাৰ্গিল জিলাৰ জাংস্কাৰ মহকুমাৰ ৰালাকুং, ফেমা আৰু শ্বেড ভোটকেন্দ্ৰ অতি উচ্চ আৰু ভূমিস্খলনপ্ৰৱণ অঞ্চলত অৱস্থিত। তাত চলাচল কৰাটোও কঠিন। এই কথা বিবেচনা কৰি ২০২৪ চনৰ লোকসভা নিৰ্বাচনত নিৰাপত্তাৰক্ষী আৰু ক্ষুদ্ৰ পৰ্যবেক্ষকক ধৰি ভোটগ্ৰহণকাৰী দলটোক বায়ুসেনা আৰু সেনাৰ সহযোগত হেলিকপ্টাৰৰ জৰিয়তে পৰিবহণ কৰা হৈছিল। নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ পিছত হেলিকপ্টাৰৰ সহায়ত ইভিএম, ভিভিপিএটিকে ধৰি সমগ্ৰ যন্ত্ৰপাতি গণনা কেন্দ্ৰলৈ লৈ যোৱা হৈছিল।



মই সকলো যোগ্য ভোটাৰক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছোঁ, সেয়া পুৰুষেই হওক বা মহিলাই হওক। মোৰ যুৱ বন্ধুসকলক অনুৰোধ কৰিছোঁ যে তেওঁলোকে ১৮ বছৰ বয়স হোৱাৰ লগে লগে নিজকে ভোটাৰ হিচাপে পঞ্জীয়ন কৰক।

**নৰেন্দ্ৰ মোদী,** *প্ৰধানমন্ত্ৰী*

বাকচবোৰ বিভিন্ন ৰঙৰ আছিল, প্ৰতিটোতে কোনো প্ৰাৰ্থী বা দলৰ প্ৰতীক আছিল। সেই যুগৰ পৰা ভাৰতে ইলেক্ট্ৰনিক ভোটিং মেচিন (ইভিএম)ৰ সহায়ত ভোটদানৰ দিশত আগবাঢ়িছে। এটা সময় আছিল যেতিয়া ভোটগ্ৰহণৰ পিছত ভোটগণনাত কেইবাদিনো সময় লাগিছিল। কিন্তু এতিয়া ইভিএমৰ সহায়ত কেইঘণ্টামানৰ ভিতৰতে ফলাফল ঘোষণা কৰিব পৰা হৈছে। গণতন্ত্ৰৰ উদযাপন জাতীয় গৌৰৱৰ উৎস হৈ পৰিছে। ইয়াক আৰু অধিক ফলপ্ৰসূ কৰি তুলিবলৈ শিক্ষা মন্ত্ৰালয়ৰ সহযোগত

> *গণতন্ত্ৰৰ উৎসৱ নিৰ্বাচন এতিয়া ৰাষ্ট্ৰৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে। ইয়াক আৰু অধিক ফলপ্ৰসূ কৰিবলৈ নিৰ্বাচন আয়োগে শিক্ষা মন্ত্ৰালয়ৰ সহযোগত নিৰ্বাচনী সাক্ষৰতাৰ বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে। ই ছাত্ৰ-ছাত্ৰীসকলক এক গুৰুত্বপূৰ্ণ নাগৰিক কৰ্তব্যৰ প্ৰতি সচেতন কৰাত সফল প্ৰমাণিত হ'ব, কিয়নো যুৱক-যুৱতীসকল ভাৰতীয় গণতন্ত্ৰৰ ভৱিষ্যতৰ ৰক্ষক।*

নিৰ্বাচন আয়োগে বিদ্যালয়ৰ পাঠ্যক্ৰমত নিৰ্বাচনী সাক্ষৰতাক অন্তৰ্ভুক্ত কৰাৰ কথাই ছাত্ৰ-ছাত্ৰীসকলক নাগৰিকত্বৰ এই অতি গুৰুত্বপূৰ্ণ কৰ্তব্যৰ প্ৰতি সচেতন কৰি তোলাত সফল হোৱা বুলি কব পাৰি, কাৰণ ভাৰতীয় যুৱক-যুৱতীসকল হৈছে গণতন্ত্ৰৰ ভৱিষ্যতৰ ৰক্ষক।

নতুন মাপকাঠী নিৰ্ধাৰণ কৰি, ভাৰতৰ নিৰ্বাচন আয়োগৰ ক্ৰমাৎ বৃদ্ধি পোৱা বিশ্বাসযোগ্যতাক প্ৰতিফলিত কৰি ভাৰতৰ মুখ্য

এছ আই আৰ

## এছ আই আৰে সঠিক তথ্য আৰু বিশ্বাসযোগ্যতা সুনিশ্চিত কৰে

বিশেষ নিবিড় পুনৰীক্ষণ (SIR)ৰ লক্ষ্য হৈছে নিৰ্বাচনী তালিকাৰ সঠিকতা, শুদ্ধতা আৰু নিৰ্ভৰযোগ্যতা নিশ্চিত কৰা। নিৰ্বাচন আয়োগে নিৰ্বাচনী তালিকাৰ পুংখানুপুংখভাৱে পুনৰ পৰীক্ষা কৰাটো প্ৰয়োজনীয় বুলি অনুভৱ কৰিয়েই এছআইআৰ অনুষ্ঠিত কৰা হয়। স্বাধীন ভাৰতত ১৯৫১ চনৰ পৰা ২০০৪ চনৰ ভিতৰত আঠবাৰকৈ এছআইআৰ সম্পন্ন কৰা হৈছে। ২০২৫ চনত বিহাৰত এয়া আৰম্ভ কৰাৰ আগলৈকে প্ৰায় দুটা দশক ধৰি এনে অভিযান চলোৱা হোৱা নাছিল। ইয়াক এটা স্পষ্টভাৱে নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ পাছত নিৰ্দিষ্ট সময়সীমা আৰু পৰ্যায়ক্ৰমে পদক্ষেপ গ্ৰহণ কৰি সম্পন্ন কৰা হয়।

বিগত দুটা দশকত নিৰ্বাচনী তালিকাত কেইবাটাও পৰিৱৰ্তন ঘটিছে। মানুহে নিজৰ বাসগৃহ সলনি কৰিছে, একাধিক স্থানত একেজন ব্যক্তিৰ নাম পঞ্জীয়ন কৰা হৈছে, মৃত ব্যক্তিৰ নাম আঁতৰোৱা হোৱা নাই, অযোগ্য ব্যক্তিৰ নামো সংযোজন কৰা হৈছে। নিৰ্বাচনী তালিকাৰ মান সন্দৰ্ভত কেইবাবাৰো প্ৰশ্ন উত্থাপন হৈছে, যাৰ ফলত এছ আই আৰৰ প্ৰয়োজনীয়তা আহি পৰিছে। সংবিধানৰ ৩২৬ নং অনুচ্ছেদ অনুসৰি এছ আই আৰৰ অধীনত যোগ্যতা কঠোৰভাৱে পৰীক্ষা কৰা হয়। এজন ভোটাৰ ভাৰতীয় নাগৰিক হ'ব লাগিব, ১৮ বছৰ বয়স সম্পূৰ্ণ হ'ব লাগিব, সংশ্লিষ্ট অঞ্চলৰ সাধাৰণ বাসিন্দা হ'ব লাগিব আৰু কোনো আইনৰ অধীনত অযোগ্য হ'ব নালাগিব।

২০২৫ চনৰ ২৮ অক্টোবৰৰ পৰা এছ আই আৰ অভিযান আৰম্ভ হৈছিল আৰু ২০২৬ চনৰ ৭ ফেব্ৰুৱাৰীৰ ভিতৰত সেয়া সম্পূৰ্ণ হ'ব। এছ আই আৰৰ দ্বিতীয় পৰ্যায়ত, এই প্ৰক্ৰিয়া ৰচখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত চলাই থকা হৈছে। এই প্ৰক্ৰিয়াৰ ফলত নিকা নিৰ্বাচনী তালিকাৰ সৃষ্টি হ'ব আৰু দেশত মুক্ত, নিকা তথা নিৰ্ভৰযোগ্য নিৰ্বাচনৰ ভেটি অধিক শক্তিশালী হ'ব।

নিৰ্বাচন আযুক্ত জ্ঞানেশ কুমাৰে ২০২৬ বৰ্ষৰ বাবে ইণ্টাৰনেচনেল ইনষ্টিটিউট ফৰ ডেম'ক্ৰেচি এণ্ড ইলেক্ট'ৰেল এচিছটেন্স (আন্তঃৰাষ্ট্ৰীয় আইডিইএ)ৰ সদস্য ৰাষ্ট্ৰ পৰিষদৰ অধ্যক্ষৰ পদ গ্ৰহণ কৰিছে। এই অধ্যক্ষ পদ ভাৰতৰ নিৰ্বাচন আয়োগক বিশ্বব্যাপী স্বীকৃতি প্ৰদান কৰা এক উল্লেখযোগ্য কৃতিত্ব তথা বিশ্বৰ অন্যতম নিৰ্ভৰযোগ্য



## প্ৰক্ৰিয়াটো কি ?

- এই প্ৰক্ৰিয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল যে বিএলঅ' (বুথ লেভেল অফিচাৰ)ই প্ৰয়োজন সাপেক্ষে প্ৰতিটো পৰিয়াললৈ কমেও তিনিবাৰকৈ গৈ গণনা প্ৰ-পত্ৰ বিতৰণ আৰু সংগ্ৰহ কৰিব লাগে তথা পুৰণি এছ আই আৰ ৰেকৰ্ডৰ সৈতে সেয়া পৰীক্ষা কৰি চাব লাগে।
- ই মৃত্যু, স্থায়ীভাবে স্থানান্তৰিত বা নকল অন্তৰ্ভুক্তি চিনাক্ত কৰাত সহায় কৰে।
- এই সমগ্ৰ প্ৰক্ৰিয়াটোত স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহে নিযুক্তি দিয়া নিৰ্বাচনী পঞ্জীয়ন বিষয়া (ইআৰঅ'), সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া (এইআৰঅ'), জিলা নিৰ্বাচনী বিষয়া আৰু বুথ পৰ্যায়ৰ এজেণ্টসকল জড়িত হৈ থাকে।
- এছ আই আৰ ঘৰে ঘৰে গৈ পৰীক্ষণ কৰাৰ সৈতে জড়িত হৈ থাকে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰৰ বুথ স্তৰৰ বিষয়াই ভোটাৰৰ ঘৰলৈ গৈ গণনা প্ৰ-পত্ৰ বিতৰণ কৰে আৰু সেয়া সংগ্ৰহ কৰে।
- তেওঁলোকে পুৰণি ৰেকৰ্ডৰ সৈতে তথ্যসমূহ পৰীক্ষা কৰে আৰু মৃত্যু, স্থায়ীভাৱে স্থানান্তিৰত হোৱা, বা নকল অন্তৰ্ভুক্তি চিনাক্ত কৰে। বিৱৰণসমূহ একাধিক স্তৰত পৰীক্ষা কৰা হয়।
- ইয়াৰ পিছত প্ৰাৰম্ভিক তালিকা প্ৰকাশ কৰা হয়। আপত্তি থাকিলে জিলা দণ্ডাধীশৰ ওচৰত প্ৰথমে আবেদন কৰাৰ আৰু দ্বিতীয়বাৰৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত আবেদন দাখিল কৰাৰ আইনী ব্যৱস্থা আছে।

## এছ আই আৰ ৮ বাৰ কৰা হৈছে

| | |
|---|---|
| প্ৰথম | ১৯৫২-৫৬ |
| দ্বিতীয় | ১৯৫৭-৬১ |
| তৃতীয় | ১৯৬৫-৬৬ |
| চতুৰ্থ | ১৯৮৩-৮৪ |
| পঞ্চম | ১৯৮৭-৮৯ |
| ষষ্ঠ | ১৯৯২-৯৩ |
| সপ্তম | ১৯৯৫ |
| অষ্টম | ২০০২-০৪ |



## "এক ব্যক্তি, এক ভোট"ৰ নীতিক শক্তিশালী কৰা হৈছে

- এতিয়ালৈকে য'তেই এছ আই আৰ সম্পাদন কৰা হৈছে, তাতেই নতুন ভোটাৰ সংযোজন কৰা হৈছে। মৃত আৰু স্থায়ীভাৱে স্থানান্তৰিত ব্যক্তিৰ নাম আঁতৰোৱা হৈছে।
- ভোটাৰ তালিকাখন অধিক সঠিক আৰু নিৰ্ভৰযোগ্য হৈ পৰিছে।
- ইয়াৰ ফলত "এক ব্যক্তি, এক ভোট"ৰ নীতি শক্তিশালী হৈছে আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি পাইছে।

আৰু উদ্ভাৱনীমূলক নিৰ্বাচনী পৰিচালনা সংস্থা (ইএমবি) হিচাপে ই ভাৰতক চিহ্নিত কৰিছে। আন্তঃৰাষ্ট্ৰীয় আইডিইএৰ সদস্য ৰাষ্ট্ৰ পৰিষদৰ প্ৰতিষ্ঠাপক সদস্য হিচাপে ভাৰতে সংস্থাটোৰ শাসন, গণতান্ত্ৰিক আলোচনা আৰু প্ৰতিষ্ঠানিক পদক্ষেপত ধাৰাবাহিকভাৱে অৰিহণা যোগাই আহিছে। সংবিধান প্ৰণয়নকাৰীসকলে এই বিষয়ত ৰখা বিশ্বাসৰ মৰ্যাদাক ই অহৰহ ৰক্ষা কৰি আহিছে।

প্ৰথম পৰ্যায়ৰ এছ আই আৰ অভিযানৰ অধীনত বিহাৰত এই প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছিল, য'ত কোনো আবেদন দাখিল কৰা হোৱা নাছিল।

“

ভাৰতত যি বিশাল পৰিসৰত নিৰ্বাচন অনুষ্ঠিত হয়, সেই কথাই বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকক আচৰিত কৰি তোলে। আমাৰ নিৰ্বাচন আয়োগে যি দক্ষতাৰে এই নিৰ্বাচনসমূহ পৰিচালনা কৰে, সেই কথাই স্বাভাৱিকতে নিৰ্বাচন আয়োগক লৈ প্ৰতিজন নাগৰিককে গৌৰৱান্বিত কৰি তোলে। আমাৰ দেশত পঞ্জীয়নভুক্ত ভোটাৰ হোৱা প্ৰতিজন ভাৰতীয় নাগৰিকে যাতে ভোটদানৰ সুযোগ পায় তাৰ বাবে সকলো প্ৰচেষ্টা চলোৱা হৈছে।

**নৰেন্দ্ৰ মোদী,** *প্ৰধানমন্ত্ৰী*

নিৰ্বাচন আয়োগৰ মতে ইয়াৰ দ্বাৰা বিধিগত প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। দ্বিতীয় পৰ্যায়ত আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, ছত্তীশগড়, গোৱা, গুজৰাট, কেৰালা, লাক্ষাদ্বীপ, মধ্যপ্ৰদেশ, পুডুচেৰী, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগত এই প্ৰক্ৰিয়া চলোৱা হৈছিল। এই পৰ্যায়ত প্ৰায় ৫১ কোটি ভোটাৰ জড়িত আছিল। এই পৰ্যায়ত ৫.৩৩ লাখ ভোটকেন্দ্ৰ স্থাপন কৰা হৈছিল, য'ত বুথ পৰ্যায়ৰ বিষয়া (বিএলঅ')সকলে নিজৰ দায়িত্ব পালন কৰিছিল।

বিশ্বৰ এনে কেইখনমান দেশৰ ভিতৰত ভাৰত অন্যতম, য'ত নিৰ্বাচন আয়োগে মানুহক জাননী জাৰি কৰিব পাৰে আৰু বিষয়াক বদলি কৰিব পাৰে। এনে চৰকাৰী ক্ষমতা বহু গণতান্ত্ৰিক দেশৰ নিৰ্বাচন আয়োগৰ ক্ষেত্ৰত নাই। সেয়েহে ভাৰতৰ নিৰ্বাচন আয়োগ আৰু ইয়াৰ নিৰ্বাচনী প্ৰক্ৰিয়াই বহু দেশৰ বাবে এক মাপকাঠী হিচাপে কাম কৰে। বিশ্বজুৰি গণতন্ত্ৰক শক্তিশালী কৰাৰ ক্ষেত্ৰত ইয়াৰ প্ৰশংসনীয় প্ৰচেষ্টাক স্বীকৃতি দি ২০২০ চনৰ ছেপ্টেম্বৰ মাহত ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্তক বিশ্ব নিৰ্বাচনী সংস্থাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হৈছিল। স্বাধীনতা লাভ কৰাৰ সাত দশকৰ ভিতৰতে ভাৰতে বিশ্বজুৰি গণতান্ত্ৰিক আদৰ্শৰ অগ্ৰণী দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে। এই কৃতিত্ব নিৰ্বাচন আয়োগৰ পৰা আৰম্ভ কৰি দেশৰ সৰু সৰু গাঁৱৰ সাধাৰণ নাগৰিকলৈকে সকলোৰে অমূল্য অৱদানৰ প্ৰমাণ।

## ন্যায়িক সিদ্ধান্ত

### পৰিৱৰ্তনশীল সংস্কাৰ সাধন

নিৰ্বাচন আয়োগ দেশৰ মুক্ত আৰু নিকা নিৰ্বাচনৰ সাংবিধানিক ৰক্ষক হৈ থকাৰ সময়তে সংবিধান নীৰৱ হৈ থকা অঞ্চলত ন্যায়পালিকাৰ জৰিয়তে ভোটাধিকাৰ শক্তিশালী কৰিবলৈ কেইবাটাও ঐতিহাসিক আৰু পৰিৱৰ্তনশীল সংস্কাৰ সাধন কৰা হৈছে। ভোটাধিকাৰ কেৱল আইনী অধিকাৰ নহয়, সংবিধানৰ ১৯ (১)(ক) অনুচ্ছেদৰ অধীনত মত প্ৰকাশৰ স্বাধীনতাৰ এক গুৰুত্বপূৰ্ণ দিশ বুলিও আদালতে স্পষ্ট কৰি দিয়ে...


### প্ৰাৰ্থীৰ পশ্চাদপটৰ বিষয়ে প্ৰকাশ (শপতনামা)

২০০২ চনৰ আগতে, দেশৰ ভোটাৰসকলে প্ৰাৰ্থীৰ পশ্চাদপটৰ তথ্য লাভ কৰিব পৰা নাছিল। তাৰ পিছত এটা গোচৰত উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছিল যে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰতিজন প্ৰাৰ্থীয়ে নিজৰ অপৰাধমূলক পটভূমি, নিজৰ লগতে পত্নী আৰু নিৰ্ভৰশীল লোকৰ সম্পত্তি তথা দায়বদ্ধতাৰ লগতে শৈক্ষিক অৰ্হতা প্ৰকাশ কৰি শপতনামা দাখিল কৰিব লাগিব। ইয়াৰ ফলত ভোটাৰসকলে কেৱল জাতি আৰু দলীয় সংযোগৰ পৰিৱৰ্তে প্ৰাৰ্থীৰ সততা আৰু দক্ষতাৰ ওপৰত ভিত্তি কৰি তথ্যসমৃদ্ধ বাছনি কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি, নেতাসকলৰ সম্পত্তিৰ অস্বাভাৱিক বৃদ্ধিৰ বিষয়ত নজৰ ৰখাটো সম্ভৱ কৰি তুলিছে, যাৰ ফলত স্বচ্ছতা বৃদ্ধি পাইছে।



*১৯৫২ চনৰ প্ৰথম সাধাৰণ নিৰ্বাচনত মহিলা ভোটাৰৰ বাবে ২৭,৫২৭টা ভোটগ্ৰহণ কেন্দ্ৰ সংৰক্ষিত কৰা হৈছিল।*

## 'উপৰোক্ত এটাও নহয়' (নোটা)




২০১৩ চনত পিএউচিএল বনাম ইউনিয়ন অৱ ইণ্ডিয়া গোচৰত উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে এজন ভোটাৰৰ মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰত সকলো প্ৰাৰ্থীক নাকচ কৰাৰ অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছে। আদালতে নিৰ্বাচন আয়োগক ইভিএমত নোটা বুটাম সন্নিবিষ্ট কৰিবলৈ নিৰ্দেশ দিছিল। পূৰ্বে কোনো ভোটাৰে যদি ভোটদান কৰিব নিবিচাৰে তেন্তে তেওঁলোকে ১৭এ প্ৰ-পত্ৰ পূৰণ কৰিব লাগিছিল, য'ত তেওঁলোকৰ পৰিচয় প্ৰকাশ পাইছিল।

## দোষী সাব্যস্ত হোৱা জনপ্ৰতিনিধিক তাৎক্ষণিকভাৱে অযোগ্য ঘোষণা



লিলি থমাছ বনাম ইউনিয়ন অৱ ইণ্ডিয়া (২০১৩) গোচৰত উচ্চতম ন্যায়ালয়ে জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ৮(৪) বাতিল কৰিছিল। ইয়াৰ পূৰ্বে এই বিধানৰ অধীনত দোষী সাংসদ বা বিধায়কে আবেদন দাখিল কৰি তিনিমাহৰ বাবে কাৰ্যভাৰ চলাই থাকিব পাৰিছিল। এতিয়া দুবছৰ বা ততোধিক শাস্তিৰ ফলত তেনে সাংসদ বা বিধায়কক তাৎক্ষণিকভাৱে অযোগ্য ঘোষণা কৰা হয়। ৰাজনীতিক অপৰাধমুক্ত কৰাৰ বাবে এয়া এক শক্তিশালী পদক্ষেপ। আইন ভংগ কৰাসকল সাংসদ হৈ থাকিব নোৱাৰে। আইনৰ দৃষ্টিত ৰাজনীতিক আৰু সাধাৰণ নাগৰিক সকলো সমান।

## ভিভিপিএটি ব্যৱস্থাৱলী

২০১৩ চনত নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত থকা ভোটাৰৰ আস্থাৰ গুৰুত্ব স্বীকাৰ কৰি উচ্চতম ন্যায়ালয়ে ইভিএমৰ লগতে ভিভিপিএটি ব্যৱস্থা ৰূপায়ণৰ নিৰ্দেশ দিছিল। ইয়াৰ দ্বাৰা ভোটাৰসকলে ৭ ছেকেণ্ডৰ বাবে পৰীক্ষা কৰাৰ সময় পাইছিল যে তেওঁলোকৰ ভোট সঠিক প্ৰাৰ্থীৰ সপক্ষে নথিভুক্ত কৰা হৈছে নে নাই।




### নিৰ্বাচনী উপাখ্যান

#### এটা ভোটৰ বাবে ১৮ কিলোমিটাৰ যাত্ৰা কৰিছিল নিৰ্বাচনী দলে

নিৰ্বাচন আয়োগে ২০২৪ চনৰ লোকসভা নিৰ্বাচনত ৮৫ বছৰৰ ওপৰৰ ভোটাৰ আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে 'ঘৰৰ পৰা ভোট'ৰ সুবিধা প্ৰৱৰ্তন কৰিছিল। এই আঁচনিৰ অধীনত কেৰালাৰ ইডুক্কি লোকসভা সমষ্টিৰ এডামলাক্কু ডীত বিছনাত পৰি থকা এগৰাকী ৯২ বছৰীয়া ব্যক্তিয়ে ভোটদানৰ বাবে আবেদন জনাইছিল। ব্যক্তিগৰাকীক বেলট পেপাৰৰ জৰিয়তে ঘৰৰ পৰাই ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সুবিধা প্ৰদানৰ বাবে তিনিগৰাকী মহিলাকে ধৰি এটা ভোটগ্ৰহণকাৰী দলে কেইবাঘণ্টা ধৰি অৰণ্যৰ মাজেৰে ১৮ কিলোমিটাৰ খোজ কাঢ়িছিল। এই যাত্ৰাত প্ৰায় ৫ ঘণ্টা সময় লাগিছিল। শিৱলিংগম নামৰ ভোটাৰগৰাকীয়ে ভোটদানৰ সময়ত নাতি মোহননৰ সহায় লৈছিল।



ভাৰতৰ প্ৰতিটো সাংবিধানিক প্ৰতিষ্ঠানে নিৰ্বাচন আয়োগৰ মৰ্যাদা ৰক্ষা কৰি আহিছে। ৰাজনৈতিক দল যিয়েই নহওক, সকলোৱে সদায় নিৰ্বাচন আয়োগৰ নিৰ্দেশ মানি চলি আহিছে। উচ্চতম ন্যায়ালয়, আমাৰ আদালত আৰু আন সকলোৱে নিৰ্বাচন আয়োগক ধাৰাবাহিকভাৱে সমৰ্থন কৰি

আমাৰ দেশৰ এটা অতি গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান আছে, যিটো আমাৰ গণতন্ত্ৰৰ অবিচ্ছেদ্য অংগ আৰু আমাৰ গণৰাজ্যতকৈও পুৰণি - ২৫ জানুৱাৰীৰ দিনটো 'ৰাষ্ট্ৰীয় ভোটাৰ দিৱস' হিচাপে পালন কৰা হয় আৰু সেই দিনটো নিৰ্বাচন আয়োগৰ প্ৰতিষ্ঠা দিৱস। ৰাষ্ট্ৰীয় ভোটাৰ দিৱসত আপোনালোক সকলোকে শুভেচ্ছা জনাইছো। গণতন্ত্ৰত নিৰ্বাচন আয়োগৰ গুৰুত্বপূৰ্ণ ভূমিকাক আমি প্ৰণাম জনাইছো। এয়া নিৰ্বাচন গণতন্ত্ৰৰ উদযাপন। প্ৰতিষ্ঠানটোৱে জনসাধাৰণৰ ইচ্ছাক প্ৰকাশৰ সুবিধা দিয়ে, যিটো গণতন্ত্ৰত সৰ্বোচ্চ বিষয়।

**নৰেন্দ্ৰ মোদী,** *প্ৰধানমন্ত্ৰী*

আহিছে। সকলোৱে নিৰ্বাচন আয়োগৰ নিৰ্দেশ কাৰ্যকৰী কৰাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াত যাতে কোনো বাধাৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিছে।

নিৰ্বাচনত ভোট দিয়াটো গণৰাজ্যবাসীৰ এক পবিত্ৰ। নিৰ্বাচন আয়োগে আমাৰ সকলোকে আমাৰ দেশৰ প্ৰতি আমাৰ কৰ্তব্যৰ কথা সোঁৱৰাই দিয়ে- প্ৰতিটো ভোট গুৰুত্বপূৰ্ণ, আৰু প্ৰতিজন প্ৰাপ্তবয়স্ক নাগৰিকৰ বাবে ভোটদান অতি প্ৰয়োজনীয়। গণতন্ত্ৰৰ প্ৰতীক ভাৰতীয় সংবিধানত সন্নিৱিষ্ট হৈ আছে স্বতন্ত্ৰ নিৰ্বাচন আয়োগৰ ধাৰণা। নিৰ্বাচনী প্ৰক্ৰিয়াই সমতা তথা স্বাধীনতাৰ অধিকাৰৰ লগতে প্ৰতিজন ব্যক্তিৰ ভোটক গুৰুত্বপূৰ্ণ কৰি তুলিছে। এই কাৰণেই ভাৰতীয় গণতন্ত্ৰ পৰিপক্কতা তথা স্থিৰতাৰ বাবে বিশ্বজুৰি পৰিচিত। ইয়াৰ সকলো কৃতিত্ব ভাৰতীয় ভোটাৰক দিব পাৰি। ভোটাৰক এই ক্ষমতা আমাৰ সংবিধানে প্ৰদান কৰিছে। প্ৰতিটো সাধাৰণ নিৰ্বাচনতে ভাৰতীয় ভোটাৰসকলে এই ব্যৱস্থাৰ প্ৰতি সঁহাৰি জনাই সংবিধান প্ৰণয়নকাৰীসকলৰ বিশ্বাস শক্তিশালী কৰি আহিছে।




**ধাৰণা:** হাৰিয়ানাৰ এটা ঘৰৰ পৰাই ৫০১টা ভোট দিয়া হৈছিল

**বাস্তৱ:** নিৰ্বাচন আয়োগে স্পষ্ট কৰি দিছে যে ২৬৫ নং ঘৰখন কোনো এখন সৰু ঘৰ নহয়। পূৰ্বপুৰুষৰ এক একৰ মাটিত বহু পৰিয়ালে জীৱন নিৰ্বাহ কৰি আছে। প্ৰতিটো পৰিয়ালৰ ঘৰৰ নম্বৰ পৃথকে পৃথকে দিয়া হোৱা নাই; সকলোৱে ঘৰ নম্বৰ ২৬৫ ব্যৱহাৰ কৰে। এটা পৰিয়ালতে তিনিটা প্ৰজন্মৰ সকলোৱে একেলগে থাকে।

**ধাৰণা:** বিহাৰৰ এজন ভোটাৰৰ বয়স ১২৪ বছৰ, সুবোধ কুমাৰ বিএলএৰ নাম কেতিয়াও তালিকাত নগ'ল, আৰু সমালোচনাৰ পিছত ৰঞ্জু দেৱীৰ নাম বলপূৰ্বকভাৱে আঁতৰাই দিয়া হ'ল।

**বাস্তৱ:** বিহাৰৰ ভোটাৰ মিনাতা দেৱীৰ বয়স ৩৪ বছৰ, কিন্তু মিনাতা দেৱীয়ে নিজেই উল্লেখ কৰিছে যে তেওঁ অনলাইন আবেদন কৰিছিল, যাৰ ফলত বয়স ১২৪ বছৰ বুলি ছপা কৰা হৈছিল। ভোটাৰ তালিকাত সুবোধ কুমাৰ বিএলএৰ নাম নথকাৰ তথ্য ভুল বুলি ধৰা পৰিল। ৰঞ্জু দেৱীয়ে ভুৱা তথ্য দিয়া বুলি স্বীকাৰ কৰে।



## আন্তঃৰাষ্ট্ৰীয় আইডিইএ পৰিষদৰ অধ্যক্ষতা গ্ৰহণৰ ভাষণ


বিশ্বৰ শ্ৰেষ্ঠ গণতন্ত্ৰৰ বিশিষ্ট ব্যক্তিসকল, ভদ্ৰমহিলা আৰু ভদ্ৰলোকসকল,

- মই ভাৰতৰ আৰু সেয়ে আপোনালোকক ভাৰতৰ বিষয়ে কৈয়ে আৰম্ভ কৰিম।
- ভাৰত গণতন্ত্ৰৰ মাতৃ আৰু আজি, ই বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰও।
- ভাৰতীয় নিৰ্বাচন আয়োগ এটা সাংবিধানিক সংস্থা আৰু ইয়াৰ সাংবিধানিক দায়িত্ব হিচাপে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, সংসদ, বিধানসভা আৰু বিধান পৰিষদৰ কাৰ্যালয়ৰ নিৰ্বাচন অনুষ্ঠিত কৰে।
- ভাৰতৰ ২৮খন ৰাজ্য আৰু ৮খন কেন্দ্ৰীয় শাসিত অঞ্চলত ৯০ কোটিতকৈ অধিক ভোটাৰৰ সৈতে ভাৰতৰ নিৰ্বাচন আয়োগৰ স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰাৰ লগতে যোগ্যতাৰ ওপৰত ভিত্তি কৰি সঠিক নিৰ্বাচনী তালিকা প্ৰস্তুত কৰাৰ প্ৰায় ৭৫ বছৰৰ অভিজ্ঞতা আছে।
- লোকসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ সময়ত ভাৰতৰ নিৰ্বাচন আয়োগ বিশ্বৰ সৰ্ববৃহৎ সংগঠন হিচাপে পৰিগণিত হয়, য'ত ১০ লাখৰো অধিক কৰ্মী আছে।
- আজি প্ৰতিজন ভাৰতীয়ই ভাৰতক ৩৫খন গণতান্ত্ৰিক দেশ আৰু ২খন পৰ্যবেক্ষক ৰাষ্ট্ৰৰে গঠিত আন্তঃৰাষ্ট্ৰীয় আইডিইএৰ সদস্য ৰাষ্ট্ৰৰ পৰিষদৰ অধ্যক্ষ হিচাপে এক সন্মানীয় পদবীত থকা দেখি সন্মানিত অনুভৱ কৰিছে।
- ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে মই জ্ঞানেশ কুমাৰে ভাৰতৰ সকলো নাগৰিকৰ হৈ সকলো দেশৰ প্ৰতিনিধিলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিছো, আৰু আন্তঃৰাষ্ট্ৰীয় আইডিইএৰ সদস্য ৰাষ্ট্ৰ পৰিষদৰ অধ্যক্ষতা গ্ৰহণ কৰিছো।
- অধ্যক্ষ হিচাপে মই আপোনালোকক আশ্বাস দিছো যে মোৰ কাৰ্যকালত সকলো গণতান্ত্ৰিক ৰাষ্ট্ৰৰ সহযোগিতাৰে আমি সমগ্ৰ বিশ্বতে গণতন্ত্ৰ আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ স্বচ্ছতাক অধিক শক্তিশালী আৰু বৃদ্ধিৰ বাবে আদৰ্শগতভাৱে কাম কৰিম।

**জয় হিন্দ, জয় ভাৰত**









এই ক্ষেত্ৰত নিৰ্বাচন আয়োগে উল্লেখযোগ্য কাম কৰিছে। তদুপৰি নিৰ্বাচন আয়োগৰ সৰ্বাংগীণ পদক্ষেপে ভোটাৰৰ ভোটদান বৃদ্ধি কৰি ভোটাৰৰ আস্থা আৰু অধিক শক্তিশালী কৰিছে। ইয়াৰ ফলত ভাৰতৰ নিৰ্বাচন আয়োগে বিশ্বজুৰি এক শক্তিশালী সুনাম অৰ্জন কৰিছে। গতিকে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কোৱাৰ দৰে নিৰ্বাচনী প্ৰক্ৰিয়াৰ লগত জড়িত সকলো নিষ্ঠাবান বিষয়া-কৰ্মচাৰীকে ৰাষ্ট্ৰ সেৱক বুলি কোৱাৰ যোগ্য। আমাৰ দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়াক অধিক কাৰ্যক্ষম কৰি তোলাত অৰিহণা যোগোৱা বেচৰকাৰী সংস্থাসমূহো প্ৰশংসাৰ যোগ্য।

১৯৫১-৫২ চনত যেতিয়া ভাৰতত প্ৰথমবাৰৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল, তেতিয়া গণতন্ত্ৰ জীয়াই নাথাকিব বুলি আশংকা সৃষ্টি হৈছিল। কিন্তু সেই সকলোবোৰ আশংকা ভুল বুলি প্ৰমাণ কৰি গণতন্ত্ৰৰ মাতৃ ভাৰত এতিয়া বিশ্বৰ বাবে পথ প্ৰদৰ্শকৰ পোহৰ হৈ পৰিছে। নিৰ্বাচন আয়োগৰ নিৰন্তৰ উদ্ভাৱন আৰু পদক্ষেপে আণ্ডুলিত থকা অমলিন চিয়াঁহীৰ চিনটোক ফেশ্বন ষ্টেটমেণ্টলৈ ৰূপান্তৰিত কৰিছে। এই কথা সদায় মনত ৰখাটো প্ৰয়োজনীয় যে গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে ভোটদানেই আটাইতকৈ পবিত্ৰ কাৰ্য্য। নিঃসন্দেহে ভাৰতৰ গণতন্ত্ৰই বিশ্ব সমাজৰ বাবে নতুন মানদণ্ড নিৰ্ধাৰণ কৰি যাব, আৰু এই যাত্ৰাত দেশৰ ভোটাৰ আৰু নিৰ্বাচন আয়োগে অংশগ্ৰহণ আৰু উৎকৃষ্টতাৰ নতুন মাপকাঠী স্থাপন কৰি যাব।

গ্ৰাম্য ভাৰতৰ বাবে নতুন নিয়োগৰ নিশ্চয়তা

# এমএনৰেগাৰ নতুন অৱতাৰ
# বিকশিত ভাৰত-জি ৰাম জি বিধেয়ক

গাঁও আৰু দৰিদ্ৰ লোকৰ কল্যাণ কেন্দ্ৰীয় চৰকাৰৰ বাবে সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় হৈ পৰিছে। বিগত দশকত তেওঁলোকৰ বাবে কৰ্মসংস্থাপন আৰু আত্ম-নিয়োগৰ সুযোগ বৃদ্ধিৰ বাবে কেইবাখনো আঁচনি আৰু কাৰ্যসূচী আৰম্ভ কৰা হৈছে। সংসদত 'বিকশিত ভাৰত — জি ৰাম জি' বিধেয়ক নামেৰেও পৰিচিত বিকশিত ভাৰত - নিয়োগ আৰু জীৱিকা অভিযান (গ্ৰাম্য) বিধেয়ক ২০২৫ গৃহীত হয়, যিখন বিধেয়ক এতিয়া ৰাষ্ট্ৰপতিৰ সন্মতি লাভ কৰি আইনত পৰিণত হৈছে। এই আইনখনে গাঁৱসমূহক ৰূপান্তৰিত কৰিব আৰু বিত্তীয় বৰ্ষত প্ৰতিটো পৰিয়ালক ১২৫ দিনৰ কৰ্মসংস্থাপনৰ নিশ্চয়তা প্ৰদান কৰিব। ইয়াৰ দ্বাৰা মহাত্মা গান্ধীৰ আত্মনিৰ্ভৰশীল আৰু উন্নত গাঁৱৰ দৃষ্টিভংগী সৰল হ'ব...

এমএনৰেগাৰ নতুন অৱতাৰ 'বিকশিত ভাৰত-জি ৰাম জি বিধেয়ক ২০২৫' কেৱল নিয়োগ আঁচনিয়ে নহয় বৰঞ্চ ভাৰতৰ গ্ৰাম্য অঞ্চল স্বাৱলম্বী কৰাৰ ব্লুপ্ৰিণ্ট। এমএনৰেগাৰ অভিজ্ঞতাৰ পৰা শিক্ষা লৈ চৰকাৰে এনে ব্যৱস্থা গঢ়ি তোলাৰ লক্ষ্য লৈছে যিয়ে কৰ্মসংস্থাপন প্ৰদানৰ লগতে গ্ৰাম্য অঞ্চলত বহনক্ষম উন্নয়ন আৰু জীৱিকাৰ সুযোগ সৰল কৰে। কাৰণ বিকশিতভাৰত @২০৪৭ৰ লক্ষ্যত উপনীত হ'বলৈ গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত এক পৰিৱৰ্তনশীল দৃষ্টিভংগীৰ প্ৰয়োজন। এই কাৰণেই এটা বিত্তীয় বৰ্ষত গ্ৰাম্য পৰিয়ালৰ মজুৰি নিয়োগৰ নিশ্চয়তা বছৰত ১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে। বিধেয়কখনৰ অন্যতম মূল উদ্দেশ্য হৈছে বিকশিতভাৰত ২০৪৭ৰ ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰ সৈতে গ্ৰাম্য উন্নয়নৰ কাঠামোক একাকাৰ কৰা। এইটো দৰিদ্ৰতা হ্ৰাস আৰু গাঁৱত বহনক্ষম আন্তঃগাঁথনি সৃষ্টিৰ দিশত এক নিৰ্ণায়ক পদক্ষেপ হিচাপে প্ৰমাণিত হ'ব পাৰে।

২০০৫ চনত কাৰ্যকৰী হোৱাৰ পিছৰে পৰা মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইন (এমএনৰেগা)-এ মজুৰিৰ নিয়োগ প্ৰদান, গ্ৰাম্য আয় সুস্থিৰ কৰা, আৰু মৌলিক আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সময়ৰ লগে লগে ভাৰতৰ গ্ৰাম্য অঞ্চলৰ আন্তঃগাঁথনি আৰু আকাংক্ষাৰ যথেষ্ট পৰিৱৰ্তন হৈছে। বৃদ্ধি পোৱা আয়, বৰ্ধিত সংযোগ, ব্যাপক ডিজিটেল প্ৰৱেশ, আৰু বৈচিত্ৰ্যপূৰ্ণ জীৱিকাৰ ফলত গ্ৰাম্য নিয়োগৰ প্ৰয়োজনীয়তাৰ প্ৰকৃতি সলনি হৈছে। এই কাৰণেই কেন্দ্ৰীয় চৰকাৰে বিকশিত ভাৰত-নিয়োগ আৰু জীৱিকা অভিযান (গ্ৰাম্য) বিধেয়ক, ২০২৫ সংসদত উত্থাপন কৰে। এই বিধেয়কখনে এমএনৰেগাৰ ঠাইত ব্যাপক বিধিগত পৰিৱৰ্তন সাধন কৰে যিয়ে জবাবদিহিতা, আন্তঃগাঁথনিৰ ফলাফল, আৰু আয়ৰ সুৰক্ষা শক্তিশালী কৰে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ২১ ডিচেম্বৰত ভিবি-জি ৰামজি বিধেয়ক, ২০২৫ত সন্মতি প্ৰদান কৰে।



# আন্তঃগাঁথনি শক্তিশালী কৰিবলৈ গ্ৰাম্য নিয়োগৰ চাৰিটা স্তম্ভ

*সৰলীকৰণ, উন্নয়ন, অভিসৰণ, আৰু পৰিপূৰকতাৰ নীতিৰ ওপৰত ভিত্তি কৰি বিকশিত ভাৰত-জি ৰাম জি আইনখনে এখন সমৃদ্ধিশালী, সক্ষম, আৰু আত্মনিৰ্ভৰ গ্ৰাম্য ভাৰতৰ ভেটি শক্তিশালী কৰিব। ইয়াৰ জৰিয়তে গ্ৰাম্য পৰিয়ালৰ আয়ৰ সুৰক্ষা শক্তিশালী হ'ব আৰু শাসন ব্যৱস্থা আৰু জবাবদিহিতা আধুনিকীকৰণ হ'ব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, নতুন আইনখনে নিয়োগৰ চাৰিটা স্তম্ভৰ ৰূপৰেখা দাঙি ধৰিছে যিয়ে গ্ৰাম্য আন্তঃগাঁথনি গঢ়ি তুলি, সমৃদ্ধিশালী আৰু সৰল গ্ৰাম্য ভাৰতৰ ভেটি আৰু অধিক শক্তিশালী কৰিব।*

১



**জল সুৰক্ষা আৰু পানী সম্পৰ্কীয় কাম**

ইয়াৰ ভিতৰত জলসিঞ্চন, জলভাগৰ সজীৱতা, বনানীকৰণ, খাল, বানপানীৰ জলপথ, মাটিৰ তলৰ মথাউৰি, পুখুৰী, কুঁৱা নিৰ্মাণ, সামূহিক পানী সংগ্ৰহ কৰা অঞ্চলৰ উন্নতি, ছাদৰ ওপৰত বৰষুণৰ পানী সংগ্ৰহ আদি অন্তৰ্ভুক্ত।

২



**মূল গ্ৰাম্য আন্তঃগাঁথনি**

ইয়াৰ ভিতৰত শিক্ষা, স্বাস্থ্য, খোৱাপানী, অনাময়, নবীকৰণযোগ্য শক্তি, আৰু সামূহিক সুবিধাসমূহৰ সৈতে জড়িত আন্তঃগাঁথনি, গ্ৰাম্য পথ, গ্ৰাম পঞ্চায়ত ভৱন, বিদ্যালয়, শ্মশান, গ্ৰাম্য পাৰ্কিং, পৰিবহণ চেড, আৰু জল জীৱন অভিযানৰ অধীনত কামৰ অতিৰিক্ত কোঠা বা চৌহদ আদি অন্তৰ্ভুক্ত।

৩



**জীৱিকা সম্পৰ্কীয় আন্তঃগাঁথনি**

ইয়াৰ ভিতৰত কৃষি, পশুপালন, মীনপালন, দক্ষতা বিকাশ, আৰু উদ্যোগ বিকাশ, য'ত গ্ৰাম্য বজাৰ, সাপ্তাহিক বজাৰ, খাদ্য আৰু কৃষি সংৰক্ষণ, নাৰ্চাৰী খেতিৰ প্ৰসাৰ, আৰু নিৰ্মাণ সামগ্ৰীৰ উৎপাদন আদি অন্তৰ্ভুক্ত।

৪



**বতৰৰ পৰিঘটনাৰ প্ৰভাৱ কমোৱাৰ কাম**


ইয়াৰ ভিতৰত দুৰ্যোগৰ আশংকা হ্ৰাস, জলবায়ুৰ লগত খাপ খোৱা, ঘূৰ্ণীবতাহ আৰু বানপানীৰ আশ্ৰয় শিবিৰ, বান ব্যৱস্থাপনাৰ বাবে পুখুৰী আৰু পানীৰ গঠন নিৰ্মাণ আদি অন্তৰ্ভুক্ত। ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰ, পিএম আৱাস যোজনাই অধিসূচনা কৰা যিকোনো ৰাজহুৱা কাম, আৰু অনাময় সম্পৰ্কীয় কামো অন্তৰ্ভুক্ত কৰা হৈছে।

## এমজিএনৰেগাৰ বাবে পৰৱৰ্তী পদক্ষেপ: বিকশিত ভাৰত জি ৰাম জি

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিঙৰ মতে, বিকশিত ভাৰত জি ৰাম জী আঁচনি এমজিএনৰেগাৰ পিছত পৰৱৰ্তী পদক্ষেপ। এতিয়া ১০০ দিনৰ পৰিৱৰ্তে ১২৫ দিনৰ কামৰ আইনী নিশ্চয়তা আছে। কৰ্ম প্ৰদান নকৰাৰ ক্ষেত্ৰত নিবনুৱা ভাট্টা প্ৰদানৰ ব্যৱস্থা আৰু অধিক শক্তিশালী কৰা হৈছে। মজুৰি পলম হ'লে অতিৰিক্ত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থাও আছে। তদুপৰি এইবাৰ এই আঁচনিৰ বাবে ১,৫১,২৮২ কোটি টকাৰো অধিক ব্যাপক ধনৰ প্ৰস্তাৱ দিয়া হৈছে। উন্নত ভাৰতৰ বাবে উন্নত গাঁও, আত্মনিৰ্ভৰ গাঁও, আৰু দৰিদ্ৰতামুক্ত, কৰ্মসংস্থাপন সমৃদ্ধ গাঁও সৃষ্টি কৰিবলৈ জল সংৰক্ষণ, গাঁৱৰ আন্তঃগাঁথনি উন্নয়ন, জীৱিকা সৃষ্টিকাৰী কাম-কাজ, আৰু দুৰ্যোগ প্ৰশমনৰ সৈতে জড়িত

## আইনখনৰ উল্লেখযোগ্য দিশসমূহঃ

- গ্ৰাম্য পৰিয়ালৰ বাবে বছৰি মজুৰি নিয়োগৰ নিশ্চয়তা এমজিএনৰেগাৰ অধীনত বছৰি ১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে।
- বীজ সিঁচা আৰু চপোৱাৰ বতৰত কাম-কাজৰ বাবে কৃষি শ্ৰমৰ উপলব্ধতাৰ সুবিধাৰ বাবে এই আইনখনে ৰাজ্যসমূহক বিত্তীয় বৰ্ষত ৬০ দিন পৰ্যন্ত বিৰতিৰ সময়সীমা প্ৰদান কৰাৰ ক্ষমতা প্ৰদান কৰে। ১২৫ দিনৰ নিয়োগৰ মুঠ প্ৰাপ্যতা অপৰিৱৰ্তিত থাকিব।
- এই আইনৰ অধীনত প্ৰণয়ন কৰা আঁচনিৰ সাৰাংশ ৰাজ্যসমূহে দুখন বাতৰিকাকতত প্ৰকাশ কৰিব। ইয়াৰ উপৰিও ইয়াত চৰ্ত আৰু নিয়মসমূহ নিৰ্দিষ্ট কৰা হ'ব।
- এই আইনৰ অধীনত কেন্দ্ৰীয় চৰকাৰে নতুন মজুৰি অধিসূচনা নকৰালৈকে মজুৰি মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইন, ২০০৫ৰ অধীনত অধিসূচনা কৰা বৰ্তমানৰ মজুৰিতকৈ কম নহ'ব।
- যদিহে ১৫ দিনৰ ভিতৰত ইয়াৰ বাবে আৱেদন কৰা সকলক নিয়োগ প্ৰদান কৰা নহয়, তেন্তে তেওঁলোকে দৈনিক নিবনুৱা ভাট্টা লাভৰ অধিকাৰী হ'ব। এই ভাট্টা ৰাজ্য চৰকাৰে অৱগত কৰিব, কিন্তু প্ৰথম ৩০ দিনৰ বাবে মজুৰিৰ হাৰৰ ১/৪ তকৈ কম নহ'ব। বিত্তীয় বৰ্ষৰ বাকী সময়ছোৱাৰ বাবে ই মজুৰিৰ হাৰৰ আধাতকৈ কম নহ'ব।
- দৈনিক মজুৰি সাপ্তাহিক ভিত্তিত প্ৰদান কৰা হ'ব, আৰু কোনো কাৰণতে কাম কৰা দিনৰ পৰা ১৫ দিনৰ অধিক ধন পৰিশোধ কৰাত পলম নহ'ব।
- এই আইনৰ অধীনত গ্ৰহণ কৰা সকলো কাম গ্ৰামসভাই নিৰীক্ষণ কৰিব। গ্ৰাম পঞ্চায়তে সকলো প্ৰয়োজনীয় নথি-পত্ৰ প্ৰদান কৰিব।
- এই আইনৰ অধীনত কামৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ব্যয়ৰ অনুপাত উত্তৰ-পূবৰ ৰাজ্য, হিমালয় ৰাজ্য, আৰু কেন্দ্ৰীয় শাসিত অঞ্চল - উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, আৰু জম্মু-কাশ্মীৰৰ বাবে ৯০:১০ আৰু বিধায়িনী দল থকা ৰাজ্য আৰু অন্যান্য ৰাজ্যৰ বাবে ৬০:৪০ হ'ব।
- নিৰীক্ষণৰ বাবে বায়'মেট্ৰিক প্ৰমাণীকৰণ, জিঅ'-ৰেফাৰেন্সিং, উপগ্ৰহৰ চিত্ৰকল্প, আৰু কামৰ ডিজিটেল মেপিং ব্যৱহাৰ কৰা হ'ব। ডেচব'ৰ্ড ভিত্তিক নিৰীক্ষণ ব্যৱস্থাৰ সৈতে এটা মোবাইল এপ ব্যৱহাৰ কৰি চাহিদা, কাম, শ্ৰমিক নিয়োগ, আৰু অগ্ৰগতি বাস্তৱ সময়ত অনুসৰণ কৰা হ'ব।
- ব্লক আৰু জিলা পৰ্যায়ত অভিযোগ নিৰাময়ৰ ব্যৱস্থা গঢ়ি তোলা হ'ব, আৰু কেন্দ্ৰীয় চৰকাৰে এনে অভিযোগ নিষ্পত্তিৰ প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰিব।
- এই আইন উলংঘা কৰিলে ১০,০০০ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব পাৰে।



“ বাপুৱে নিজেই ৰাম ৰাজ্যৰ কথা কৈছিল। ভগৱান ৰামৰ সান্নিধ্যত এই দেশৰ অনুৰণন ঘটে। কিয় জানো ভগৱান ৰামৰ নাম আহিলেই একাংশ লোক আন্দোলন কৰে। মহাত্মা গান্ধীয়ে নিজেই ৰাম ৰাজ্য প্ৰতিষ্ঠাৰ কথা কৈছিল; তেওঁৰ শেষৰ কথাবোৰ আছিল “হে ৰাম”। বাপুৰ প্ৰতি আমাৰ পৰম শ্ৰদ্ধা আছে।

**শিৱৰাজ সিং চৌহান**
কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী

প্ৰকল্পসমূহ গ্ৰহণ কৰা হ'ব। আন এটা বিশেষ ব্যৱস্থা কৰা হৈছে: প্ৰশাসনিক ব্যয় ৬%ৰ পৰা ৯%লৈ বৃদ্ধি কৰা হৈছে। প্ৰস্তাৱিত ১,৫১,২৮২ কোটি টকাৰ ৯% হিচাপ কৰিলে প্ৰায় ১৩,০০০ কোটি টকা হয়। এই ধনৰাশিৰে কাম ৰূপায়ণৰ লগত জড়িত সহকৰ্মীসকলে - পঞ্চায়ত সচিব, নিয়োগ সহায়ক, আৰু কাৰিকৰী কৰ্মচাৰীকে ধৰি - সময়মতে আৰু পৰ্যাপ্ত দৰমহা লাভ কৰিব যাতে তেওঁলোকে নিজৰ সম্পূৰ্ণ সম্ভাৱনাৰে কাম কৰিব পাৰে।

### নতুন বিধিগত কাঠামোৰ ন্যায্যতা

উল্লেখযোগ্য আৰ্থ-সামাজিক পৰিৱৰ্তনৰ বাবে সংস্কাৰৰ নিৰন্তৰ প্ৰয়োজন। ২০০৫ চনত এমজিএনৰেগা কাৰ্যকৰী কৰা হৈছিল যদিও ভাৰতৰ গ্ৰাম্য অঞ্চলত এতিয়া ৰূপান্তৰ ঘটিছে। দৰিদ্ৰতাৰ মাত্ৰা ২০১১-১২ চনত ২৭.ৰ শতাংশৰ পৰা ২০২২-২৩ চনত ৫.৩ শতাংশলৈ হ্ৰাস পাইছে, যাৰ ফলত খৰচবৃদ্ধি, উন্নত বিত্তীয়



# সংসদৰ শীতকালীন অধিৱেশন

## লোকসভা ঃ ১১১% উৎপাদনশীলতা; ৰাজ্যসভা ঃ ১২১% উৎপাদনশীলতা

*সংসদৰ শীতকালীন অধিৱেশনত ১৫খন বৈঠক অনুষ্ঠিত হয়। সম্পন্ন হোৱা কামে লোকসভা আৰু ৰাজ্যসভা উভয়ৰে নিৰ্ধাৰিত কাৰ্যসূচী অতিক্ৰম কৰিলে, পৰিকল্পিত কামৰ ১১১% লোকসভাত আৰু ১২১% ৰাজ্যসভাত সম্পূৰ্ণ হ'ল। অধিৱেশনৰ সময়ত ভিবি-জি ৰাম জি বিধেয়কক ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰি গৃহীত কৰা হয়। "বন্দে মাতৰম" ৰাষ্ট্ৰীয় গীতৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে সংসদৰ দুয়োখন সদনত এক বিশেষ আলোচনাও অনুষ্ঠিত হয়।*

কিছু বিঘিনি ঘটিলেও শীতকালীন অধিৱেশনৰ সময়ত ৰাজ্যসভা আৰু লোকসভা দুয়োখনেই উৎপাদনশীল আলোচনাৰ সাক্ষী হৈ পৰে। চৰকাৰে কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰিছিল, ইয়াৰে বহু বিধেয়ক গৃহীত হৈছিল। লোকসভাত দহখন বিধেয়ক উত্থাপন কৰা হয়, ইয়াৰে আঠখন বিধেয়ক গৃহীত হোৱাৰ বিপৰীতে ৰাজ্যসভাতো আঠখন বিধেয়ক গৃহীত হয়। এইদৰে সংসদৰ দুয়োটা সদনে মুঠ আঠখন বিধেয়ক গৃহীত কৰে। অধিৱেশনৰ সময়ত লোকসভাত মুঠ বহাৰ সময় আছিল ৯২ ঘণ্টা ২৫ মিনিট। লোকসভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বন্দে মাতৰাম সন্দৰ্ভত আলোচনাৰ সূচনা কৰিছিল, য'ত ৬৫জন সদস্যই অংশগ্ৰহণ কৰিছিল আৰু সদনৰৰ ঘণ্টা ৩২ মিনিট বহিছিল। ৰাজ্যসভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই আলোচনাৰ আৰম্ভণি কৰে, য'ত ৮১জন সদস্যই অংশগ্ৰহণ কৰে। এই আলোচনা মুঠ ১২ ঘণ্টা ৪৯ মিনিট ধৰি চলিছিল।

ইয়াৰ উপৰিও ৯ আৰু ১০ ডিচেম্বৰত লোকসভাত আৰু ১১, ১৫, ১৬ ডিচেম্বৰ, ২০২৫ত ৰাজ্যসভাত নিৰ্বাচনী সংস্কাৰৰ আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লোকসভাত আলোচনাৰ সামৰণি মাৰে। লোকসভাত আলোচনাত ৬২জন সদস্যই অংশগ্ৰহণ কৰাৰ বিপৰীতে ৰাজ্যসভাত ৫৭জন সদস্যই অংশগ্ৰহণ কৰে। লোকসভাত এই আলোচনা মুঠ ১০ ঘণ্টা ৩৭ মিনিট ধৰি চলিছিল।

### দুয়োখন সদনে গৃহীত কৰা বিধেয়ক



- ✓ মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ (দ্বিতীয় সংশোধনী) বিধেয়ক, ২০২৫
- ✓ কেন্দ্ৰীয় আবকাৰী (সংশোধনী) বিধেয়ক, ২০২৫
- ✓ স্বাস্থ্য সুৰক্ষা চে ৰাষ্ট্ৰীয় নিৰাপত্তা চেছ বিল, ২০২৫
- ✓ ব্যয় (নং ৪) বিধেয়ক, ২০২৫
- ✓ বাতিল আৰু সংশোধনী বিধেয়ক, ২০২৫
- ✓ সবকা বীমা সবকী ৰক্ষা (বীমা আইন সংশোধনী) বিধেয়ক, ২০২৫
- ✓ ভাৰত ৰূপান্তৰৰ বাবে পাৰমাণৱিক শক্তিৰ বহনক্ষম ব্যৱহাৰ আৰু উন্নতি বিল, ২০২৫
- ✓ বিকশিত ভাৰত - ৰোজগাৰ আৰু অজীৱিকা মিছনৰ নিশ্চয়তা (গ্ৰামীণ): ভিবি - জি ৰাম জি বিধেয়ক, ২০২৫

অন্তৰ্ভুক্তি, আৰু কল্যাণমূলক কভাৰেজ সম্প্ৰসাৰিত হৈছে।

গ্ৰাম্য জীৱিকা অধিক বৈচিত্ৰ্যপূৰ্ণ আৰু ডিজিটেলভাৱে সংযুক্ত হোৱাৰ লগে লগে এমজিএনৰেগাৰ বহল আৰু চাহিদাচালিত গাঁথনিৰ আজিৰ গাঁওসমূহৰ বাস্তৱতাৰ সৈতে সম্পূৰ্ণৰূপে মিল নাথাকে। বিকশিত ভাৰত-জি ৰাম জিয়ে এই প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব।

এগৰাকী ছোৱালীৰ জন্ম উদযাপন কৰা উচিত

# ক্ষমতাশালী কন্যা
## এখন সমৃদ্ধিশালী আৰু বিকশিত ভাৰত



কন্যাই নীতি-নিয়ম আৰু সমাজ গঢ় দিয়াত, আৰু অৰ্থনৈতিক উন্নয়নক লালন-পালন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। ২২ জানুৱাৰীত হ্ৰাস পোৱা শিশু লিংগ অনুপাতক মোকাবিলা কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা 'বেটি বচাও বেটি পঢ়াও' আঁচনিখনে দ্বাদশ বছৰত ভৰি দিছে। ২৪ জানুৱাৰীত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদযাপন কৰা হৈছে, যি কন্যাই পুষ্টি, শিক্ষা, সন্মান লাভ কৰিলে ৰাষ্ট্ৰখন শক্তিশালী হৈ উঠে, তাৰ সোঁৱৰণী হিচাপে কাম কৰে। কেনেদৰে কেন্দ্ৰীয় চৰকাৰৰ প্ৰচেষ্টাই ছোৱালী আৰু মহিলাৰ সমগ্ৰ জীৱনচক্ৰত সুৰক্ষা, নিৰাপত্তা, আৰু সবলীকৰণক প্ৰসাৰিত কৰিছে... জানো আহক

হাৰিয়ানাৰ জিন্দৰ পৰা ২০১৫ চনৰ ২২ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশতে শিশুৰ লিংগ অনুপাত হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি বেটি বাচাও, বেটি পঢ়াও আঁচনি আৰম্ভ কৰিছিল আৰু গোটেই জীৱনচক্ৰত ছোৱালী আৰু মহিলাৰ সবলীকৰণক প্ৰসাৰিত কৰিছিল।

পঞ্চদশ বিত্ত আয়োগে মিছন শক্তিৰ অধীনত এই আঁচনিখন বহুখণ্ডীয় কাম-কাজৰ জৰিয়তে সকলো জিলাকে সামৰি লোৱাৰ লগতে তৃণমূল পৰ্যায়ত প্ৰভাৱ পেলোৱা কাম-কাজত অধিক ধন আবণ্টন দিয়াৰ বাবে সম্প্ৰসাৰণ কৰে। প্ৰতিগৰাকী ছোৱালীৰ জন্ম, নিৰাপত্তা, পঢ়া-শুনা, সপোন দেখা, নেতৃত্ব দিয়াৰ অধিকাৰ সুদৃঢ় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে বেটি বচাও, বেটি পঢ়াও, সুকন্যা সমৃদ্ধি একাউণ্ট, মাতৃ বন্দনা যোজনা, পিএম মুদ্ৰা যোজনা, ষ্টেণ্ড আপ ইণ্ডিয়া, পিএম আৱাস যোজনাকে ধৰি বিভিন্ন আঁচনিত মহিলাক অগ্ৰাধিকাৰ দিছে। তদুপৰি এক বিকশিত ভাৰতত নাৰী নেতৃত্বাধীন উন্নয়নৰ ওপৰত ৰাষ্ট্ৰখনে গুৰুত্ব আৰোপ কৰিছে। এই কাৰণেই জন্মৰ সময়ত লিংগ অনুপাত ক্ৰমাগতভাৱে বৃদ্ধি পাইছে।

### বেটি বাচাও, বেটি পঢ়াওৰ জৰিয়তে আচৰণৰ পৰিৱৰ্তন

নীতি আয়োগে ২০১৯ চনৰ পৰা ২০২৪ চনলৈ বিত্তীয় বৰ্ষৰ বাবে মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ আঁচনিসমূহৰ মূল্যায়ন কৰিছে। এই অধ্যয়নত দেখা গৈছে যে বেটি বাচাও, বেটি পঢ়াও (বিবিবিপি) আৰু ৱান ষ্টপ চেণ্টাৰ (অ'এছচি) কাৰ্যসূচীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিবিবিপিৰ (বেটি বাচাও বেটি পঢ়াও) জৰিয়তে আচৰণৰ পৰিৱৰ্তনক প্ৰসাৰিত কৰি এই পদক্ষেপে সমগ্ৰ দেশৰ মহিলাসকলৰ সুৰক্ষা আৰু সবলীকৰণ শক্তিশালী কৰে।

বেটি বাচাও বেটি পঢ়াও আঁচনিৰ জৰিয়তে দেশৰ ছোৱালীৰ



## প্ৰগতি

- স্বাস্থ্য ব্যৱস্থাপনা তথ্য ব্যৱস্থাৰ তথ্য অনুসৰি ২০১৪-১৫ চনত প্ৰতিষ্ঠানিক প্ৰসৱৰ পৰিমাণ আছিল ৬১ শতাংশ, যিটো ২০২৩-২৪ চনত ৯৭.৩% লৈ বৃদ্ধি পাইছে। প্ৰসৱৰ পূৰ্বে প্ৰথম ত্ৰৈমাসিকৰ যত্নৰ পঞ্জীয়নো ৬১%ৰ পৰা ৮০.৫%লৈ বৃদ্ধি পাইছে।
- জন্মৰ সময়ত লিংগ অনুপাত ২০১৪-১৫ চনত ৯১৮ আছিল, ২০২৩-২৪ চনত ৯৩০ লৈ বৃদ্ধি পাইছে।
- ১৮৭৬ চনত প্ৰথম ৰাষ্ট্ৰীয় লোকপিয়লৰ পিছত প্ৰথমবাৰৰ বাবে প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ-৫ত প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে ১০২০ গৰাকী মহিলাৰ পঞ্জীয়ন কৰা হৈছে।
- ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ প্ৰতিবেদন-৫ত উল্লেখ কৰা হৈছে যে ১৮ বছৰ বয়সৰ আগতে বিয়া হোৱা কন্যাৰ সংখ্যা এতিয়া এনএফএইচএছ-৩ৰ তুলনাত আধাৰৈ হ্ৰাস পাইছে।

## কন্যা সন্তানৰ প্ৰচাৰৰ পদক্ষেপ

- ২০২৪-২৫ চনত মুঠ নামভৰ্তি অনুপাতৰ বাবে লিংগ সমতা সূচকাংক মূল পৰ্যায়, প্ৰস্তুতিমূলক পৰ্যায়, আৰু মধ্যম পৰ্যায়ৰ বাবে ১.০ হোৱাৰ বিপৰীতে মাধ্যমিক পৰ্যায়ৰ বাবে ১.১ হৈছে।
- ৯৭.১% বিদ্যালয়ত পৃথক শৌচাগাৰৰ ব্যৱস্থা কৰা হৈছে, আৰু ৯৯.৩% বিদ্যালয়ত খোৱাপানীৰ সুবিধা উপলব্ধ। বিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নতিৰ ফলত ছোৱালীৰ নামভৰ্তিৰ হাৰ উন্নত হৈছে আৰু বিদ্যালয় এৰি দিয়াৰ হাৰ হ্ৰাস পাইছে।
- ২০১৪ চনৰ পৰা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত কাৰিকৰী শিক্ষাৰ মহিলাৰ সংখ্যা দুগুণলৈ বৃদ্ধি পাইছে।
- কেন্দ্ৰীয় চৰকাৰৰ প্ৰি-মেট্ৰিক, প'ষ্ট মেট্ৰিক, আৰু মেৰিট-কম-মিনছ ভিত্তিক বৃত্তিত ৩০% বৃত্তি কন্যা ছাত্ৰীৰ বাবে সংৰক্ষিত।
- প্ৰধানমন্ত্ৰীৰ উচ্চ শিক্ষা প্ৰসাৰ আঁচনি (পিএম-ইউএছপি)ত ৫০% বৃত্তিৰ স্লট কন্যা ছাত্ৰীৰ বাবে সংৰক্ষিত।
- খেলো ইণ্ডিয়া আঁচনিৰ অধীনত 'মহিলাৰ বাবে ক্ৰীড়া' লীগ আৰম্ভ কৰা হয়। ২৯টা ক্ৰীড়া শাখাত ১.৩৯ লাখ অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰে।
- ভাৰতীয় ক্ৰীড়া কৰ্তৃপক্ষই মহিলা খেলুৱৈৰ প্ৰশিক্ষণৰ বাবে বিশেষভাৱে হিমাচল প্ৰদেশ, পঞ্জাৱ, কেৰালা আৰু অসমত ৪টা ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছে।

## কৃতিত্ব

- কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষত লিংগ সমতাৰ বাবে ৪.৪৯ লাখ কোটি টকাৰ বাজেট আবণ্টন দিছে, যিটো মুঠ বাজেটৰ ৮.৮৬%।
- এনডিএ আৰু সৈনিক বিদ্যালয়ত ছোৱালীৰ নামভৰ্তি আৰম্ভ হৈছে।
- নাৰী শক্তি বন্দন আইন, ২০২৩য়ে লোকসভা আৰু ৰাজ্যিক বিধানসভাৰ ৩৩% আসন সংৰক্ষণ কৰি মহিলাৰ ৰাজনৈতিক সবলীকৰণৰ এক ঐতিহাসিক পদক্ষেপ হিচাপে চিহ্নিত কৰিছে।
- ২০২৫ চনৰ আগষ্ট পৰ্যন্ত খোলা হৈছে ৪.৩১ কোটি সুকন্যা সমৃদ্ধি একাউণ্ট।
- উজ্জ্বলা যোজনাৰ অধীনত মহিলাৰ নামত ১০.৩ কোটি গেছ সংযোগৰ ব্যৱস্থা কৰা হৈছে।
- ১০ কোটি মহিলাক সবলীকৰণ কৰা প্ৰায় ৯০ লাখ আত্মসহায়ক গোটে গ্ৰাম্য আত্মনিয়োগক ৰূপান্তৰিত কৰিছে, আনহাতে পিএম আৱাস যোজনাৰ অধীনত ৩ কোটিতকৈ অধিক ঘৰ মহিলাৰ নামত পঞ্জীয়ন কৰা হৈছে- সমগ্ৰ ভাৰতত মহিলা নেতৃত্বাধীন উন্নয়নক শক্তিশালী কৰি তুলিছে।
- ৩৫.৪০ কোটি পিএম মুদ্ৰা ঋণ মহিলাক দিয়া হৈছে, যিটো মুঠ ঋণৰ প্ৰায় ৬৮ শতাংশ।
- ২.২১ কোটি মহিলাৰ মালিকানাধীন এমএছএমই পঞ্জীয়ন কৰা হৈছে।
- ভাৰতৰ ২.০৫ লাখ স্বীকৃতিপ্ৰাপ্ত ষ্টাৰ্টআপৰ ৪৮%ত কমেও এগৰাকী মহিলা পৰিচালক আছে।
- ভাৰতৰ প্ৰায় ২৫% মহাকাশ বিজ্ঞানী মহিলা।

"

আমাৰ চৰকাৰে আৰম্ভ কৰা প্ৰতিটো উন্নয়নমূলক পদক্ষেপতে আমি ছোৱালীক সবলীকৰণ আৰু মহিলা শক্তি সবল কৰাত সৰ্বোচ্চ অগ্ৰাধিকাৰ দিওঁ। আমাৰ গুৰুত্ব ছোৱালীৰ প্ৰতি সন্মান আৰু সুযোগ নিশ্চিত কৰাত।

**নৰেন্দ্ৰ মোদী,** *প্ৰধানমন্ত্ৰী*

জীৱন উন্নতি হৈছে। ই জন্মৰ সময়ত লিংগ অনুপাত উন্নত কৰাত সহায় কৰিছে, শিক্ষাৰ সুবিধা বৃদ্ধি কৰিছে, স্বাস্থ্যসেৱা সম্প্ৰসাৰণ কৰিছে, আৰু মহিলাৰ অৰ্থনৈতিক সবলীকৰণক প্ৰসাৰিত কৰিছে। চৰকাৰৰ এই দায়বদ্ধতাৰ ফলত কেৱল চৰকাৰী পৰ্যায়তে নহয়, বেচৰকাৰী পৰ্যায়তো ছোৱালীৰ প্ৰতি মানসিকতাৰ পৰিৱৰ্তন ঘটিছে। প্ৰতিগৰাকী কন্যা সন্তানক মূল্যৱান আৰু সুৰক্ষা প্ৰদানৰ বাবে দেশত এক সুদৃঢ় ভেটি স্থাপন কৰা হৈছে। এই আঁচনিখনে এতিয়া দ্বাদশ বছৰত ভৰি দিছে, যাৰ ফলত দেশত লিংগ সমতা আৰু সবলীকৰণৰ দিশত অবিৰত অগ্ৰগতি নিশ্চিত হ'ব।

পৰম্পৰাগত চিকিৎসা ব্যৱস্থা

# গুৰুতৰ স্বাস্থ্য প্ৰত্যাহ্বানসমূহৰ সমাধান




পৰম্পৰাগত চিকিৎসা হৈছে বিশ্বৰ অন্যতম পুৰণি সামগ্ৰিক স্বাস্থ্যসেৱা ব্যৱস্থা। বিশ্ব স্বাস্থ্য সংস্থাৰ ১৭০খন দেশত পৰম্পৰাগত, পৰিপূৰক আৰু সংহত চিকিৎসা (টিচিআইএম) ব্যৱহাৰ কৰা হয়। ভাৰত, চীন, জাপান আদি দেশত পৰম্পৰাগত চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে, আনহাতে আফ্ৰিকা আৰু আমেৰিকাতো ইয়াৰ ব্যাপক ব্যৱহাৰ কৰা হয়। ভাৰতত ১৭ ডিচেম্বৰৰ পৰা ১৯ ডিচেম্বৰলৈ বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বিতীয়খন পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ গোলকীয় শীৰ্ষ সন্মিলনৰ আয়োজন কৰা হৈছিল, য'ত গুৰুতৰ স্বাস্থ্যজনিত প্ৰত্যাহ্বানসমূহৰ সমাধান হিচাপে পৰম্পৰাগত চিকিৎসা ব্যৱস্থাৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছিল। সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষণ আগবঢ়ায়...

ভাৰত চৰকাৰৰ আয়ুষ মন্ত্ৰালয় আৰু বিশ্ব স্বাস্থ্য সংস্থা-ই যৌথভাৱে আয়োজন কৰা এই সন্মিলনখন নতুন দিল্লীৰ ভাৰত মণ্ডপম-ত "ভাৰসাম্য পুনৰুদ্ধাৰ: স্বাস্থ্য আৰু সুস্থতাৰ বিজ্ঞান তথা অনুশীলন" শীৰ্ষক বিষয়ত অনুষ্ঠিত হৈছিল। এই শীৰ্ষ সন্মিলনখন ভাৰতত একেৰাহে দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত হৈছিল, যিটো হৈছে বিশ্বজোৰা, বিজ্ঞানভিত্তিক আৰু জনকেন্দ্ৰিক পৰম্পৰাগত চিকিৎসাৰ কাৰ্যক্ৰম গঢ় দিয়াৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ ক্ৰমবৰ্ধমান নেতৃত্ব আৰু অগ্ৰণী প্ৰচেষ্টাৰ প্ৰমাণ, আৰু প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতিশ্ৰুতিৰ প্ৰতীক। পৰম্পৰাগত চিকিৎসাই সুস্থতা আৰু জীৱনশৈলীৰ বাহিৰলৈ গৈ গুৰুতৰ স্বাস্থ্যজনিত প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰে। তিনিদিনীয়া শীৰ্ষ সন্মিলনখনত 'গুজৰাট ঘোষণাপত্ৰ' গ্ৰহণ কৰা হয়, যিয়ে প্ৰমাণভিত্তিক 'টিচিআইএম'ৰ প্ৰতি বিশ্বজোৰা দায়বদ্ধতাক পুনৰ দৃঢ় কৰে, উন্নত তথ্য তথা নিয়ন্ত্ৰণ কাঠামো স্থাপনৰ আহ্বান জনায় আৰু সামগ্ৰিক, সাংস্কৃতিকভাৱে প্ৰোথিত, বৈজ্ঞানিকভাৱে সংহত বিশ্ব স্বাস্থ্য কাৰ্যক্ৰম গঢ় দিয়াৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বক স্বীকাৰ কৰে।

জামনগৰত 'বিশ্ব স্বাস্থ্য সংস্থাৰ পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ গোলকীয় কেন্দ্ৰ' প্ৰতিষ্ঠা কৰা বাবে প্ৰধানমন্ত্ৰী গৌৰৱবোধ কৰে। মোদীয়ে কয় যে এই



*ভাৰতত ৩,৮৪৪খন আয়ুষ চিকিৎসালয়, ৩৬,৮৪৮খন ঔষধৰ দোকান, ৮৮৬খন স্নাতক আৰু ২৫১খন স্নাতকোত্তৰ মহাবিদ্যালয় তথা ৭.৫ লাখতকৈয়ো অধিক পঞ্জীয়নভুক্ত চিকিৎসক আছে। ভাৰত চৰকাৰে ২০১৪ চনত ৰাষ্ট্ৰীয় আয়ুষ অভিযান আৰম্ভ কৰিছিল, যাৰ লক্ষ্য হৈছে সমগ্ৰ দেশতে আয়ুষ সেৱাৰ উপলব্ধতা শক্তিশালী কৰা।*

### প্ৰধানমন্ত্ৰী মোদীয়ে আয়ুষৰ কেবাটাও পদক্ষেপ আৰম্ভ কৰে:

- তেওঁ আয়ুষ খণ্ডৰ বাবে এটা প্ৰধান ডিজিটেল পোৰ্টেল মাই আয়ুষ ইণ্টেগ্ৰেটেড চাৰ্ভিছে পোৰ্টেল মুকলি কৰে। ই হৈছে পৰম্পৰাগত, পৰিপূৰক আৰু সংহত চিকিৎসা বিজ্ঞানৰ বিশ্বৰ আটাইতকৈ বিস্তৃত ডিজিটেল ভঁৰাল, য'ত ১৫ লাখতকৈয়ো অধিক তথ্য মজুত আছে।
- তেওঁ আয়ুষ চিহ্নও উন্মোচন কৰে। ইয়াক আয়ুষৰ সামগ্ৰী আৰু সেৱাৰ মান চিহ্নিত কৰাৰ বাবে এক গোলকীয় মান হিচাপে গ্ৰহণ কৰা হৈছে। যোগ প্ৰশিক্ষণ সন্দৰ্ভত বিশ্ব স্বাস্থ্য সংস্থাৰ এখন কাৰিকৰী প্ৰতিবেদন তথা গ্ৰন্থ প্ৰকাশ পাইছে, যাৰ শিৰোনাম হৈছে "ফ্ৰম ৰুটছ টু গ্লোবেল ৰিছ: ইলেভেন ইয়েৰ্ছ অব ট্ৰেন্সফৰ্মেছন ইন আয়ুষ"।
- ভাৰতৰ পৰম্পৰাগত ঔষধি ঐতিহ্যৰ বিশ্বজোৰা অনুৰণনৰ প্ৰতীক হিচাপে অশ্বগন্ধাৰ স্মাৰক ডাক টিকট এটাও মুকলি কৰা হয়।
- দিল্লীত বিশ্ব স্বাস্থ্য সংস্থা-দক্ষিণ-পূব এছিয়াৰ নতুন আঞ্চলিক কাৰ্যালয়ো উদ্বোধন কৰা হয়, য'ত বিশ্ব স্বাস্থ্য সংস্থা-ভাৰতৰ কাৰ্যালয়ো থাকিব।
- ২০২১-২০২৫ বৰ্ষত যোগৰ প্ৰসাৰ আৰু বিকাশৰ বাবে প্ৰধানমন্ত্ৰীৰ বঁটা বিজয়ীসকলক সম্বৰ্ধনা জনোৱা হয়।
- প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু বিশ্বৰ পৰম্পৰাগত চিকিৎসা জ্ঞান ব্যৱস্থাৰ বৈচিত্ৰ্য, গভীৰতা আৰু সমসাময়িক প্ৰাসংগিকতা প্ৰদৰ্শন কৰা 'পৰম্পৰাগত চিকিৎসা আৱিষ্কাৰ স্থান' বিষয়ক প্ৰদৰ্শনীও পৰিদৰ্শন কৰে।

> পৰম্পৰাগত চিকিৎসাৰ বিশ্বজোৰা গ্ৰন্থাগাৰ হিচাপে এক গোলকীয় মঞ্চ মুকলি কৰা হয়, য'ত পৰম্পৰাগত চিকিৎসাৰ সৈতে জড়িত বৈজ্ঞানিক তথ্য আৰু নীতিগত নথিসমূহ একে ঠাইতে সুৰক্ষিতভাৱে সংৰক্ষণ কৰা হ'ব। উপযোগী তথ্য প্ৰতিখন দেশৰ বাবে সমানে সুলভ হ'ব। এই পুথিভঁৰালটোৰ কথা ভাৰতৰ জি-২০ সভাপতিত্বৰ সময়ত বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰথমখন গোলকীয় শীৰ্ষ সন্মিলনত ঘোষণা কৰা হৈছিল। এই সংকল্প এতিয়া বাস্তৱত পৰিণত হৈছে।
>
> নৰেন্দ্ৰ মোদী, *প্ৰধানমন্ত্ৰী*


*প্ৰধানমন্ত্ৰীৰ লেখাটো পঢ়িবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

### বিশ্ব স্বাস্থ্য সংস্থাৰ দিল্লী ঘোষণাপত্ৰ

পৰম্পৰাগত চিকিৎসা সম্পৰ্কীয় বিশ্ব স্বাস্থ্য সংস্থাৰ দিল্লী ঘোষণাপত্ৰ প্ৰকাশ কৰা হয়। "দিল্লী ঘোষণাপত্ৰ"ত পৰম্পৰাগত চিকিৎসাৰ ব্যাপকতা, ইয়াৰ শক্তিশালী প্ৰমাণৰ ভিত্তি, উদ্ভাৱন তথা স্বাস্থ্যজনিত প্ৰত্যাহ্বানসমূহৰ নতুন সমাধান প্ৰদানৰ সম্ভাৱনা সন্দৰ্ভতো আলোকপাত কৰা হয়। ইয়াত মূলতঃ চাৰিটা ক্ষেত্ৰৰ সৈতে জড়িত সমাধানত গুৰুত্ব আৰোপ কৰা হৈছে:

- প্ৰমাণভিত্তিক জ্ঞান শক্তিশালী কৰা।
- সুৰক্ষা, গুণগত মান আৰু জনসাধাৰণৰ আস্থা বৃদ্ধি কৰা।
- নিৰাপদ আৰু ফলপ্ৰসূ পৰম্পৰাগত চিকিৎসাৰ সংহতি।
- উদ্ভাৱন আৰু ডিজিটেল প্ৰযুক্তিৰ দায়িত্বশীল ব্যৱহাৰ।

সন্মিলনত পৰম্পৰাগত জ্ঞান আৰু আধুনিক পদ্ধতিৰ সংগম ঘটিছে। চিকিৎসা বিজ্ঞান আৰু সামগ্ৰিক স্বাস্থ্যৰ ভৱিষ্যতক ৰূপান্তৰিত কৰিব পৰা কেইবাটাও নতুন পদক্ষেপ আৰম্ভ কৰা হৈছে। যেতিয়া পৰম্পৰা আৰু প্ৰযুক্তি একত্ৰিত হয়, তেতিয়া বিশ্ব স্বাস্থ্যক অধিক ফলপ্ৰসূ কৰাৰ সম্ভাৱনা যথেষ্ট বৃদ্ধি পায়। গতিকে বিশ্বৰ দৃষ্টিকোণৰ পৰা এই সন্মিলনৰ সফলতা অতিকে গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰী মোদীয়ে স্পষ্ট কৰি দিয়ে যে একবিংশ শতিকাত জীৱনত ভাৰসাম্য ৰক্ষাৰ প্ৰত্যাহ্বান আৰু অধিক হ'ব। প্ৰযুক্তিৰ নতুন যুগৰ আগমনে, এআই আৰু ৰব'টিক্সৰ ৰূপত মানৱ ইতিহাসৰ আটাইতকৈ ডাঙৰ পৰিৱৰ্তনে অনাগত বছৰবোৰত আমাৰ জীৱন-ধাৰণৰ পদ্ধতি অভূতপূৰ্বভাৱে সলনি কৰিব। গতিকে আমি এয়াও মনত ৰাখিব লাগিব যে জীৱনশৈলীৰ এনে আকস্মিক আৰু ব্যাপক পৰিৱৰ্তন, কষ্ট নোহোৱাকৈ সম্পদ আৰু সুবিধা লাভৰ সহজতাই মানৱ শৰীৰৰ বাবে অভাৱনীয় প্ৰত্যাহ্বানৰ সৃষ্টি কৰিবলৈ গৈ আছে। গতিকে পৰম্পৰাগত চিকিৎসা বিজ্ঞানত আমি কেৱল বৰ্তমানৰ প্ৰয়োজনীয়তাসমূহত গুৰুত্ব দিয়া উচিত নহয়। আমাৰ দায়িত্ব ভৱিষ্যতলৈও বিস্তৃত। ভাৰসাম্য পুনৰুদ্ধাৰ কৰাটো এতিয়া কেৱল বিশ্বজোৰা উদ্দেশ্যই নহয়, বৰঞ্চ বিশ্বজোৰা প্ৰয়োজনীয়তাও। ইয়াক লাভ কৰিবলৈ আমি অধিক ক্ষিপ্ৰতাৰে সুনিৰ্দিষ্ট পদক্ষেপ গ্ৰহণ কৰিব লাগিব।




# অসম আৰু উত্তৰ-পূব

# ভাৰতৰ উন্নয়নৰ নতুন দুৱাৰমুখ

অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আজি ভাৰতৰ উন্নয়নৰ নতুন দুৱাৰমুখ হৈ উঠিছে। বহুক্ষেত্ৰীয় সংযোগৰ প্ৰতি থকা দায়বদ্ধতাই অঞ্চলটোক ৰূপান্তৰিত কৰিছে। অসমৰ উন্নয়নমূলক কামৰ গতিবেগে সপোনক বাস্তৱত পৰিণত কৰিছে। ইয়াৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০ আৰু ২১ ডিচেম্বৰত অসম ভ্ৰমণ কৰিছিল। তেওঁ প্ৰায় ১৫,৬০০ কোটিটকীয়া প্ৰকল্প উদ্বোধন কৰে। উত্তৰ-পূবৰ পৰা দেশৰ ভৱিষ্যতৰ নতুন সূৰ্যোদয় হ'ব বুলিও তেওঁ মন্তব্য কৰে...

*প্ৰধানমন্ত্ৰীৰ লেখাটো পঢ়িবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

ভাৰতৰ প্ৰতি বিশ্বৰ দৃষ্টিভংগী আজি সলনি হৈছে। দেশৰ ভূমিকাও সলনি হৈছে। আধুনিক আন্তঃগাঁথনিৰ বিকাশে ইয়াত বৃহৎ ভূমিকা পালন কৰিছে। আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব আৰোপ কৰি ভাৰতে ২০৪৭ চনৰ বাবে প্ৰস্তুতি চলাইছে। দেশৰ প্ৰতিখন ৰাজ্যই যাতে একেলগে আগবাঢ়ি যাব পাৰে আৰু এক বিকশিত ভাৰতৰ অভিযানত অৰিহণা যোগাব পাৰে সেই দিশত কেন্দ্ৰীয় চৰকাৰে কাম কৰি আছে। অসমৰ গুৱাহাটীত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলে এই অভিযানৰ নেতৃত্ব দিয়া বাবে তেওঁ সুখী হৈছে।

যোৱা ১০-১১ বছৰৰ ভিতৰত দেশখনে দশক দশক ধৰি চলি অহা হিংসাত্মক ঘটনাৱলীৰ অন্ত পেলোৱাৰ দিশত আগবাঢ়িছে। অসমৰ সম্পদেৰে যাতে অসমৰ জনসাধাৰণ উপকৃত হয় সেয়া এতিয়া নিশ্চিত কৰা হৈছে। হিংসা প্ৰভাৱান্বিত জিলাসমূহ এতিয়া আকাংক্ষিত জিলা হিচাপে গঢ় লৈ উঠিছে। অনাগত সময়ত এই অঞ্চলসমূহ ঔদ্যোগিক কৰিডৰত পৰিণত হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আজি আমি দেখিবলৈ পাইছো ভাৰতৰ পূবৰ দুৱাৰ হিচাপে অসমৰ উত্থান ঘটিছে। অসম বহু খণ্ডত এক বিকশিত ভাৰতৰ ইঞ্জিন হৈ উঠিব।

এক বিকশিত ভাৰত গঢ়াত দেশৰ কৃষকসকলৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। সেয়ে কৃষকসকলৰ স্বাৰ্থক অগ্ৰাধিকাৰ প্ৰদান কৰি কেন্দ্ৰীয় চৰকাৰে দিনে নিশাই কাম কৰি আছে। কৃষি কল্যাণৰ আঁচনিসমূহৰ মাজত কৃষকসকলে সাৰৰ নিৰন্তৰ যোগান পোৱাটো অতি প্ৰয়োজনীয় কথা। অসমৰ নামৰূপত ইউৰিয়া উদ্যোগৰ আধাৰশিলা স্থাপন অনুষ্ঠানৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আগন্তুক সময়ত এই ইউৰিয়া কাৰখানাই কৃষকসকলৰ বাবে সাৰৰ নিৰন্তৰ যোগান নিশ্চিত কৰিব। এই সাৰ প্ৰকল্পৰ বাবে প্ৰায় ১১,০০০ কোটি টকা ব্যয় হ'ব। ইয়াত বছৰি ১২ লাখ মেট্ৰিক টনতকৈয়ো অধিক সাৰ উৎপাদন হ'ব। নামৰূপৰ এই গোটটোৱে হাজাৰ হাজাৰ নতুন চাকৰি আৰু স্বনিয়োজনৰ সুবিধাৰো সৃষ্টি কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজ্যবাসীক সম্বোধন কৰি কয় যে উত্তৰ-পূবে ভাৰতৰ ভৱিষ্যত উন্নয়নৰ নেতৃত্ব দিব। আমি আমাৰ সপোন বাস্তৱায়িত কৰিবলৈ একেলগে কাম কৰিব লাগিব। আমি অসমৰ উন্নয়নক প্ৰাথমিকতা প্ৰদান

## উন্নয়ন আৰু ঐতিহ্যৰ এক সংগম: গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন

প্ৰধানমন্ত্ৰী মোদীয়ে গুৱাহাটীত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰে। এই টাৰ্মিনেল ভৱনটোৱে "উন্নয়ন আৰু ঐতিহ্য"ৰ নীতিক সামৰি লৈছে।

- এই টাৰ্মিনেলটো হৈছে অসমৰ সংযোগ, অৰ্থনৈতিক সম্প্ৰসাৰণ আৰু বিশ্বজোৰা সংযোগ বৃদ্ধিৰ এক পৰিৱৰ্তনশীল পদক্ষেপ।
- ইয়াৰ বিস্তৃতি প্ৰায় ১.৪ লাখ বৰ্গমিটাৰ আৰু বছৰি ১৩ নিযুত যাত্ৰীৰ বাবে ইয়াৰ আৰ্হি প্ৰস্তুত কৰা হৈছে।
- ৰাণৱে', বিমানবন্দৰ ব্যৱস্থাপনা, এপ্ৰ'ন আৰু টেক্সিৱে'ৰ ব্যাপক উন্নীতকৰণে ইয়াৰ সামৰ্থ্য আৰু অধিক বৃদ্ধি কৰিছে।
- ভাৰতৰ প্ৰথমটো প্ৰকৃতিক বিষয়বস্তু হিচাবে লৈ গঢ় দিয়া বিমানবন্দৰ টাৰ্মিনেল, বিমানবন্দৰৰ আৰ্হি "বাঁহ অৰ্কিড" বিষয়বস্তুৰ আলমত অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যৰ পৰা প্ৰেৰণা লাভ কৰি প্ৰস্তুত কৰা হৈছে
- টাৰ্মিনেলটোত প্ৰায় ১৪০ মেট্ৰিক টন স্থানীয়ভাৱে উৎপাদিত উত্তৰ-পূবৰ বাঁহ ব্যৱহাৰ কৰা হৈছে।
- এক অনন্য আকাশীবনে বনাঞ্চলসদৃশ অভিজ্ঞতাৰে যাত্ৰীসকলক আদৰণি জনায়, য'ত প্ৰায় এক লাখ থলুৱা উদ্ভিদৰ বৈশিষ্ট্য সন্নিবিষ্ট হৈ আছে।
- এই টাৰ্মিনেলে যাত্ৰীসকলৰ সুবিধাৰ বাবে নতুন মান নিৰ্ধাৰণ কৰিছে, যেনে দ্ৰুত সুৰক্ষা সম্পৰ্কীয় পৰীক্ষাৰ বাবে সম্পূৰ্ণ-বডি স্কেনাৰ, বয়-বস্তুৰ স্বয়ংক্ৰিয় পৰিচালনা আৰু এআইচালিত বিমানবন্দৰ পৰিচালনা।






## নতুন ব্ৰাউনফিল্ড এমোনিয়া-ইউৰিয়া সাৰ প্ৰকল্পৰ ভূমিপূজন


- অসমৰ ডিব্ৰুগড় জিলাৰ নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেশ্যন লিমিটেডৰ বৰ্তমানৰ চৌহদত প্ৰধানমন্ত্ৰী মোদীয়ে নতুন ব্ৰাউনফিল্ড এমোনিয়া-ইউৰিয়া সাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।
- কৃষকৰ কল্যাণৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীক আগুৱাই নিয়াৰ বাবে এই প্ৰকল্পটোৱে আনুমানিক ১০,৬০০ কোটি টকাতকৈয়ো অধিক টকা বিনিয়োগেৰে অসম আৰু চুবুৰীয়া ৰাজ্যকেইখনৰ সাৰৰ প্ৰয়োজনীয়তা পূৰণ কৰিব।
- ইয়াৰ দ্বাৰা আমদানিৰ ক্ষেত্ৰত নিৰ্ভৰশীলতা হ্ৰাস পাব, যথেষ্ট নিয়োগৰ সুবিধা সৃষ্টি হ'ব আৰু আঞ্চলিক অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত হ'ব। ই ঔদ্যোগিক পুনৰুজ্জীৱন আৰু কৃষকৰ কল্যাণৰ মূল স্তম্ভ হিচাপে থিয় দিছে।

"

অসমৰ ভূমিৰ সৈতে মোৰ সংযোগ, ইয়াৰ জনসাধাৰণৰ মৰম আৰু চেনেহ, বিশেষকৈ অসমৰ আই আৰু ভগ্নীসকলৰ উমাল আন্তৰিকতাই মোক অহৰহ অনুপ্ৰাণিত কৰি আহিছে, লগতে ই উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে আমাৰ সংকল্প শক্তিশালী কৰি তুলিছে।

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

## শ্বহীদসকললৈ প্ৰধানমন্ত্ৰী মোদীৰ শ্ৰদ্ধাঞ্জলি



ঐতিহাসিক অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে বৰাগাঁৱৰ শ্বহীদ স্মৃতিসৌধত উপস্থিত হয় প্ৰধানমন্ত্ৰী মোদী। এয়া আছিল ছবছৰীয়া গণ আন্দোলন, যিটো আন্দোলন বিদেশীমুক্ত অসমৰ সামূহিক সংকল্প আৰু ৰাজ্যখনৰ অস্তিত্ব ৰক্ষাৰ প্ৰতীক আছিল। শ্বহীদ স্মাৰকত কটোৱা মুহূৰ্তবোৰক এক আবেগিক অভিজ্ঞতা বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আমি অসমৰ প্ৰগতি, সমৃদ্ধি, সাংস্কৃতিক গৌৰৱৰ বাবে অক্লান্তভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতিত অটল হৈ আছোঁ।

## বীজৰ পৰা বজাৰলৈকে কৃষকৰ সৈতে দৃঢ়তাৰে থিয় দিছে চৰকাৰ

- ২০১৪ চনত দেশত মাত্ৰ ২২৫ লাখ মেট্ৰিক টন ইউৰিয়াৰ উৎপাদন হৈছিল। যোৱা ৰবটা বছৰত উৎপাদন প্ৰায় ৩০৬ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে।
- কৃষকসকলে মাত্ৰ ৩০০ টকাত ইউৰিয়াৰ বেগ এটা লাভ কৰে। ভাৰত চৰকাৰে সেই এটা বেগৰ বাবে প্ৰায় ৩০০০ টকা দিয়ে।
- প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত প্ৰায় ৪ লাখ কোটি টকা কৃষকলৈ হস্তান্তৰ কৰা হৈছে।
- ২০২৫ চনত ৩৫ হাজাৰ কোটি টকাৰ দুখন নতুন আঁচনি-প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা আৰু দালহন আত্মনিৰ্ভৰতা অভিযানৰ শুভাৰম্ভ কৰা হয়।
- কিষাণ ঋণপত্ৰৰ জৰিয়তে ২০২৫ চনত কৃষকসকলে ১০ লাখ কোটিতকৈয়ো অধিক টকাৰ সাহায্য লাভ কৰে।
- পাম অইলকে ধৰি খোৱাতেল সম্পৰ্কীয় এক অভিযানো আৰম্ভ কৰা হয়, য'ত উত্তৰ-পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব দিয়া হয়।

কৰিব লাগিব। আমাৰ সামূহিক প্ৰচেষ্টাই অসমক নতুন উচ্চতালৈ লৈ যাব বুলি মোৰ বিশ্বাস। আমি এখন উন্নত ভাৰতৰ সপোন পূৰণ কৰিম।

**অসমৰ উন্নয়নৰ বাবে নতুন গতি**

ব্ৰহ্মপুত্ৰ নদৰ ওপৰত নিৰ্মাণ কৰা দলঙে অসমৰ সংযোগক নতুন শক্তি আৰু আত্মবিশ্বাস প্ৰদান কৰিছে। স্বাধীনতাৰ পিছৰ ৬-৭ দশকত তাত মাত্ৰ তিনিখন ডাঙৰ দলং নিৰ্মাণ কৰা হৈছিল। কিন্তু যোৱা দশকটোত চাৰিখন নতুন বৃহদাকাৰ দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। এইবোৰৰ বাহিৰেও কেইবাটাও ঐতিহাসিক প্ৰকল্প গঢ় লৈ উঠিছে। বগীবিল আৰু ধলা-শদিয়া আদি দীঘল দলঙে অসমক কৌশলগতভাৱে অধিক শক্তিশালী কৰি তুলিছে। ৰে'ল সংযোগৰ ক্ষেত্ৰতো এক বৈপ্লৱিক পৰিৱৰ্তন সাধন হৈছে। বগীবিল দলং আৰম্ভ হোৱাৰ ফলত উজনি অসম আৰু দেশৰ বাকী অংশৰ মাজৰ দূৰত্ব হ্ৰাস পাইছে। গুৱাহাটীৰ পৰা নিউ জলপাইগুৰিলৈ চলি থকা 'বন্দে ভাৰত এক্সপ্ৰেছ'ৰ যাতায়তৰ সময় হ্ৰাস পাইছে। দেশৰ জলপথৰ উন্নয়নৰ ফলত অসমো লাভাৱান্বিত হৈছে। মালবাহী ৰে'লৰ যাতায়ত ১৪০% হাৰত বৃদ্ধি পাইছে। এই কথাই প্ৰমাণ কৰে যে ব্ৰহ্মপুত্ৰ কেৱল নদেই নহয়, বৰং অৰ্থনৈতিক শক্তিৰো প্ৰবাহ। পাণ্ডুত প্ৰথমটো জাহাজ মেৰামতি কাৰখানা গঢ়ি তোলা হৈছে আৰু বাৰাণসীৰ পৰা ডিব্ৰুগড়লৈ যাত্ৰা কৰা 'গংগা বিলাস ক্ৰুজ'কলৈ উৎসাহৰ সৃষ্টি হৈছে। এই পদক্ষেপে উত্তৰ-পূৱক বিশ্বৰ ক্ৰুজ পৰ্যটনৰ মানচিত্ৰত বিশেষ স্থান দিছে।




কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত

# দিল্লী মেট্ৰ'ৰ সম্প্ৰসাৰণ হ'ব

## মহাৰাষ্ট্ৰ আৰু ওড়িশাৰ মূল আন্তঃগাঁথনি প্ৰকল্পসমূহসমূহলৈ অনুমোদন

আন্তঃগাঁথনি আৰু সংযোগ দেশৰ উন্নয়নৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ আহিছে আৰু কেন্দ্ৰীয় চৰকাৰে ইয়াৰ অগ্ৰগতি নিৰন্তৰ ত্বৰান্বিত কৰি আহিছে। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে নতুন বছৰৰ উপহাৰ হিচাপে দিল্লী মেট্ৰ' সম্প্ৰসাৰণৰ প্ৰস্তাৱত অনুমোদন জনায়। ইয়াৰ লগতে মহাৰাষ্ট্ৰ আৰু ওড়িশাৰ বাবেও বৃহৎ আন্তঃগাঁথনিৰ প্ৰস্তাৱতো অনুমোদন জনোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপে সমগ্ৰ দেশৰ সংযোগ উন্নত কৰাই নহয়, লাখ লাখ লোকৰ দৈনন্দিন যাতায়াতো সহজ কৰি তুলিব।

**সিদ্ধান্তঃ** দিল্লী মেট্ৰ'ৰ পঞ্চম পৰ্যায় (ক) প্ৰকল্পৰ অংশ হিচাপে তিনিটা নতুন কৰিডৰৰ প্ৰস্তাৱত অনুমোদন

**প্ৰভাৱঃ** ১৬.০৭৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই প্ৰকল্পই ৰাষ্ট্ৰীয় ৰাজধানীত সংযোগ আৰু অধিক উন্নত কৰিব। দিল্লী মেট্ৰ'ৰ পঞ্চম পৰ্যায় (ক)ৰ মুঠ ব্যয় হ'ব ১২০১৪.৯১ কোটি টকা।

তিনিটা নতুন কৰিডৰ:

১. আৰ কে আশ্ৰম মাৰ্গৰ পৰা ইন্দ্ৰপ্ৰস্থলৈ (৯.৯১৩ কিলোমিটাৰ)

২. এৰোচিটী-ৰ পৰা আই জি ডি বিমানবন্দৰ টি-১লৈ (২.২৬৩ কিলোমিটাৰ)

৩. তোগলাকাবাদৰ পৰা কালিন্দি কুঞ্জলৈ (৩.৯ কিলোমিটাৰ)

- ইয়াৰ জৰিয়তে চেণ্ট্ৰেল ভিষ্টা কৰিডৰৰ সকলো চৰকাৰী অট্টালিকাৰ মাজত সংযোগৰ ব্যৱস্থা কৰা হ'ব। ফলত অঞ্চলটোৰ কাৰ্যালয়সমূহলৈ যোৱাটো আৰু দৰ্শনাৰ্থীসকলৰ বাবেও যাতায়াত সহজ হৈ পৰিব।
- দৈনিক কাৰ্যালয়লৈ যোৱা প্ৰায় ৬০,০০০ কৰ্মচাৰী আৰু ২ লাখ দৰ্শনাৰ্থী উপকৃত হোৱাৰ আশা কৰা হৈছে।
- এই কৰিডৰসমূহে প্ৰদূষণ আৰু জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ অধিক মাত্ৰাত হ্ৰাস কৰিব, যাৰ ফলত জীৱনৰ মান উন্নত হ'ব।
- বৰ্তমান দিল্লী মেট্ৰ'ৰে দৈনিক গড়ে ৬.৫ নিযুত যাত্ৰীক সেৱা আগবঢ়ায়। আজি দিল্লী মেট্ৰ'ত ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ মেট্ৰ' নেটৱৰ্ক আছে আৰু ইয়াৰ উপৰি ই হৈছে বিশ্বৰ অন্যতম বৃহৎ মেট্ৰ'।

**সিদ্ধান্তঃ** অভিযান্ত্ৰিক, ক্ৰয়, আৰু নিৰ্মাণ (ইপিচি) প্ৰকল্পৰ ডেলিভাৰী পদ্ধতিৰ অধীনত ওড়িশাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৬৮.৬০০ কিলোমিটাৰৰ পৰা ৩১১.৭০০ কিলোমিটাৰলৈ ২ লেন পথলৈ ৰূপান্তৰিত কৰাৰ বাবে সম্প্ৰসাৰণ আৰু শক্তিশালীকৰণৰ প্ৰস্তাৱত অনুমোদন।

**প্ৰভাৱঃ** ৩২৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নীতকৰণে যাত্ৰা দ্ৰুত, নিৰাপদ আৰু অধিক নিৰ্ভৰযোগ্য কৰি তুলিব। ই দক্ষিণ ওড়িশাৰ সামগ্ৰিক উন্নয়নত অৰিহণা যোগাব। বিশেষকৈ ইয়াৰ দ্বাৰা গজপতি, ৰায়গড় আৰু কোৰাপুট জিলা উপকৃত হ'ব। উন্নত পথ সংযোগে স্থানীয় জনগোষ্ঠী, উদ্যোগ, শিক্ষানুষ্ঠান, পৰ্যটন কেন্দ্ৰ, বজাৰ আৰু স্বাস্থ্যসেৱা সেৱাসমূহৰ সহজ যাতায়াতৰ সুবিধা প্ৰদান কৰিব আৰু নিয়োগৰ সুযোগো সৃষ্টি কৰিব। ই অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়নত অৰিহণা যোগাব। এই প্ৰকল্পৰ মুঠ মূলধনী ব্যয় হৈছে ১,৫২৬.২১ কোটি টকা।

**সিদ্ধান্তঃ** মহাৰাষ্ট্ৰত বিঅ'টি ভিত্তিত ৬ লেনযুক্ত গ্ৰীণফিল্ড প্ৰৱেশ-নিয়ন্ত্ৰিত নাচিক-চোলাপুৰ-অক্কালকোট কৰিডৰ নিৰ্মাণ প্ৰকল্পত অনুমোদন।

**প্ৰভাৱঃ** এই প্ৰকল্পটো ৩৭৪ কিলোমিটাৰ দীঘল হ'ব আৰু ইয়াত প্ৰায় ১৯,১৪২ কোটি টকা বিনিয়োগ কৰা হ'ব। এই প্ৰকল্পই নাচিক, অহিল্যানগৰ আৰু চোলাপুৰৰ দৰে গুৰুত্বপূৰ্ণ চহৰসমূহক কুৰ্ণুলৰ সৈতে সংযুক্ত কৰিব। এই প্ৰকল্পটোৱে প্ৰায় ২৫১.০৬ লাখ মানৱ-দিনৰ প্ৰত্যক্ষ নিয়োগ আৰু ৩১৩.৮৩ লাখ মানৱ-দিনৰ পৰোক্ষ নিয়োগ সৃষ্টি কৰিব। ইয়াৰ উপৰি প্ৰস্তাৱিত কৰিডৰৰ আশে-পাশে থকা অঞ্চলসমূহত অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি পাব বাবে অধিক কৰ্মসংস্থাপনৰ সুযোগো সৃষ্টি হ'ব। ●





# পশ্চিমবংগৰ প্ৰগতিৰ বাবে এক নতুন গতি

কেন্দ্ৰীয় চৰকাৰে ধাৰাবাহিকভাৱে “সবকা সাথ, সবকা বিকাশ” নিশ্চিত কৰাৰ বাবে কাম কৰি আহিছে। দেশৰ যিবোৰ অংশ দীৰ্ঘদিন ধৰি বঞ্চিত হৈ আহিছে, সেই ঠাইবোৰলৈও আধুনিক সংযোগ প্ৰদানৰ প্ৰচেষ্টা চলোৱা হৈছে। এই পৰিপ্ৰেক্ষিতত ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগ ভ্ৰমণ কৰি প্ৰায় ৩২০০ কোটি টকাৰ দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন তথা উদ্বোধন কৰে। এই প্ৰকল্পসমূহে ৰাজ্যখনৰ অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি কৰিব আৰু পৰ্যটনকো প্ৰসাৰিত কৰিব...

পশ্চিমবংগৰ নদিয়া হৈছে সেই ভূমি য'ত প্ৰেম, কৰুণা আৰু ভক্তিৰ প্ৰাণৱন্ত পুৰুষ শ্ৰী চৈতন্য প্ৰভুৱে নিজকে প্ৰকট কৰিছিল। পশ্চিমবংগৰ এই ভূমিৰ পৰাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নদিয়া জিলাৰ ৰাণাঘাটত দুটা বৃহৎ ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰি পশ্চিমবংগৰ অগ্ৰগতিক এক নতুন গতি প্ৰদান কৰে। নতুন প্ৰকল্পসমূহে এই অঞ্চলটোৰ লগতে কলকাতা আৰু শিলিগুৰিৰ মাজত সংযোগ অধিক উন্নত কৰিব। এখন উন্নত ভাৰতৰ দৃষ্টিভংগী পূৰণত আধুনিক আন্তঃগাঁথনিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেইবাবেই পশ্চিমবংগৰ আধুনিক আন্তঃগাঁথনিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ব্যাপক বিনিয়োগ কৰিছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বৰাজগুলিৰ পৰা কৃষ্ণনগৰলৈ চাৰিলেনযুক্ত পথটোৱে উত্তৰ ২৪ পৰগনা, নদিয়া, কৃষ্ণনগৰ আদি অঞ্চলৰ জনসাধাৰণক যথেষ্ট উপকৃত কৰিব। ইয়াৰ ফলত কলকাতা আৰু শিলিগুৰিৰ মাজত যাত্ৰাৰ সময় প্ৰায় দুঘণ্টা হ্ৰাস পাইছে। বৰাছাতৰ পৰা বৰাজগুলিলৈ যোৱা চাৰিলেনযুক্ত পথটোৰ কামো আৰম্ভ হৈছে। এই দুয়োটা প্ৰকল্পই সমগ্ৰ অঞ্চলটোত অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধিৰ লগতে পৰ্যটনৰো সম্প্ৰসাৰণ ঘটাব।

পশ্চিমবংগৰ উন্নয়নৰ বাবে ধনৰ, হাবিয়াসৰ

*প্ৰধানমন্ত্ৰীৰ লেখাটো পঢ়িবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

## দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন

- প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিমবংগত প্ৰায় ৩২০০ কোটি টকাৰ দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।
- নদিয়া জিলাৰ বৰাজাগুলি-কৃষ্ণনগৰলৈ সম্প্ৰসাৰণ কৰা ৰাষ্ট্ৰীয় ঘাইপথ-৩৪১ ৬৬.৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪লেনযুক্ত অংশটো উদ্বোধন কৰা হয়।
- উত্তৰ ২৪ পৰগনা জিলাৰ বৰাছাত বৰাজাগুলি সম্প্ৰসাৰণত ৰাষ্ট্ৰীয় ঘাইপথ-৩৪১ ১৭.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪লেন অংশৰ আধাৰশিলা স্থাপন কৰা হয়।
- এই প্ৰকল্পসমূহে কলকাতা আৰু শিলিগুৰিৰ মাজত গুৰুত্বপূৰ্ণ সংযোগ হিচাপে কাম কৰিব।
- এই প্ৰকল্পসমূহে প্ৰায় যাত্ৰাৰ ২ ঘণ্টা সময় ৰাহি কৰিব। ইয়াৰ দ্বাৰা নীৰৱচ্ছিন্ন যাতায়তৰ বাবে যান-বাহনৰ দ্ৰুত তথা মসৃণ গতি নিশ্চিত হ'ব।
- বাহন পৰিচালনাৰ খৰচ হ্ৰাস পাব আৰু কলকাতা তথা পশ্চিমবংগৰ অন্যান্য চুবুৰীয়া জিলাসমূহৰ লগতে চুবুৰীয়া দেশসমূহৰ সৈতেও সংযোগ উন্নত হ'ব।



“আপোনালোকৰ সপোন পূৰণৰ বাবে আৰু বংগৰ উজ্জ্বল ভৱিষ্যতৰ বাবে মই মোৰ সমস্ত শক্তিৰে আপোনালোকৰ লগত কান্ধত কান্ধ মিলাই কাম কৰি যাম।

**নৰেন্দ্ৰ মোদী,** *প্ৰধানমন্ত্ৰী*

আৰু পৰিকল্পনাৰ অভাৱ নাই। তদুপৰি কেন্দ্ৰীয় চৰকাৰে এনে নীতি প্ৰণয়ন কৰি এনে সিদ্ধান্ত গ্ৰহণ কৰি আছে, যিয়ে প্ৰতিগৰাকী নাগৰিকৰ সামৰ্থ্য বৃদ্ধি কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, “এটা উদাহৰণ দিওঁ। কিছুদিনৰ আগতে আমি জি এছ টি ৰাহি উৎসৱ পালন কৰিছিলোঁ। নাগৰিকসকলে যাতে সৰ্বনিম্ন মূল্যত অত্যাৱশ্যকীয় সামগ্ৰী লাভ কৰিব পাৰে সেয়া নিশ্চিত কৰিছিল কেন্দ্ৰীয় চৰকাৰে। ফলত পশ্চিমবংগৰ ৰাইজে দুৰ্গা পূজা আৰু অন্যান্য উৎসৱৰ সময়ত বহুত বজাৰ কৰিছিল। ”

### নদিয়াৰ ভূমি... প্ৰেম, দয়া, আৰু ভক্তিৰে ভৰা এক জীৱন্ত ভূমি

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০ ডিচেম্বৰত পশ্চিমবংগ ভ্ৰমণ কৰিছিল, য'ত তেওঁ ভাৰ্চুৱেল মাধ্যমেৰে জনসভাত ভাষণো প্ৰদান কৰিছিল। নদিয়া হৈছে সেই ভূমি য'ত প্ৰেম, কৰুণা, ভক্তিৰ জীৱন্ত মূৰ্তি চৈতন্য মহাপ্ৰভুৰ আৱিৰ্ভাৱ হৈছিল। নদিয়াৰ প্ৰতিখন গাঁৱত, গংগাৰ প্ৰতিটো ঘাটত যেতিয়া হৰি নাম সংকীৰ্তন প্ৰতিধ্বনিত হৈছিল, তেতিয়া সেয়া কেৱল ভক্তিৰ প্ৰকাশেই নাছিল... ই আছিল সামাজিক ঐক্যৰো আহ্বান। “হৰি নাম দিয়ে জগত মাতালে... আমাৰ একলা নিতাই... ” এই আৱেগ... এতিয়াও মাটি, বতাহ, পানী আৰু তাত থকা মানুহৰ হৃদয়ত সজীৱ হৈ আছে।

### প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান: ‘বন্দে মাতৰম'ক ৰাষ্ট্ৰ নিৰ্মাণৰ মন্ত্ৰ কৰি তোলক

বংগ আৰু বাংলা ভাষাই ভাৰতৰ ইতিহাস আৰু সংস্কৃতিক অহৰহ সমৃদ্ধ কৰি আহিছে। ‘বন্দে মাতৰম’ হৈছে তেনে এক মহান অৱদান। সমগ্ৰ ৰাষ্ট্ৰখনে ‘বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উদযাপন কৰিছে। শেহতীয়াকৈ ভাৰতৰ সংসদেও ইয়াৰ বৈভৱৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাইছে। পশ্চিমবংগৰ ভূমি হৈছে ‘বন্দে মাতৰম’ অমৰ গীতৰ ভূমি। এই ভূমিয়ে দেশক বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ দৰে মহান এগৰাকী ঋষি প্ৰদান কৰিছিল। ঋষি বংকিম বাবুৱে ‘বন্দে মাতৰম'ৰ জৰিয়তে দাসত্বৰ হাতোৰাত বন্দী হৈ থকা ভাৰতত এক নতুন চেতনা জাগ্ৰত কৰিছিল। ১৯ শতিকাত ‘বন্দে মাতৰম’ দাসত্বৰ পৰা মুক্তিৰ মন্ত্ৰ হৈ উঠিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোকে আহ্বান জনায় যে ‘বন্দে মাতৰম'ক একবিংশ শতিকাত ৰাষ্ট্ৰ নিৰ্মাণৰ মন্ত্ৰ হিচাপে গ্ৰহণ কৰিব লাগে। এতিয়া, আমি ‘বন্দে মাতৰম'ক এখন উন্নত ভাৰতৰ প্ৰেৰণা হিচাপে গ্ৰহণ কৰিব লাগিব। এই গীতটোৰ জৰিয়তে আমি এখন উন্নত পশ্চিমবংগৰ চেতনাকো জাগ্ৰত কৰিব লাগিব। ●



'নেতাজী'ৰ জন্ম বাৰ্ষিকীত এখন কৃতজ্ঞ ৰাষ্ট্ৰই জনাইছে শ্ৰদ্ধাঞ্জলি

# 'নেতাজী'ৰ সাহসে ভাৰতৰ স্বাধীনতা সংগ্ৰামক পুনৰ সজীৱ কৰি তুলিছিল

এগৰাকী মেধাৱী ছাত্ৰ, এগৰাকী দক্ষ প্ৰশাসক আৰু এগৰাকী অটল নেতা সুভাষ চন্দ্ৰ বসুৱে নিজৰ সাহস আৰু বীৰত্বৰে ভাৰতীয় স্বাধীনতা সংগ্ৰামত নতুন শক্তি সঞ্চাৰিত কৰিছিল। প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈয়ো তেওঁ নিজৰ প্ৰভাৱশালী নেতৃত্বৰে দেশৰ যুৱশক্তিক একত্ৰিত কৰিছিল। 'নেতাজী'ৰ ৰাষ্ট্ৰৰ প্ৰতি নিঃস্বাৰ্থ সেৱাক সন্মান জনাই ভাৰত চৰকাৰে ২০২১ চনৰ পৰা প্ৰতি বছৰে তেওঁৰ জন্মদিনটো অৰ্থাৎ ২৩ জানুৱাৰীক 'পৰাক্ৰম দিৱস' (শৌৰ্য্যৰ দিৱস) হিচাপে উদযাপন কৰাৰ সিদ্ধান্ত লয়।


গাড়ী বা চাবমেৰিনেৰে প্ৰায় ৩৫,০০০ কিলোমিটাৰ যাত্ৰা কৰি, সকলো ব্যক্তিগত সুখ-সুবিধা ত্যাগ কৰি 'নেতাজী' সুভাষ চন্দ্ৰ বসুৱে নিজৰ দেশবাসীৰ মনত স্বাধীন আৰু সাৰ্বভৌম ভাৰতৰ বিশ্বাস দৃঢ় কৰি তুলিছিল। কলিকতাৰ পৰা বাৰ্লিনলৈ আৰু তাৰ পিছত জাপানলৈ গৈ ভাৰতক মুক্ত কৰাৰ এক বৃহৎ প্ৰচেষ্টা চলাই নেতাজীয়ে ব্ৰিটিছ কৰ্তৃপক্ষৰ আগত অতি গৌৰৱেৰে, আত্মবিশ্বাস তথা সাহসেৰে ঘোষণা কৰিছিল: "মই স্বাধীনতা ভিক্ষা নকৰোঁ, মই সেইখিনি আজুৰি আনিম। " ভাৰতৰ মাটিত প্ৰথমখন স্বতন্ত্ৰ চৰকাৰ প্ৰতিষ্ঠা কৰা এইগৰাকী 'নেতাজী'ৰ ২০২৬ চনৰ ২৩ জানুৱাৰীত ১২৯ সংখ্যক জন্মজয়ন্তী উদযাপন কৰিছে ৰাষ্ট্ৰই। 'আজাদী কা অমৃত মহোৎসৱ' (ভাৰতৰ স্বাধীনতাৰ ৭৫ সংখ্যক বাৰ্ষিকী)ৰ সংকল্প আছিল যে ভাৰতে নিজৰ পৰিচয় আৰু প্ৰেৰণা পুনৰুজ্জীৱিত কৰিব। দেশে 'নেতাজী' সুভাষ চন্দ্ৰ বসুৰ জীৱনৰ লগত জড়িত প্ৰতিটো উত্তৰাধিকাৰিত্বক অপৰিসীম গৌৰৱেৰে প্ৰতিপালন কৰি আছে। 'নেতাজী'য়ে কৈছিল, "ভাৰতে আহ্বান দিছে। তেজে মাতিছে তেজক। জাগ্ৰত হওক, হেৰুৱাব পৰাকৈ আমাৰ যে নাই সময়।" এনে এক উদ্দীপক আহ্বান কেৱল নেতাজীয়েহে দিব পাৰিছিল। কাৰণ, যি শক্তিৰ সূৰ্য কেতিয়াও অস্তই যোৱা নাছিল, সেই শক্তিকো ভাৰতৰ বীৰ সন্তানসকলে যুদ্ধ-ক্ষেত্ৰত পৰাস্ত কৰিব পাৰিব বুলি তেওঁ বিশ্বাস কৰিছিল। ভাৰতৰ মাটিত স্বাধীন ভাৰতৰ স্বাধীন চৰকাৰৰ ভেটি স্থাপন কৰাৰ সংকল্প লৈছিল। 'নেতাজী'য়ে এই প্ৰতিশ্ৰুতি পূৰণো কৰিছিল। তেওঁ সৈন্য দলৰ সৈতে আন্দামানলৈ আহি ত্ৰিৰংগা পতাকা উত্তোলন কৰিছিল।

**'নেতাজী'ৰ সৈতে জড়িত ফাইলসমূহ ৰাজহুৱা কৰা হৈছে**

২০১৫ চনত ভাৰত চৰকাৰে 'নেতাজী' সুভাষ চন্দ্ৰ বসুৰ সৈতে জড়িত গোপনীয় ফাইলসমূহক গোপনীয়তাৰ পৰা মুক্ত কৰি ৰাজহুৱা কৰাৰ সিদ্ধান্ত লৈছিল। ২০১৫ চনৰ ৪ ডিচেম্বৰত ৩৩টা ফাইলৰ প্ৰথমটো খাপ মুকলি কৰা হৈছিল। জনসাধাৰণৰ দীৰ্ঘদিনীয়া চাহিদা পূৰণৰ বাবে ২০১৬ চনৰ ২৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'নেতাজী'ৰ সৈতে জড়িত ১০০টা ফাইলৰ ডিজিটেল প্ৰতিলিপি মুকলি কৰিছিল।

**'পৰাক্ৰম দিৱস'ত যুৱপ্ৰজন্মৰ সৈতে মত বিনিময়**

২০২৫ চনৰ ২০ জানুৱাৰীত পালন কৰা হয় 'নেতাজী' সুভাষ চন্দ্ৰ বসুৰ জন্ম বাৰ্ষিকী ২০২৫-ৰ ২০ জানুৱাৰীত 'পৰাক্ৰম দিৱস' হিচাপে পালন কৰা নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্ম বাৰ্ষিকী





## কেন্দ্ৰীয় চৰকাৰে নেতাজীৰ উত্তৰাধিকাৰ সংৰক্ষণৰ বাবে কাম কৰি আছে

- ২০২১ৰ ১৯ জানুৱাৰীত দেশত প্ৰতি বছৰে ২৩ জানুৱাৰীৰ দিনটোক পৰাক্ৰম দিৱস হিচাপে পালন কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল।
- ২০২১ৰ ২৩ জানুৱাৰীত নেতাজীৰ ১২৫ সংখ্যক জয়ন্তী উপলক্ষে ভাৰত চৰকাৰে ইয়াৰ স্মৃতিত বছৰ-জোৰা উদযাপনৰ শুভাৰম্ভ কৰিছিল।
- ২০১৫ৰ ১৪ অক্টোবৰত প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসগৃহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেতাজী সুভাষ চন্দ্ৰ বসুৰ পৰিয়ালৰ ৩৫জন সদস্যৰ সৈতে মিলিত হৈছিল।
- ২০১৮-ৰ ২১ অক্টোবৰত আজাদ হিন্দ চৰকাৰ প্ৰতিষ্ঠাৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাত পতাকা উত্তোলন কৰিছিল।
- ২০১৯-ৰ গণৰাজ্য দিৱস উদযাপন কাৰ্য্যসূচীত আজাদ হিন্দ ফৌজ (INA)-ৰ চাৰিজন প্ৰাক্তন জোৱানে গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰিছিল।
- ২০২১-ৰ ২৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলকাতাস্থিত নেতাজীৰ পৈতৃকগৃহত উপস্থিত হৈছিল। নেতাজীৰ স্মৃতিত এটা স্মাৰক মুদ্ৰা আৰু ডাক টিকট মুকলি কৰা হৈছিল। নেতাজীৰ চিঠি বিষয়ক এখন গ্ৰন্থও উন্মোচন কৰা হৈছিল।
- ২০২১-ৰ ২৩ জানুৱাৰীত কলকাতাত নেতাজীৰ জীৱন আধাৰিত এখন প্ৰদৰ্শনী আৰু প্ৰজেকচন মেপিং শ্ব' আৰম্ভ হৈছিল। হাওৰাৰ পৰা চলা 'হাওৰা-কালকা মেইল'ৰ নাম সলনি কৰি 'নেতাজী এক্সপ্ৰেছ' ৰখা হৈছিল।
- কৰ্তব্য পথত নেতাজীৰ প্ৰতিমূৰ্তিক বিশিষ্ট স্থান প্ৰদান কৰা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে কৰ্তব্য পথেৰে অহা-যোৱা কৰা প্ৰতিজন নাগৰিককে নেতাজীৰ কৰ্তব্যৰ প্ৰতি সমৰ্পণৰ মনোভাৱ সম্পৰ্কে সোঁৱৰাই দিয়া। আজাদ হিন্দ চৰকাৰে প্ৰথমে ত্ৰিৰংগা উত্তোলন কৰা আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জক নেতাজীয়ে প্ৰদান কৰা নাম দিয়া হৈছিল। ৰছ দ্বীপক (Ross Island) নেতাজী সুভাষ চন্দ্ৰ বসু দ্বীপ আৰু হেভলক (Havelock) তথা নীল দ্বীপক ক্ৰমে স্বৰাজ আৰু শ্বহীদ দ্বীপ বুলি নামকৰণ কৰা হৈছে।
- ২০২৩-ৰ ২৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেতাজী সুভাষ চন্দ্ৰ বসু দ্বীপত স্থাপন কৰিবলগীয়া আৰু নেতাজীৰ প্ৰতি উৎসৰ্গিত ৰাষ্ট্ৰীয় স্মাৰকৰ আৰ্হি উন্মোচন কৰিছিল।
- লালকিল্লাত নেতাজী আৰু আজাদ হিন্দ ফৌজৰ অৱদানৰাজিৰ প্ৰতি উৎসৰ্গিত এটা সংগ্ৰহালয় স্থাপন কৰা হৈছে। পোন প্ৰথমবাৰৰ বাবে নেতাজীৰ নামত সুভাষ চন্দ্ৰ বসু আপদ প্ৰবন্ধন পুৰস্কাৰ শীৰ্ষক এটি ৰাষ্ট্ৰীয় বঁটা প্ৰৱৰ্তন কৰা হৈছে।

“

শৈশৱৰ পৰাই নেতাজী সুভাষ চন্দ্ৰ বসু নামটো শুনা মাত্ৰকে মোৰ মাজত এক নতুন শক্তিৰ সঞ্চাৰ হৈ আহিছে। তেওঁ ইমানেই বিশাল ব্যক্তিত্বৰ অধিকাৰী লোক আছিল যে সেয়া ভাষাৰে ব্যক্ত কৰিব নোৱাৰি! তেওঁ ইমানেই গভীৰ দূৰদৰ্শী আছিল যে সেয়া বুজিবলৈ কেইবাবাৰো জন্ম ল'ব লাগিব। আনকি প্ৰতিকূল পৰিস্থিতিতো তেওঁৰ ইমানেই মনোবল আৰু সাহস আছিল যে বিশ্বৰ গভীৰ প্ৰত্যাহ্বানেও তেওঁক বিচলিত কৰিব নোৱাৰিছিল। মই নেতাজী সুভাষ চন্দ্ৰ বসুক গভীৰ প্ৰণাম জনাইছো।

**নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী

উপলক্ষে সংসদৰ চেণ্ট্ৰেল হলত 'আপোনাৰ নেতাক জানক' (Know Your Leaders) কাৰ্য্যসূচীৰ অধীনত কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নেতাজী সুভাষ চন্দ্ৰ বসুলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছিল। গণতন্ত্ৰৰ বাবে সংসদীয় গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানেএই কাৰ্য্যসূচীৰ আয়োজন কৰিছিল। এই কাৰ্য্যসূচীত কেইবাজনো যুৱ অংশগ্ৰহণকাৰীয়ে স্বাধীনতা সংগ্ৰামলৈ নেতাজীয়ে আগবঢ়োৱা অৱদান সন্দৰ্ভত নিজ-নিজ মতামত প্ৰকাশ কৰাৰ লগতে তেওঁৰ জীৱনৰ প্ৰমূল্যবোধ তথা আদৰ্শৰাজিক স্মৰণ কৰিছিল। ●



ৰাষ্ট্ৰ প্ৰেৰণা স্থল

# আত্ম-সন্মান ঐক্য আৰু সেৱাৰ প্ৰতীক

২৫ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লক্ষ্ণৌত কেৱল সুশাসন ব্যৱস্থাৰ ৰূপান্তৰ সাধনেই নহয়, বৰঞ্চ পোখৰাণ আৰু কাৰ্গিলত বিজয়ৰ জৰিয়তে বীৰত্বৰ এক অম্লান কাহিনী ৰচনা কৰা ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষ্যে ৰাষ্ট্ৰ প্ৰেৰণা স্থল উদ্বোধন কৰিছিল। এই চৌহদত ডঃ শ্যামা প্ৰসাদ মুখাৰ্জী, পণ্ডিত দীনদয়াল উপাধ্যায় আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ৬৫-ফুট-উচ্চতাৰ ব্ৰঞ্জৰ মূৰ্তি স্থাপন কৰা হৈছে। এয়া হৈছে তেওঁলোকৰ ৰাজনৈতিক চিন্তাধাৰা, তেওঁলোকে ৰাষ্ট্ৰ-নিৰ্মাণ আৰু জনজীৱনলৈ আগবঢ়োৱা উল্লেখযোগ্য বৰঙনিৰাজিৰ প্ৰতীক।

ডঃ শ্যামা প্ৰসাদ মুখাৰ্জীয়ে "এখন দেশত দুখন সংবিধান, দুজন ৰাষ্ট্ৰপতি আৰু দুই ৰাষ্ট্ৰীয় প্ৰতীক থাকিব নোৱাৰা"ৰ মন্ত্ৰৰে এখন সংযুক্ত ভাৰতৰ ভেটি স্থাপন কৰাৰ সমান্তৰালকৈ পণ্ডিত দীনদয়াল উপাধ্যায়ে "অখণ্ড মানৱতাবাদ"ৰ নীতি আগবঢ়াই সমাজৰ প্ৰতিটো শ্ৰেণীৰ মংগলৰ বাবে অন্ত্যোদয়া (অতিশয় দৰিদ্ৰজনৰ উত্থান)ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল। মহান কবি তথা ৰাষ্ট্ৰীয়তাবাদী চিন্তাৰ নায়ক অটল বিহাৰী বাজপেয়ীয়ে ৰাষ্ট্ৰীয় কল্যাণৰ এই ধাৰাকে আগুৱাই নিছিল। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জীৱন পৰিক্ৰমা আৰু আদৰ্শৰাজিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি স্বৰূপে উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত ৰাষ্ট্ৰ প্ৰেৰণা স্থল উদ্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২৫ ডিচেম্বৰ দেশৰ দুগৰাকী মহান ব্যক্তিৰ জয়ন্তী উপলক্ষে এই দিনটো উল্লেখযোগ্য। ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ী আৰু ভাৰত ৰত্ন মহামনা মদন মোহন মালব্য-দুয়োগৰাকী মহাপুৰুষে ভাৰতৰ পৰিচয়, ঐক্য আৰু গৌৰৱক সুৰক্ষিত কৰিছিল তথা ৰাষ্ট্ৰ- নিৰ্মাণৰ ক্ষেত্ৰত অম্লান চিন ৰাখি থৈ গৈছে।

এগৰাকী দূৰদৰ্শী নেতা ডঃ শ্যামা প্ৰসাদ মুখাৰ্জীয়ে ঐক্য, অখণ্ডতা আৰু শক্তিশালী ৰাষ্ট্ৰ-নিৰ্মাণৰ বাবে ওৰেটো জীৱন উৎসৰ্গা কৰিছিল। একেদৰে পণ্ডিত দীনদয়াল উপাধ্যায়ে ভাৰতক শিপাৰ সৈতে সংযোগ কৰি এখন আত্মনিৰ্ভৰ, সমৃদ্ধিশালী আৰুসাংস্কৃতিকভাৱে সবল ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰিছিল। অটল বিহাৰী বাজপেয়ীয়ে নিৰ্দ্বিধায় ভাৰতক বিশ্বৰ মানচিত্ৰত এক শক্তিশালী বিশ্ব শক্তি হিচাপে প্ৰতিষ্ঠা কৰিছিল। লক্ষ্ণৌৰ ৰাষ্ট্ৰ প্ৰেৰণা স্থলত এই তিনিগৰাকী মহান ৰাষ্ট্ৰীয় নায়কৰ ৬৫-ফুট-উচ্চতাৰ ব্ৰঞ্জৰ মূৰ্তি স্থাপন কৰা কাৰ্য্য ৰাষ্ট্ৰীয়তাবাদী আদৰ্শ আৰু নীতিৰ স্পষ্ট সোঁৱৰণী হিচাপে পৰিগণিত হৈছে। চিন্তা, সংস্কৃতি আৰু ৰাষ্ট্ৰীয় চেতনাৰ এই উল্লেখযোগ্য স্থল এখনি উন্নত ভাৰত আৰু উন্নত উত্তৰ প্ৰদেশৰ বাবে এক নতুন, প্ৰেৰণাদায়ক আখ্যান ৰচনা কৰিবলৈ সাজু হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ডঃ মুখাৰ্জী, পণ্ডিত দীনদয়াল আৰু

## ৰাষ্ট্ৰ প্ৰেৰণা স্থলে দেশৰ সোণালী ভৱিষ্যতৰ পথ প্ৰশস্ত কৰিছে

- লক্ষ্ণৌ উন্নয়ন প্ৰাধিকৰণে ৬৫ একৰ ভূমিত পদুম ফুলৰ আৰ্হিত ৰাষ্ট্ৰ প্ৰেৰণা স্থল স্থাপন কৰিছে।
- এই স্থানত কেইমাহমান আগলৈকে ৬.৫ লাখ মেট্ৰিক টন জাবৰৰ এক বিশাল স্তুপ আছিল।
- কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দৃঢ় সংকল্পৰ ফলশ্ৰুতিত জাবৰবোৰ বিজ্ঞানসন্মতভাৱে নিষ্কাশন কৰা হৈছিল আৰু সমগ্ৰ অঞ্চলটো এক সেউজ আৰু স্বচ্ছ চৌহদলৈ ৰূপান্তৰিত হৈছিল।
- এই চৌহদত ডঃ শ্যামা প্ৰসাদ মুখাৰ্জী, পণ্ডিত দীনদয়াল উপাধ্যায় আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ৬৫-ফুট-উচ্চতাৰ ব্ৰঞ্জৰ মূৰ্তি স্থাপন কৰা হৈছে। এয়া হৈছে তেওঁলোকৰ ৰাজনৈতিক চিন্তাধাৰা, তেওঁলোকে ৰাষ্ট্ৰ-নিৰ্মাণ আৰু জনজীৱনলৈ আগবঢ়োৱা উল্লেখযোগ্য বৰঙনিৰাজিৰ প্ৰতীক।
- ২৩০ কোটি টকা ব্যয় সাপেক্ষে এই বিশাল ক্ষেত্ৰত একে সময়তে ২ লাখ লোক সমবেত হ'ব পাৰে। এই কমপ্লেক্সত আছে এটা ধ্যান গৃহ, এটা পুথিভঁৰাল, তিনি হাজাৰ দৰ্শকে আসন গ্ৰহণ কৰিব পৰা এটা বৃহৎ এম্ফিথিয়েটাৰ আৰু এখন সুন্দৰ বাগিচা।
- এই সংগ্ৰহালয়ত অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে ডঃ শ্যামা প্ৰসাদ মুখাৰ্জী, পণ্ডিত দীনদয়াল উপাধ্যায় আৰু অটল বিহাৰী বাজপেয়ীৰ গৌৰৱময় জীৱনগাথা, দৰ্শন, সংগ্ৰাম আৰু ধাৰণাক দৃশ্যগত আখ্যানৰ জৰিয়তে উপস্থাপন কৰা হৈছে।



*প্ৰধানমন্ত্ৰীৰ লেখাটো পঢ়িবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

“

ৰাষ্ট্ৰ প্ৰেৰণা স্থলহৈছে ভাৰতক আত্ম-সন্মান, ঐক্য আৰু সেৱাৰ পথ প্ৰদৰ্শন কৰা মতাদৰ্শৰ প্ৰতীক। ইয়াত ডঃ শ্যামা প্ৰসাদ মুখাৰ্জী, পণ্ডিত দীনদয়াল উপাধ্যায় আৰু অটল বিহাৰী বাজপেয়ীৰ প্ৰতিমূৰ্তি থিয় হৈ আছে, এইসমূহে যোগোৱা প্ৰেৰণা অত্যন্ত বেছি।

**নৰেন্দ্ৰ মোদী,** *প্ৰধানমন্ত্ৰী*

অটল জীৰ প্ৰেৰণা, তেওঁলোকৰ দূৰদৰ্শী কাম আৰু এই বিশাল প্ৰতিমূৰ্তিসমূহ এখন উন্নত ভাৰতৰ বাবে এক শক্তিশালী আধাৰ হৈ উঠিছে। আজি তেওঁলোকৰ প্ৰতিমূৰ্তিয়ে আমাক নতুন শক্তিৰে ভৰাই তুলিছে। আজি মই গৌৰৱেৰে ক'ব পাৰো যে উত্তৰ প্ৰদেশৰ কঠোৰ পৰিশ্ৰমী ৰাইজে এক নতুন ভৱিষ্যতৰ কাহিনী ৰচনা কৰিছে। এসময়ত উত্তৰ প্ৰদেশৰ আইন-শৃংখলাজনিত পৰিস্থিতি অনুন্নত আছিল যদিও আজি ৰাজ্যখন উন্নয়নৰ বাবে পৰিচিত হৈ পৰিছে। আজি দেশৰ পৰ্যটন মানচিত্ৰত উত্তৰ প্ৰদেশৰ দ্ৰুতগতিত উত্থান ঘটিছে। অযোধ্যাৰ বিশাল ৰাম মন্দিৰ আৰু কাশী বিশ্বনাথ ধাম বিশ্বৰ এক নতুন পৰিচয়ৰ প্ৰতীক হৈ পৰিছে। ৰাষ্ট্ৰ প্ৰেৰণা স্থলৰ দৰে আধুনিক আন্তঃগাঁথনিয়ে উত্তৰ প্ৰদেশৰ নতুন ভাবমূৰ্তিক অধিক আলোকিত কৰিছে।

### মহাৰাজ বিজলী পাছীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি

২৫ ডিচেম্বৰ মহাৰাজ বিজলী পাছীৰ জন্ম বাৰ্ষিকীও। ৰাষ্ট্ৰ প্ৰেৰণা স্থলৰ নিলগতে লক্ষ্ণৌৰ বিখ্যাত বিজলী পাছী দুৰ্গ অৱস্থিত। পাছী জনগোষ্ঠীয়ে মহাৰাজ বিজলী পাছীৰ শৌৰ্য্য, সুশাসন আৰু অন্তৰ্ভুক্তিৰ উত্তৰাধিকাৰক গৌৰৱেৰে আগুৱাই নিছে। ২০০০ চনত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে মহাৰাজ বিজলী পাছীৰ সন্মানাৰ্থে এটি ডাক টিকট মুকলি কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণ প্ৰদানেৰে পৱিত্ৰ দিনটোত মহাৰাজ বিজলী পাছীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

বীৰ বাল দিৱস

# অসামান্য সাহস আৰু প্ৰতিভা প্ৰদৰ্শন কৰা শিশুসকলক সম্বৰ্ধনা জ্ঞাপন

চাহিবজাদাসকলৰ বীৰত্বৰ পৰা অনুপ্ৰাণিত হৈ কেন্দ্ৰীয় চৰকাৰে ২৬ ডিচেম্বৰক বীৰ বাল দিৱস হিচাপে পালন কৰিবলৈ আৰম্ভ কৰিছিল। চাৰি বছৰত এই নতুন পৰম্পৰাই নতুন প্ৰজন্মৰ আগত চাহিবজাদাসকলৰ প্ৰেৰণাদায়ক কাহিনীক তুলি ধৰাই নহয়, বৰঞ্চ 'প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ'ৰ জৰিয়তে সাহসী আৰু প্ৰতিভাশালী শিশুসকলক লালন-পালন কৰাৰ এখনি মঞ্চও প্ৰশস্ত কৰিছে। ২০২৫-ৰ ২৬ ডিচেম্বৰ অৰ্থাৎ বীৰ বাল দিৱসৰ দিনা ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুয়ে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত মণ্ডপমত আয়োজিত বীৰ বাল দিৱসৰ কাৰ্য্যসূচী সম্বোধন কৰিছিল...

প্ৰতি বছৰে কলা, সাহসিকতা, সমাজসেৱা আৰু বিজ্ঞান আদি ক্ষেত্ৰত অসামান্য অৱদান আগবঢ়োৱা শিশুসকলক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰা হয়। ২০ গৰাকী বঁটাপ্ৰাপকৰ মাজত সৰ্বকনিষ্ঠ বাকা লক্ষ্মী প্ৰজ্ঞিকা আছে। মাত্ৰ ৭ বছৰীয়া শিশুটিয়ে এই নিদৰ্শন দাঙি ধৰিছে যে বয়স নিৰ্বিশেষে প্ৰতিভা আহৰণত কোনো বাধা নাই, এনে প্ৰতিভাশালী শিশুসকলৰ বাবেই ভাৰতে বিশ্ব মঞ্চত দবাৰ পাৰাৰহাউছ হিচাপে স্বীকৃতি লাভ কৰিছে। বঁটা বিজয়ী অজয় ৰাজ আৰু মহম্মদ ছিডান পিৰ সাহসিকতাৰ কাহিনী অতিশয় প্ৰেৰণাদায়ক। তেওঁলোকে স্বকীয় সাহস আৰু উপস্থিত বুদ্ধিৰ জৰিয়তে আনৰ জীৱন ৰক্ষা কৰিছিল। দুখৰ বিষয় যে সাহসেৰে আনৰ জীৱন ৰক্ষা কৰিবলৈ গৈ ৯ বছৰীয়া ব্যোমা প্ৰিয়া আৰু এঘাৰ বছৰীয়া বাহাদুৰ কমলেশ কুমাৰে প্ৰাণ হেৰুৱাবলগীয়া হৈছিল।

বঁটা প্ৰাপকসকলৰ অন্যতম দহ বছৰীয়া শ্ৰৱণ সিঙে অপাৰেচন সিন্দূৰৰ সময়ছোৱাত যুদ্ধৰ অধিক বিপদাশংকাৰ মাজতো তেওঁৰ ঘৰৰ সমীপৱৰ্তী সীমান্তত নিয়োজিত ভাৰতীয় সৈনিকসকলক নিয়মিতভাৱে পানী, গাখীৰ আৰু লচ্চি যোগান ধৰিছিল। দিব্যাংগ শিৱানী হুচুৰু উপ্পাৰাই আৰ্থিক আৰু দৈহিক সীমাবদ্ধতা অতিক্ৰম কৰি ক্ৰীড়া





“

মই আশাবাদী যে ভাৰতৰ যুৱক-যুৱতীসকলে ডাঙৰ-ডাঙৰ সপোন দেখিব, কঠোৰ পৰিশ্ৰম কৰিব আৰু তেওঁলোকে কেতিয়াও আত্মবিশ্বাস নেহেৰুৱাব। ভাৰতৰ শিশু আৰু যুৱক-যুৱতীসকলৰ ভৱিষ্যৎ উজ্জ্বল হ'লেহে ভাৰতৰ ভৱিষ্যৎ উজ্জ্বল হ'ব। তেওঁলোকৰ সাহসিকতা, তেওঁলোকৰ প্ৰতিভা আৰু তেওঁলোকৰ সমৰ্পণৰ মনোভাৱে ৰাষ্ট্ৰৰ প্ৰগতিক পথ প্ৰদৰ্শন কৰিব।

**নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

## বীৰ বাল দিৱস উপলক্ষে একাধিক কাৰ্য্যসূচীৰ আয়োজন

বীৰ বাল দিৱস উপলক্ষে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে অংশগ্ৰহণমূলক কাৰ্য্যসূচীৰ আয়োজন কৰে। এনে কাৰ্য্যসূচীসমূহ আয়োজনৰ লক্ষ্য আছিল নাগৰিকসকলক চাহিবজাদাসকলৰ অসাধাৰণ সাহস আৰু পৰম ত্যাগৰ বিষয়ে অৱগত কৰা আৰু সজাগ কৰি তোলা তথা দেশৰ এই যুৱ নায়কসকলৰ অদম্য সাহস, ত্যাগ আৰু বীৰত্বক সন্মান জনোৱা আৰু লালন-পালন কৰা। এই কাৰ্য্যসূচীসমূহৰ ভিতৰত আছিল সাধু কোৱা, কবিতা আবৃত্তি, প'ষ্টাৰ মেকিং আৰু ৰচনা প্ৰতিযোগিতা। প্ৰধানমন্ত্ৰী মোদীয়ে ২০২২-ৰ ৯ জানুৱাৰীত শ্ৰী গুৰু গোবিন্দ সিঙৰ প্ৰকাশ পৰ্ব উপলক্ষে তেওঁৰ পুত্ৰদ্বয় চাহিবজাদা বাবা জোৰাৱাৰ সিং আৰু বাবা ফতেহ সিঙে শ্বহীদবৰণ কৰাৰ স্মৃতিত ২৬ ডিচেম্বৰৰ দিনটো 'বীৰ বাল দিৱস' হিচাপে পালন কৰা হ'ব বুলি ঘোষণা কৰিছিল।

### বীৰ বাল দিৱসঃ চাহিবজাদাৰ বীৰত্বৰ গাথাক স্মৰণ

বীৰ বাল দিৱস হৈছে শিশুৰ সাহসিকতা আৰু নিষ্ঠাৰ মনোভাৱক স্মৰণৰ এটা দিন। চাহিবজাদা অজিত সিং, চাহিবজাদা জুঝাৰ সিং, চাহিবজাদা জোৰাৱাৰ সিং আৰু চাহিবজাদা ফতেহ সিঙে অতি কম বয়সতে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। সেই প্ৰত্যাহ্বান আছিল ভাৰতৰ মৌলিক আদৰ্শৰাজি আৰু ধৰ্মীয় উন্মাদনাৰ মাজত; সেয়া আছিল সত্য বনাম মিথ্যাৰ যুঁজ। সেই যুদ্ধৰ এফালে দশম গুৰু শ্ৰী গুৰু গোবিন্দ সিং জী আছিল আৰু আনফালে আছিল শাসক ঔৰংজেৱ। সেই সময়ত চাহিবজাদাসকল অতি সৰু আছিল যদিও তেওঁলোকে ঔৰংজেৱ আৰু তেওঁৰ নিষ্ঠুৰতাক দমন কৰিছিল। আমাৰ গুৰুসকল সাধাৰণ মানৱ নাছিল। তেওঁলোক আছিল তপস্যা আৰু ত্যাগৰ মূৰ্তৰূপ। সাহসী চাহিবজাদাসকলে তেওঁলোকৰ পৰাই সেই উত্তৰাধিকাৰ লাভ কৰিছিল। সেয়ে এজনো চাহিবজাদা বিচলিত নহৈছিল। চাহিবজাদা অজিত সিঙৰ এষাৰ কথাই এতিয়াও তেওঁৰ সাহসিকতাৰ পৰিচয় বহন কৰে- “মোৰ নাম অজিত (অজেয়), মই অপৰাজেয়; মই পৰাজিত হ'লেও জীৱিত অৱস্থাত উভতি নাহোঁ!”

জগতত অসাধাৰণ কৃতিত্ব অৰ্জন কৰাৰ সমান্তৰালকৈ বৈভৱ সূৰ্যবংশীয়ে অতি প্ৰতিযোগিতামূলক ক্ৰিকেট জগতত এক সুকীয়া স্থান দখল কৰি একাধিক অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। বঁটা-বিজয়ী সকলো শিশুৱেই উল্লেখযোগ্য কৃতিত্ব অৰ্জন কৰিছে।

বীৰ বাল দিৱসৰ কাৰ্য্যসূচীত প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰাপকসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে তেওঁলোকৰ একাংশই ব্যতিক্ৰমী সাহসিকতা প্ৰদৰ্শন কৰাৰ সমান্তৰালভাৱে আন একাংশই সমাজসেৱা আৰু পৰিৱেশৰ বাবে প্ৰশংসনীয় কাম কৰিছে। বাকী একাংশই বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত উদ্ভাৱন কৰিছে। বহুতেই ক্ৰীড়া, কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। মই বঁটাপ্ৰাপকসকলক ক'ব খুজিছো যে এই সন্মান কেৱল তোমালোকৰ বাবেই নহয়, বৰঞ্চ এয়া তোমালোকৰ পিতৃ-মাতৃ, তোমালোকৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু তোমালোকৰ পথ-প্ৰদৰ্শকসকলৰ কঠোৰ পৰিশ্ৰমৰ প্ৰতিও শ্ৰদ্ধাঞ্জলি।

কথিত আছে, “**बालादपि ग्रहीतव्यं युक्तमुक्तं मनीषिभिः,**” ইয়াৰ অৰ্থ হ'ল শিশুসকলেও যদি বুদ্ধিমান কথা কয়, তেন্তে সেয়া আমি গ্ৰহণ কৰা উচিত। অৰ্থাৎ বয়সে কোন সৰু বা কোন মহান সেয়া নিৰ্ণয় নকৰে। কৰ্ম আৰু কৃতিত্বৰ জৰিয়তেহে সকলো মহান হৈ পৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে শিশুসকলেও আনক অনুপ্ৰাণিত কৰা কাম কৰিব পাৰে। তোমালোকে এই দৃষ্টান্ত দাঙি ধৰিছা। এই কৃতিত্বৰাজিক মাথোঁ আৰম্ভণি হিচাপেহে গণ্য কৰিব লাগে। তোমালোক বহু দূৰ আগুৱাই যাব লাগিব। দূৰ দিগন্তলৈকে সপোন দেখিব লাগিব।



‘শান্তি’ বিধেয়ক, ২০২৫

# এটি সুৰক্ষিত, স্বচ্ছ আৰু শক্তিশালী ভৱিষ্যতৰ আধাৰ

*‘সুৰক্ষা প্ৰথম, উৎপাদন পিছত’*

ভাৰতে নেট জিৰ’ @২০৭০-ৰ অংগীকাৰে লৈ আগবাঢ়িছে। এই অংগীকাৰক সুদৃঢ় কৰিবলৈ দেশখনে ২০৪৭-ৰ ভিতৰত ক্ৰমবৰ্ধমান শক্তিৰ চাহিদা পূৰণৰ ক্ষেত্ৰত নীৰৱচ্ছিন্ন যোগান নিশ্চিতকৰণৰ অৰ্থে ১০০ গিগাৱাট পাৰমাণৱিক শক্তি ক্ষমতা আহৰণৰ লক্ষ্যত উপনীত হোৱাৰ দিশতো কাম কৰি আছে। এই দৃষ্টিভংগীৰে সংসদে “ৰূপান্তৰিত ভাৰতৰ বাবে পাৰমাণৱিক শক্তিৰ বহনক্ষম ব্যৱহাৰ আৰু উন্নীতকৰণ বিধেয়ক, ২০২৫” বা শান্তি বিল (SHAN-TI Bill) গৃহীত কৰিছে। এই বিধেয়কে বিশ্বজুৰি স্বচ্ছ শক্তিৰ অভিযোজনাৰ ক্ষেত্ৰত ভাৰতৰ আস্থা, বৈজ্ঞানিক পৰিপক্কতাআৰু দায়বদ্ধতা স্পষ্টভাৱে প্ৰদৰ্শন কৰিছে...

‘শান্তি’ বিধেয়ক, ২০২৫ কেৱল এখন বিধেয়ক নহয়, বৰঞ্চ স্বচ্ছ শক্তিৰ সঞ্চাৰেৰে জীৱনৰ এক নতুন ৰূপান্তৰ। ভাৰতৰ অসামৰিক পাৰমাণৱিক শক্তি খণ্ডক আধুনিকীকৰণৰ বাবে বিধেয়কখন উত্থাপন কৰা হৈছিল। এই বিধেয়কৰ জৰিয়তে ভাৰতে নিজৰ পাৰমাণৱিক শক্তি খণ্ডৰ আধুনিকীকৰণৰ দিশত পদক্ষেপ গ্ৰহণ কৰিব। বিধেয়কখনৰ অধীনত ব্যক্তিগত কোম্পানীসমূহে পাৰমাণৱিক শক্তি প্ৰকল্প, বিদ্যুৎ উৎপাদন, সঁজুলি নিৰ্মাণআৰু নিৰ্দিষ্ট কেতবোৰ কাৰ্য্যকলাপত অংশগ্ৰহণ কৰিব পাৰিব, আনহাতে সুৰক্ষা আৰু কৌশলগত নিয়ন্ত্ৰণ চৰকাৰৰ হাতত থাকিব। তদুপৰি, পাৰমাণৱিক বিকিৰণৰ সৈতে জড়িত সকলো ক্ৰিয়া-কলাপৰ ক্ষেত্ৰত পূৰ্ব অনুমতি গ্ৰহণ কৰাটো বাধ্যতামূলক হ’ব। বিধেয়কখনে পাৰমাণৱিক শক্তি আইন, ১৯৬২ আৰু পাৰমাণৱিক ক্ষতিৰ বাবে নাগৰিক দায়বদ্ধতা (CLND) আইন, ২০১০-ৰ বিধানসমূহক একত্ৰিত আৰু যুক্তিসংগত কৰিছে। ইয়াৰ উপৰি ই পাৰমাণৱিক শক্তি নিয়ামক পৰিষদক বিধিগত মৰ্য্যাদা প্ৰদান কৰিছে।

এই বিধেয়কে স্বাস্থ্যসেৱা, কৃষি, উদ্যোগ, গৱেষণাআৰু আন-আন শান্তিপূৰ্ণ প্ৰয়োগত পাৰমাণৱিক আৰু বিকিৰণ প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে এক নিয়ন্ত্ৰণ কাঠামো প্ৰশস্ত কৰিছে। বিধেয়কখনে গৱেষণা, উন্নয়ন আৰু উদ্ভাৱনৰ সৈতে জড়িত সীমিত কাৰ্য্যকলাপক অনুজ্ঞাপত্ৰৰ (licensing) পৰা ৰেহাই প্ৰদান কৰিছে আৰু নিয়ামক স্বতন্ত্ৰতা তথা কৰ্তৃত্বক সুদৃঢ় কৰিবলৈ পাৰমাণৱিক শক্তি নিয়ামক পৰিষদক (AERB) আনুষ্ঠানিক বিধিগত স্বীকৃতিও প্ৰদান কৰিছে।

## পাৰমাণৱিক সুৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব

- এতিয়া সুৰক্ষাৰ বাবে এখন আইনঃ সুৰক্ষা এতিয়া কেৱল "উত্তম পন্থা" (good practice) নহয়, বৰঞ্চ এক কঠোৰ আইনী বাধ্যবাধকতা। সকলো সুৰক্ষা নীতি-নিয়মক এতিয়া একক, স্পষ্ট আৰু ঐক্যবদ্ধ আইনত সন্নিবিষ্ট কৰা হৈছে।
- শক্তিশালী পাৰমাণৱিক "তদাৰকী সংস্থা": 'শান্তি'বিলখনে পাৰমাণৱিক শক্তি নিয়ামক পৰিষদ (AERB) ক বিধিগত মৰ্য্যাদা প্ৰদান কৰিছে। এতিয়া ইয়াৰ সকলো পাৰমাণৱিক প্ৰকল্প পৰিদৰ্শন কৰাৰ, ত্ৰুটি ধৰা পেলোৱা আৰু সুৰক্ষা সম্পৰ্কীয় মান পূৰণ নোহোৱা মাত্ৰকে তৎক্ষণাত বন্ধ কৰি দিয়াৰ আইনী কৰ্তৃত্ব আছে।
- সকলোৰে বাবে সমান নিয়মঃ ব্যক্তিগত কোম্পানীসমূহেও এক কঠোৰ বহু-স্তৰীয় অনুজ্ঞাপত্ৰ (licensing) প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়িব লাগিব। ক্ষেত্ৰ বাছনি, নিৰ্মাণ বা কাম আৰম্ভ কৰাৰ লগে লগে এই নিয়ম প্ৰযোজ্য হ'ব।
- নতুন প্ৰজন্মৰ সুৰক্ষাত গুৰুত্বঃ বিধেয়কখনে নিষ্ক্ৰিয় (passive) সুৰক্ষা ব্যৱস্থা সম্পন্ন সৰু মডিউলাৰ ৰিয়েক্টৰ (SMR)ক প্ৰসাৰিত কৰিছে। ইয়াৰ ফলত মানৱ ত্ৰুটিৰ আশংকা হ্ৰাস পাইছে।
- অনুজ্ঞাপত্ৰৰ স্পষ্ট নিয়মঃ কোনে পাৰমাণৱিক প্ৰকল্প স্থাপন আৰু পৰিচালনা কৰিব পাৰে, তাক এতিয়া স্পষ্টভাৱে নিৰ্ধাৰণ কৰা হৈছে। ইয়াত জবাবদিহিতা সম্পূৰ্ণ স্পষ্ট হৈ পৰিছে।
- অধিক-বিপদসংকুল কাৰ্য্যসমূহ কেন্দ্ৰীয় চৰকাৰে নিয়ন্ত্ৰণ কৰিবঃ'শান্তি' বিধেয়কখনে কেতবোৰ ক্ষেত্ৰত ব্যক্তিগত অংশগ্ৰহণৰ অনুমতি প্ৰদান কৰিছে যদিও ইন্ধন চক্ৰৰ দৰে অধিক স্পৰ্শকাতৰ কাৰ্য্যসমূহ কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত থাকিব।
- প্ৰতিটো পৰ্য্যায়তে সুৰক্ষা বাধ্যতামূলকঃ এতিয়া প্ৰকল্প স্থাপনৰ পৰা আৰম্ভ কৰি ডি-কমিছনিঙলৈকে প্ৰতিটো পৰ্য্যায়তে সুৰক্ষা পৰিদৰ্শন আইনগতভাৱে প্ৰয়োজনীয়।
- প্ৰতিটো কামৰ পূৰ্বে অনুমতিৰ প্ৰয়োজনঃ বিকিৰণৰ বিপদাশংকা সৃষ্টি কৰা যিকোনো কামৰ ক্ষেত্ৰত পূৰ্বেই বিশেষ সুৰক্ষাজনিত অনুমতিৰ প্ৰয়োজন হ'ব।



"

'শান্তি' বিধেয়ক গৃহীত হোৱা কাৰ্য্য আমাৰ প্ৰযুক্তি বাতাবৰণৰ বাবে এক উল্লেখযোগ্য ৰূপান্তৰশীল মুহূৰ্ত- ইয়াক গৃহীতকৰণত সমৰ্থন আগবঢ়োৱা সাংসদসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলো। কৃত্ৰিম বুদ্ধিমত্তাৰ নিৰাপদ পৰিচালনাৰ পৰা আৰম্ভ কৰি সেউজ উৎপাদনক প্ৰশস্ত কৰালৈকে বিধেয়কখনে দেশ আৰু বিশ্বৰ স্বচ্ছ শক্তিৰ ভৱিষ্যতক নিৰ্ণায়ক গতি প্ৰদান কৰিছে। ই ব্যক্তিগত খণ্ড আৰু আমাৰ যুৱক-যুৱতীসকলৰ বাবেও একাধিক সুযোগৰ উন্মেষ ঘটাইছে।

**নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী

### ক্ষতিপূৰণ হ্ৰাস নাপায়

কেন্দ্ৰীয় মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে স্পষ্ট কৰি দিয়ে যে বিধেয়কখনে ক্ষুদ্ৰ বিনিয়োগকাৰীৰ অংশগ্ৰহণক উৎসাহিত কৰিবলৈ শ্ৰেণীবদ্ধ লায়েবিলিটি লিমিট নিৰ্ধাৰণ কৰিছে। ভুক্তভোগীলৈ আগবঢ়োৱা ক্ষতিপূৰণ হ্ৰাস নহয়। কোনো দুৰ্ঘটনাৰ ফলত হোৱা ক্ষতিয়ে অপাৰেটৰৰ নিৰ্ধাৰিত লায়েবিলিটিৰ সীমা অতিক্ৰম কৰা মাত্ৰকে চৰকাৰে পাৰমাণৱিক দায়বদ্ধতা পুঁজি আৰু আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ জৰিয়তে সম্পূৰ্ণ আৰু ফলপ্ৰসূ ক্ষতিপূৰণ আগবঢ়াব। তদুপৰি "পাৰমাণৱিক ক্ষতি"ৰ সংজ্ঞাক সম্প্ৰসাৰিত কৰি ইয়াত পাৰিপাৰ্শ্বিক ক্ষতিক স্পষ্টভাৱে অন্তৰ্ভুক্ত কৰা হৈছে।

### ৰাষ্ট্ৰীয় স্বাৰ্থৰ ক্ষেত্ৰত আপোচ নকৰাকৈ ইয়াৰ লালন-পালন

ভাৰতে কেৱল দেশৰ নিৰ্দিষ্ট পৰিস্থিতি আৰু স্বাৰ্থৰে প্ৰাসংগিক আন্তঃৰাষ্ট্ৰীয় উত্তম পদ্ধতিসমূহৰ অভিযোজনা কৰিব। এই প্ৰক্ৰিয়াত ভাৰতৰ কৌশলগত স্বায়ত্তশাসন, ৰাষ্ট্ৰীয় স্বাৰ্থবা গতানুগতিক সামৰ্থ্যৰ সৈতে কোনো ধৰণৰ আপোচ কৰা নহ'ব। 'শান্তি' বিধেয়কখন অসামৰিক পাৰমাণৱিক শক্তি ব্যৱহাৰৰ মাজতে কঠোৰভাৱে সীমাবদ্ধ, একেদৰে ইউৰেনিয়াম এনৰিচমেণ্ট লেভেল ৰিয়েক্টৰৰ প্ৰয়োজনীয়তাৰ মাজতে ই সীমাবদ্ধ। ই কোনো কাৰণতে অস্ত্ৰ-ভিত্তিক কাৰ্য্যকলাপৰ সৈতে জড়িত নহয়। 'শান্তি' বিধেয়ক, ২০২৫-এ আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বাবে নতুন সুযোগৰ পথ প্ৰশস্ত




ভ্ৰান্ত ধাৰণাঃপাৰমাণৱিক শক্তিয়ে বিদ্যুতক ব্যয়বহুল কৰি তুলব।

সত্যঃ পাৰমাণৱিক শক্তিয়ে নিৰ্ভৰযোগ্য ২৪x৭ জোৰা বিদ্যুৎ প্ৰদান কৰিছে আৰু ইন্ধনৰ ব্যয় সুস্থিৰ হৈ আছে।

- প্ৰকল্পসমূহ ৬০-৮০ বছৰ ধৰি কাৰ্য্যক্ষম হৈ থাকিব, অৰ্থাৎ সময়ৰ লগে-লগে বিদ্যুতৰ বিল অধিক সস্তা আৰু সুস্থিৰ হ'ব।

ভ্ৰান্ত ধাৰণাঃ উক্ত সংস্কাৰ সাধনকাৰ্য্যই কেৱল বৃহৎ উদ্যোগপতি সকলকহে উপকৃত কৰিছে।

সত্যঃ 'শান্তি' বিধেয়কে ২০২৫-ৰ পৰা এমএছএমই আৰু ষ্টাৰ্টআপসমূহৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিছে।

- হাজাৰ-হাজাৰ উপাংশৰ যোগান, এআই, স্বাস্থ্য আৰু নতুন সামগ্ৰীৰ উদ্ভাৱনত অংশগ্ৰহণ।
- গৱেষণাৰ বাবে ব্যয়বহুল প্ৰকল্পৰ প্ৰয়োজন নাই।

ভ্ৰান্ত ধাৰণাঃ পাৰমাণৱিক শক্তিক ব্যক্তিগতকৰণ কৰা হৈছে।

সত্যঃ ব্যক্তিগতকৰণ নহয়! পাৰমাণৱিক ইন্ধনৰ ক্ষেত্ৰত চৰকাৰী নিয়ন্ত্ৰণৰহে ব্যৱস্থা কৰা হৈছে।

- চৰকাৰে ব্যৱহৃত ইন্ধনৰ সুৰক্ষা, নিৰাপত্তা আৰু নিৰীক্ষণৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ অক্ষুণ্ণ ৰাখিব।
- ব্যক্তিগত কোম্পানীসমূহে বিনিয়োগ আৰু নিয়োগ সৃষ্টি কৰিব।

ভ্ৰান্ত ধাৰণাঃ পাৰমাণৱিক শক্তি ভাৰতৰ ভৱিষ্যতৰ প্ৰতি ভাবুকি স্বৰূপ।

সত্যঃ পাৰমাণৱিক শক্তিয়ে প্ৰদূষণ হ্ৰাস কৰে। কয়লা আৰু তেলৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰে।

- ই বৈদ্যুতিক বাহন, কৃত্ৰিম বুদ্ধিমত্তা আৰু গ্ৰীণ হাইড্ৰজেনৰ দৰে নতুন খণ্ডসমূহৰ বিকাশত সহায় কৰে।

ভ্ৰান্ত ধাৰণাঃ পাৰমাণৱিক শক্তি কেৱল বিদ্যুতৰ বাবেহে উপযোগী।

সত্যঃ কৰ্কট ৰোগৰ চিকিৎসা, খাদ্য সুৰক্ষা, বিশুদ্ধ খোৱাপানী আৰু কৃষিক্ষেত্ৰৰ অগ্ৰগতিৰ ক্ষেত্ৰতো পাৰমাণৱিক প্ৰযুক্তিক ব্যৱহাৰ কৰা হয়। নতুন বিধেয়কখনৰ জৰিয়তে পাৰমাণৱিক শক্তিৱে কেৱল বিদ্যুৎ উৎপাদন কৰাই নহয়, বৰঞ্চ ই মানুহৰ জীৱন-যাত্ৰাৰ ব্যাপক পৰিৱৰ্তন সাধন কৰিব।

ভ্ৰান্ত ধাৰণাঃ ব্যক্তিগত কোম্পানীসমূহে সুৰক্ষাৰ ক্ষেত্ৰত আপোচ কৰিব।

সত্যঃ কোনো অপাৰেটৰক চৰকাৰী অনুজ্ঞাপত্ৰ, সুৰক্ষাৰ প্ৰমাণপত্ৰ আৰু বাধ্যতামূলক বীমা অবিহনে অনুমতি প্ৰদান কৰা নহ'ব।

- নিয়ম ভংগ কৰিলে চৰকাৰে সংশ্লিষ্ট প্ৰকল্পটো বন্ধ কৰি দিব পাৰে বা ইয়াক নিয়ন্ত্ৰণ কৰিব পাৰে। সুৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব।

> "'শান্তি' বিধেয়কখন মোদী চৰকাৰৰ অন্যতম সৰ্ববৃহৎ বিজ্ঞান সংস্কাৰ হিচাপে ইতিহাসত স্মৰণীয় হৈ থাকিব।
>
> **ডাঃ জিতেন্দ্ৰ সিং**
> কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী



কৰিব। আন্তঃৰাষ্ট্ৰীয় সহযোগিতাই পাৰমাণৱিক ৰিয়েক্টৰৰ বিকাশৰ পথ মুকলি কৰিব। ইয়াৰ সমান্তৰালকৈ বিধেয়কখনে পাৰমাণৱিক শক্তিৰ শান্তিপূৰ্ণ ব্যৱহাৰৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বাবে এক স্পষ্ট নিয়ন্ত্ৰণ কাঠামো আগবঢ়াইছে।

ৰূপান্তৰিত ভাৰতৰ বাবে পাৰমাণৱিক শক্তিৰ বহনক্ষম ব্যৱহাৰ আৰু উন্নীতকৰণ বিধেয়ক, ২০২৫ হৈছে ভাৰতৰ পাৰমাণৱিক শক্তি যাত্ৰাৰ পৰৱৰ্তী পৰ্য্যায়ৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

আইনী কাঠামোক আধুনিকীকৰণ আৰু প্ৰতিষ্ঠানিক তদাৰকী ব্যৱস্থাক সুদৃঢ়কৰণেৰে ই অধিক কাৰ্য্যক্ষম, দূৰদৰ্শী, উদ্ভাৱনীমূলক আৰু নিৰাপদ পাৰমাণৱিক শক্তি বাতাবৰণৰ ভেটি স্থাপন কৰিছে। বিধেয়কখনে ২০৪৭-ৰ ভিতৰত ভাৰতৰ পাৰমাণৱিক শক্তি অভিযানৰ ১০০ গিগাৱাট পাৰমাণৱিক শক্তি ক্ষমতাৰ লক্ষ্যক সুদৃঢ় কৰিব। দেশখন শক্তি আত্ম-নিৰ্ভৰতা আৰু প্ৰযুক্তিগত অগ্ৰগতিৰ দিশত ধাৱমান হোৱাৰ লগে-লগে ভাৰতৰ পাৰমাণৱিক শক্তি আৰু বিস্তৃত শক্তি বাতাবৰণৰ বিকাশক ত্বৰান্বিত কৰাত আইনখনে এটি নিৰ্ণায়ক ভূমিকা পালন কৰিব।

কিংবদন্তি ভাস্কৰ্য্য শিল্পী ৰাম সুতাৰৰ দেহাৱসান

# শিলত প্ৰবাহিত কৰা শিল্পীজন



জন্মঃ ১৯ ফেব্ৰুৱাৰী, ১৯২৫। মৃত্যুঃ ১৮ ডিচেম্বৰ, ২০২৫

**বিশ্বৰ সৰ্বোচ্চ প্ৰতিমূৰ্তি, গুজৰাটৰ 'ঐক্যৰ মূৰ্তি'ৰ আৰ্হি প্ৰস্তুতকাৰী প্ৰখ্যাত আৰু বিশিষ্ট ভাস্কৰ্য্য শিল্পী ৰাম বঞ্জী সুতাৰে ২০২৫-ৰ ১৮ ডিচেম্বৰত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ কলাই শিলক কেৱল আকৃতি প্ৰদানেই নহয়, বৰঞ্চ ইয়াত প্ৰাণৰ সঞ্চাৰ কৰিছিল। ঐতিহাসিক ভাস্কৰ্য্যৰ সৃষ্টিকৰ্তা সুতাৰে অজন্তা আৰু ইলোৰাৰ ভাস্কৰ্য্যৰাজিৰ পুনৰুদ্ধাৰৰ প্ৰচেষ্টাতো উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। তেওঁ অসাধাৰণ অৱদানৰ জৰিয়তে ভাৰতৰ কলাত্মক আৰু সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধ কৰাই নহয়, বৰঞ্চ ভৱিষ্যৎ প্ৰজন্মকো অনুপ্ৰাণিত কৰি যাব...**

মুম্বাইৰ জে.জে.স্কুল অৱ আৰ্ট এণ্ড আৰ্কিটেকচাৰৰ পৰা স্বৰ্ণ পদক বিজয়ী ৰাম সুতাৰৰ জন্ম হৈছিল ১৯২৫-ত মহাৰাষ্ট্ৰৰ ধুলে জিলাত। ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে তেওঁৰ বিয়োগত শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ অৱদানক স্মৰণ কৰে। ৰাম সুতাৰৰ দেহাৱসানত শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্স-ত এইদৰে লিখিছে, "ৰাম সুতাৰ জীৰ বিয়োগত শোকাহত হৈছো। তেওঁ এগৰাকী অসাধাৰণ ভাস্কৰ্য্য শিল্পী আছিল, তেওঁৰ কলাই কেভাদিয়াৰ ঐক্যৰ মূৰ্তিকে ধৰি ভাৰতৰ একাধিক চিনাকি স্মৃতিচিহ্নত প্ৰাণ পাই উঠিছে। তেওঁৰ কৰ্মৰাজি ভাৰতৰ ইতিহাস, সংস্কৃতি আৰু সামূহিক মনোভাৱৰ শক্তিশালী প্ৰকাশ হিচাপে স্মৰণীয় হৈ থাকিব। তেওঁ আগন্তুক প্ৰজন্মসমূহৰ বাবে ৰাষ্ট্ৰীয় গৌৰৱক অমৰ কৰি ৰাখিছে। তেওঁৰ সৃষ্টিৰাজিয়ে শিল্পী আৰু নাগৰিকসকলক একেদৰেই অনুপ্ৰাণিত কৰি থাকিব। মই তেওঁৰ পৰিয়ালবৰ্গ, অনুৰাগী আৰু তেওঁৰ আশ্চৰ্য্যকৰ জীৱন পৰিক্ৰমা তথা কৰ্মই স্পৰ্শ কৰা সকলোলৈকে মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ। ওঁম শান্তি।"

১৯৯৯-ত পদ্মশ্ৰী আৰু ২০১৬-ত পদ্মভূষণ বঁটা লাভ কৰা সুতাৰলৈ শেহতীয়াকৈ মহাৰাষ্ট্ৰৰ সৰ্বোচ্চ ৰাজ্যিক সন্মান মহাৰাষ্ট্ৰ ভূষণো আগবঢ়োৱা হৈছে। সংসদ ভৱন চৌহদত ধ্যানমগ্ন ভংগীমাত থকা মহাত্মা গান্ধী আৰু অশ্বাৰোহী ছত্ৰপতি শিৱাজীৰ বিখ্যাত ভাস্কৰ্য্য তেওঁৰ উৎকৃষ্ট সৃষ্টিৰাজিৰ ভিতৰৰে অন্যতম। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০০ বছৰ। তেওঁৰ বিয়োগক ভাৰতীয় কলা জগতখনৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কয়, "ভগৱানে বিদেহ আত্মাক শান্তি প্ৰদান কৰক আৰু তেওঁৰ পৰিয়ালবৰ্গ তথা অনুৰাগীসকলক এই দুখ সহ্য কৰিবলৈ শক্তি প্ৰদান কৰক।"

ৰাম সুতাৰে বাংগালুৰুত নদপ্ৰভু কেম্পেগৌড়াৰ ১০৮-ফুট-উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি নিৰ্মাণতো উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। ইয়াৰ উপৰি তেওঁ ভাৰত আৰু বিদেশত একাধিক মূৰ্তি নিৰ্মাণত অৰিহণা যোগাইছে, যিয়ে ভাৰতৰ প্ৰতিপত্তি বৃদ্ধি কৰিছে।



জৰ্ডান, ইথিওপিয়া আৰু ওমান

# তিনিখন দেশ, এক বাৰ্তা
# সহযোগিতা, উন্নয়ন, আৰু বিশ্বাস

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জৰ্ডান, ইথিওপিয়া, ওমান ভ্ৰমণ হৈছে উক্ত তিনিওখন ৰাষ্ট্ৰৰ সৈতে দীৰ্ঘদিনীয়া সম্পৰ্ক শক্তিশালী কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। এই ভ্ৰমণত উমৈহতীয়া সভ্যতা, সংস্কৃতি, আৰু সহযোগিতাৰ ওপৰত ভিত্তি কৰি সম্পৰ্ক গভীৰ কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছিল। ভ্ৰমণৰ সময়ত অনুষ্ঠিত হোৱা আলোচনা আৰু বৈঠকে উমৈহতীয়া ঐতিহ্যক প্ৰসাৰিত কৰা, কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰা আৰু ভৱিষ্যতৰ সুযোগসমূহ অন্বেষণ কৰাত গুৰুত্ব প্ৰদান কৰে। সামগ্ৰিকভাৱে এই ভ্ৰমণে ভাৰত আৰু এই দেশসমূহৰ মাজত পাৰস্পৰিক সহযোগিতা, বিশ্বাস আৰু অংশীদাৰিত্বৰ এক নতুন পৰ্যায়ৰ আৰম্ভণি কৰে....

জৰ্ডানৰ সৈতে ৭৫ বছৰীয়া আৰু ওমানৰ সৈতে ৭০ বছৰীয়া কূটনৈতিক সম্পৰ্ক সম্পূৰ্ণ হোৱাৰ লগে লগে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কই এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিত উপনীত হয়। একে সময়তে ইথিওপিয়া ভ্ৰমণকে ধৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জৰ্ডান আৰু ওমান ভ্ৰমণে এই দেশসমূহৰ সৈতে ভাৰতৰ কৌশলগত সম্পৰ্কক নতুন গতি প্ৰদান কৰে। এই ভ্ৰমণত পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰা, উমৈহতীয়া উমৈহতীয়া বিকাশ আৰু সমৃদ্ধিৰ নতুন সুযোগ অন্বেষণ কৰা আৰু আঞ্চলিক শান্তি, সমৃদ্ধি, নিৰাপত্তা আৰু স্থিতিশীলতাক প্ৰসাৰ কৰা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। ২০২৫ চনৰ ১৫ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ প্ৰধানমন্ত্ৰী মোদীৰ এই তিনিখন দেশ ভ্ৰমণ আন বহু দিশত তাৎপৰ্যপূৰ্ণ আৰু ই এই অঞ্চলৰ সৈতে ভাৰতৰ ক্ৰমবৰ্ধমান সংযোগক প্ৰতিফলিত কৰে।

ভ্ৰমণৰ প্ৰথম পৰ্যায়ত জৰ্ডানত উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। তেওঁক আম্মান বিমানবন্দৰত আদৰণি জনায় জৰ্ডানৰ প্ৰধানমন্ত্ৰী জাফৰ হাছানে। ৩৭ বছৰৰ ভিতৰত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ জৰ্ডান ভ্ৰমণৰ এয়াই আছিল প্ৰথম পূৰ্ণাংগ দ্বিপাক্ষিক ভ্ৰমণ, ফলত

### ভাৰত আৰু জৰ্ডানৰ মাজত চুক্তি

- নতুন আৰু নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত কাৰিকৰী সহযোগিতা।
- জলসম্পদ ব্যৱস্থাপনা আৰু উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা।
- পেট্ৰা আৰু ইলোৰাৰ মাজত সহযোগিতাৰ চুক্তি।
- ২০২৫-২০২৯ চনৰ বাবে সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ নবীকৰণ।
- ডিজিটেল ৰূপান্তৰৰ বাবে জনসংখ্যাৰ পৰিসৰত ৰূপায়িত সফল ডিজিটেল সমাধানসমূহ উমৈহতীয়াৰ ক্ষেত্ৰত সহযোগিতাৰ উদ্দেশ্য পত্ৰ

ই এক ঐতিহাসিক অনুষ্ঠান হিচাপে পৰিগণিত হৈছিল। এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে সম্ৰাট দ্বিতীয় আব্দুল্লাকো সাক্ষাৎ কৰে, যিয়ে ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলাই থকা যুঁজৰ প্ৰতি পূৰ্ণ সমৰ্থন প্ৰকাশ কৰে আৰু সন্ত্ৰাসবাদক গৰিহণা দিয়ে। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু নিৰাপত্তা,

## ভাৰত-জৰ্ডানৰ যুটীয়া বিবৃতি

- **ৰাজনৈতিক সম্পৰ্কঃ** দুয়োখন দেশেই সহযোগিতা আৰু অধিক সম্প্ৰসাৰণ আৰু নিজৰ নিজৰ উন্নয়নৰ লক্ষ্যক সমৰ্থন কৰিবলৈ নিৰ্ভৰযোগ্য অংশীদাৰ হিচাপে একেলগে থিয় দিবলৈ সন্মত হয়। পঞ্চম ৰাউণ্ডৰ ৰাজনৈতিক আলোচনা নতুন দিল্লীত অনুষ্ঠিত কৰাৰ বিষয়তো সহমতত উপনীত হয়।
- **অৰ্থনৈতিক সহযোগিতাঃ** ভাৰতে জৰ্ডানৰ তৃতীয় বৃহত্তম বাণিজ্যিক অংশীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনাৰ বাবে ২০২৬ চনৰ প্ৰথমাৰ্ধত বাণিজ্য আৰু অৰ্থনৈতিক যুটীয়া সমিতিৰ একাদশ বৈঠক অনুষ্ঠিত কৰিবলৈও দুয়োপক্ষই সন্মতি প্ৰকাশ কৰে।
- **প্ৰযুক্তি আৰু শিক্ষাঃ** ডিজিটেল প্ৰযুক্তি তথা শিক্ষাৰ ক্ষেত্ৰত দুয়োপক্ষই দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা কৰে। লগতে তেওঁলোকে একেলগে কাম কৰি এক সুৰক্ষিত, বিশ্বাসযোগ্য, নিৰ্ভৰযোগ্য আৰু সৰ্বাংগীণ ডিজিটেল পৰিৱেশ নিশ্চিত কৰিবলৈ সন্মত হয়।
- **স্বাস্থ্যঃ** দুয়োপক্ষই টেলিমেডিচিনক প্ৰসাৰিত কৰিবলৈ আৰু স্বাস্থ্যসেৱা কৰ্মশক্তিৰ সামৰ্থ্য বিকাশ আৰু প্ৰশিক্ষণত সহায় কৰিবলৈ বিশেষজ্ঞতা ভাগ-বতৰা কৰিবলৈ সন্মত হয়।
- **কৃষিঃ** খাদ্য সুৰক্ষা আৰু পুষ্টি নিশ্চিত কৰাৰ ক্ষেত্ৰত কৃষিৰ গুৰুত্বপূৰ্ণ ভূমিকাক দুয়োপক্ষই স্বীকাৰ কৰি এই খণ্ডত সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ বাবে এক উমৈহতীয়া প্ৰতিশ্ৰুতিৰ প্ৰতিফলিত কৰিছে।
- **সেউজ আৰু বহনক্ষম উন্নয়নঃ** জলবায়ু পৰিৱৰ্তন, পৰিৱেশ সুৰক্ষা, আৰু নতুন আৰু নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰক প্ৰসাৰিত কৰাকে ধৰি বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে দুয়োপক্ষই আলোচনা কৰে। নতুন আৰু নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰতো কাৰিকৰী সহযোগিতা আগবঢ়াবলৈ সন্মত হয়।
- **সাংস্কৃতিক সহযোগিতাঃ** দুয়োপক্ষই সাংস্কৃতিক বিনিময় কাৰ্যসূচী (২০২৫-২০২৯)ৰ স্বাক্ষৰক আদৰণি জনায়। সংগীত, নৃত্য, নাট্য, শিল্প, আৰ্কাইভ, পুথিভঁৰাল, সাহিত্য, সাংস্কৃতিক উৎসৱ আদিত সহযোগিতা শক্তিশালী কৰিবলৈ সন্মত হয়।
- **বহুপাক্ষিক সহযোগিতাঃ** দুয়োপক্ষই জৈৱ ইন্ধনক এক বহনক্ষম, কম কাৰ্বনযুক্ত বিকল্প হিচাপে স্বীকৃতি দিয়ে, যিয়ে দুয়োখন দেশৰ জনসাধাৰণৰ বাবে অৰ্থনৈতিক আৰু সামাজিক উন্নয়নত সহায় কৰাৰ লগতে নিৰ্গমন হ্ৰাসৰ প্ৰতিশ্ৰুতি পূৰণ কৰাত সহায় কৰিব পাৰে।



নবীকৰণযোগ্য শক্তি, সাৰ আৰু কৃষি, উদ্ভাৱন, তথ্য প্ৰযুক্তি আৰু আন্তঃগাঁথনি, স্বাস্থ্য আৰু ঔষধ, পৰ্যটন, ঐতিহ্য, সংস্কৃতি, আৰু সামগ্ৰিক দ্বিপাক্ষিক সম্পৰ্ককে ধৰি কেইবাটাও ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰে। ভাৰত জৰ্ডানৰ তৃতীয় বৃহত্তম বাণিজ্যিক অংশীদাৰ, আৰু প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে অহা পাঁচ বছৰত দ্বিপাক্ষিক বাণিজ্য ৫ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য হাতত লোৱা হৈছে। তেওঁ আলোকপাত কৰে যে ভাৰতৰ শক্তিশালী ঔষধ আৰু চিকিৎসা সঁজুলি খণ্ড আৰু জৰ্ডানৰ কৌশলগত ভৌগোলিক অৱস্থানে পৰস্পৰে পৰস্পৰৰ বাবে পৰিপূৰক হিচাপে কাম কৰিব পাৰে। ভাৰতৰ সেউজ পদক্ষেপৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে নবীকৰণযোগ্য শক্তি, সেউজ বিত্তীয় সাহায্য আৰু পানীৰ পুনঃব্যৱহাৰৰ ক্ষেত্ৰত ব্যৱসায়িক সহযোগিতা সম্প্ৰসাৰণৰ পৰামৰ্শ আগবঢ়ায়। জৰ্ডান ভাৰতৰ বাবে সাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ যোগানকাৰীও। দুয়োখন দেশৰ কোম্পানীয়ে ভাৰতৰ ফছফেটিক সাৰৰ ক্ৰমবৰ্ধমান চাহিদা পূৰণৰ বাবে জৰ্ডানত বৃহৎ বিনিয়োগ কৰাৰ বিষয়ে আলোচনা কৰিছে। সম্ৰাট দ্বিতীয় আব্দুল্লাই উল্লেখ কৰে যে জৰ্ডানৰ মুক্ত বাণিজ্য চুক্তিসমূহে ভাৰতৰ অৰ্থনৈতিক শক্তিৰ সৈতে মিলি দক্ষিণ এছিয়া, পশ্চিম এছিয়া আৰু ইয়াৰ বাহিৰৰ দেশসমূহক সংযোগ কৰা এক অৰ্থনৈতিক কৰিডৰ সৃষ্টি কৰাত সহায় কৰিব পাৰে।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ অনুষ্ঠান চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*



ইথিওপিয়া ভ্ৰমণ...

# ৫ বিলিয়ন ডলাৰৰ বিনিয়োগে সৃষ্টি কৰিছে ৭৫,০০০ চাকৰিৰ সুযোগ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইথিওপিয়াৰ ৰাষ্ট্ৰীয় প্ৰাসাদত দেশখনৰ প্ৰধানমন্ত্ৰী ড. অবি আহমেদক সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। আলোচনাকালত দুয়োগৰাকী নেতাই ভাৰত-ইথিওপিয়াৰ সম্পৰ্কক কৌশলগত অংশীদাৰিত্বৰ স্তৰলৈ উন্নীত কৰিবলৈ সন্মত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে আলোকপাত কৰে যে ২০২৩ চনত ভাৰতৰ ৰাষ্ট্ৰপতিত্বৰ সময়ত আফ্ৰিকান ইউনিয়নক জি-২০ৰ স্থায়ী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাটো ভাৰতৰ বাবে এক বিশেষ সন্মান। পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতৰ সৈতে সংহতি প্ৰদৰ্শন কৰাৰ বাবে ইথিওপিয়াৰ প্ৰতি প্ৰধানমন্ত্ৰী মোদীয়ে কৃতজ্ঞতা প্ৰকাশ কৰে।

দুয়োগৰাকী নেতাই ভাৰত আৰু ইথিওপিয়াৰ মাজত বাণিজ্য তথা বিনিয়োগ, উদ্ভাৱন আৰু প্ৰযুক্তি, শিক্ষা আৰু সামৰ্থ্য বিকাশ, প্ৰতিৰক্ষা সহযোগিতাৰ দৰে ক্ষেত্ৰসমূহ সামৰি ভাৰত আৰু ইথিওপিয়াৰ বিস্তৃত তথা বহুখণ্ডীয় অংশীদাৰিত্বৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতীয় কোম্পানীসমূহে ইথিওপিয়াৰ অৰ্থনীতিত ৫ বিলিয়ন মাৰ্কিন ডলাৰতকৈ অধিক বিনিয়োগ কৰিছে, যাৰ ফলত মূলতঃ উৎপাদন আৰু ঔষধৰ ক্ষেত্ৰত ৭৫ হাজাৰতকৈ অধিক স্থানীয় চাকৰিৰ সৃষ্টি হৈছে। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে গ্ল'বেল চাউথৰ উদ্বেগসমূহৰ সমাধানৰ বাবে একেলগে কাম কৰাৰ প্ৰতিশ্ৰুতিৰ কথা পুনৰ দৃঢ় কৰে। ৰাষ্ট্ৰসংঘকে ধৰি বহুপাক্ষিক মঞ্চত সহযোগিতাৰ বিষয়েও আলোচনা কৰা হয়। নেতাদ্বয়ে জলবায়ু পৰিৱৰ্তন, নবীকৰণযোগ্য শক্তি, দুৰ্যোগৰ আশংকা হ্ৰাসৰ দৰে বিশ্বৰ মূল বিষয়সমূহত অধিক শক্তিশালী সহযোগিতাৰ আহ্বান জনায়।

## ইথিওপিয়াৰ সংসদৰ যৌথ অধিৱেশনত ভাষণ আগবঢ়ায় প্ৰধানমন্ত্ৰী মোদীয়ে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৭ ডিচেম্বৰত ইথিওপিয়াৰ সংসদৰ যৌথ অধিৱেশনত আগবঢ়ায় আৰু ভাৰত তথা ইথিওপিয়াই প্ৰাচীন প্ৰজ্ঞাক আধুনিক আকাংক্ষাৰ সৈতে মিশ্ৰণ ঘটোৱা বুলি মন্তব্য কৰে। এই প্ৰসংগত তেওঁ উল্লেখ কৰে যে ভাৰতৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম আৰু ইথিওপিয়াৰ জাতীয় সংগীত দুয়োটাই নিজৰ নিজৰ মাটিক মাতৃ হিচাপে বৰ্ণনা কৰিছে। সংগ্ৰামৰ ভাগ-বতৰা কৰা ইতিহাসৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ১৯৪১ চনত ইথিওপিয়াৰ মুক্তিযুঁজত ইথিওপিয়াৰ সৈন্যৰ সৈতে ভাৰতীয় সৈন্যই যুঁজিছিল। ইথিওপিয়াৰ জনসাধাৰণৰ ত্যাগৰ প্ৰতীক হিচাপে থিয় হৈ থকা আদৱা বিজয় স্মৃতিসৌধত শ্ৰদ্ধাঞ্জলি জনোৱাটো তেওঁৰ বাবে এক সন্মানৰ কথা বুলিও তেওঁ কয়। ভাৰত-ইথিওপিয়াৰ অংশীদাৰিত্ব শক্তিশালী কৰা আৰু ইয়াৰ সম্প্ৰসাৰণৰ বাবে ভাৰতৰ দায়বদ্ধতাৰ সন্দৰ্ভত মন্তব্য কৰি প্ৰধানমন্ত্ৰী মোদীয়ে "বসুধৈৱ কুটুম্বকম" (বিশ্ব এক পৰিয়াল) নীতিৰ কথা উল্লেখ কৰে আৰু কয় যে ক'ভিড-১৯ মহামাৰীৰ সময়ত ইথিওপিয়াক ভেকচিন যোগান ধৰাটো ভাৰতৰ বাবে এক সৌভাগ্যৰ কথা আছিল। সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিশ্বজুৰি চলি থকা যুঁজখন শক্তিশালী কৰাৰ ক্ষেত্ৰত ভাৰতৰ সৈতে সহমত প্ৰকাশ কৰাৰ বাবে ইথিওপিয়াক তেওঁ ধন্যবাদ জনায়।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ অনুষ্ঠান চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

## ইথিওপিয়া ভ্ৰমণৰ ফলাফল

- দ্বিপাক্ষিক সম্পৰ্কক 'কৌশলগত অংশীদাৰিত্ব' পৰ্যায়লৈ উন্নীত কৰা।
- শুল্ক বিষয়ত সহযোগিতা আৰু পাৰস্পৰিক প্ৰশাসনিক সহায়ৰ চুক্তি।
- ইথিওপিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ত এটা ডাটা চেণ্টাৰ স্থাপনৰ চুক্তি।
- ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা অভিযানৰ বাবে প্ৰশিক্ষণৰ ক্ষেত্ৰত সহযোগিতাৰ চুক্তি।
- জি-২০ কমন ফ্ৰেমৱৰ্কৰ অধীনত ইথিওপিয়াৰ বাবে ঋণ পুনৰ্গঠনৰ চুক্তি।
- আইচিচিআৰ বৃত্তি কাৰ্যসূচীৰ অধীনত ইথিওপিয়াৰ পণ্ডিতসকলৰ বাবে বৃত্তি দুগুণ কৰা।
- সামৰ্থ্য বিকাশ আৰু স্বাস্থ্য সহযোগিতাঃ ভাৰতে ভাৰতীয় কাৰিকৰী আৰু অৰ্থনৈতিক সহযোগিতা কাৰ্যসূচী (আই টি ই চি)ৰ অধীনত ইথিওপিয়াৰ ছাত্ৰ-ছাত্ৰী আৰু পেছাদাৰীসকলৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ বিশেষ হ্ৰস্বম্যাদী পাঠ্যক্ৰম আগবঢ়াব। ইথিওপিয়াৰ আদিছ আবাবাৰ মহাত্মা গান্ধী চিকিৎসালয়ত মাতৃ স্বাস্থ্য আৰু নৱজাতকৰ যত্নৰ ক্ষেত্ৰতো সামৰ্থ্য বৃদ্ধিৰ ক্ষেত্ৰতো ভাৰতে সহায় আগবঢ়াব।



## ইথিওপিয়া আৰু ওমানৰ পৰা সন্মান গ্ৰহণ প্ৰধানমন্ত্ৰীৰ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইথিওপিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান দ্য অনাৰ নিছান অব ইথিওপিয়া, ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবিয় আহমেদৰ পৰা গ্ৰহণ কৰে। ভাৰত-ওমান সম্পৰ্কক শক্তিশালী কৰাৰ ক্ষেত্ৰত আৰু তেওঁৰ দূৰদৰ্শী নেতৃত্বৰ বাবে তেওঁৰ ব্যতিক্ৰমী অৱদানৰ স্বীকৃতি স্বৰূপে চুলতান হাইথাম বিন তাৰিকৰ দ্বাৰাও তেওঁক 'অৰ্ডাৰ অব ওমান' প্ৰদান কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে পাৰস্পৰিক অংশীদাৰিত্ব গভীৰ কৰাত তেওঁৰ অসাধাৰণ ভূমিকা আৰু বিশ্বজনীন ৰাষ্ট্ৰনেতা হিচাপে তেওঁ প্ৰদান কৰা নেতৃত্বৰ স্বীকৃতিস্বৰূপে এই সন্মান লাভ কৰে। তেওঁ এই বঁটাসমূহ ভাৰত আৰু ইথিওপিয়াৰ জনসাধাৰণলৈ উৎসৰ্গা কৰে, যিয়ে শতিকাজুৰি দ্বিপাক্ষিক সম্পৰ্কক সুন্দৰভাৱে অক্ষুণ্ণ ৰাখি আহিছে।



## ভাৰত-ওমানৰ বাবে আগবাঢ়ি যোৱাৰ পথ অধিক সুচল হ'ব

**ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি**

- ঘনিষ্ঠ অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক শক্তিশালী আৰু বিকাশ কৰা।
- বাণিজ্যিক বাধা হ্ৰাস কৰি আৰু সুস্থিৰ পৰিকাঠামো সৃষ্টি কৰি দুয়োখন দেশৰ মাজত বাণিজ্য বৃদ্ধি কৰা।
- অৰ্থনীতিৰ সকলো প্ৰধানখণ্ডত সুযোগ মুকলি কৰি, অৰ্থনৈতিক বৃদ্ধি, চাকৰি সৃষ্টি আৰু বিনিয়োগৰ প্ৰবাহক প্ৰসাৰিত কৰা।

সামুদ্ৰিক ঐতিহ্য আৰু সংগ্ৰহালয়ৰ ক্ষেত্ৰত চুক্তি

- সামুদ্ৰিক ঐতিহ্য সহযোগিতা: দুয়োপক্ষই লোথালৰ ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য কমপ্লেক্সকে ধৰি সামুদ্ৰিক সংগ্ৰহালয়সমূহক সমৰ্থন কৰিবলৈ সহযোগিতামূলক অংশীদাৰিত্ব স্থাপন কৰিবলৈ সন্মত হয়।
- দুয়োপক্ষই শিল্পকৰ্ম আৰু বিশেষজ্ঞতাৰ আদান-প্ৰদানৰ প্ৰচাৰ, যৌথ প্ৰদৰ্শনীৰ আয়োজন আৰু গৱেষণা তথা সামৰ্থ্য বিকাশত সহযোগিতা বৃদ্ধি কৰিবলৈ সন্মত হয়। এই প্ৰচেষ্টাসমূহৰ লক্ষ্য হৈছে ভাগ কৰা সামুদ্ৰিক ঐতিহ্যক উজ্জ্বল কৰি তোলা, পৰ্যটনক উৎসাহিত কৰা আৰু দ্বিপাক্ষিক সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰা।

**কৃষি আৰু আনুষঙ্গিক খণ্ডৰ ক্ষেত্ৰত চুক্তি**

- কৃষি আৰু আনুষঙ্গিক খণ্ডত সহযোগিতা সামৰি লোৱা একেটা পৰিসৰৰ নথি, য'ত পশুপালন আৰু মীনপালনকো সামৰি লোৱা হৈছে।
- কৃষি বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নতি, উদ্যান শস্য শক্তিশালী কৰা, সংহত কৃষি ব্যৱস্থাৰ প্ৰসাৰ, আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱহাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত সহযোগিতা।

**উচ্চ শিক্ষাৰ ক্ষেত্ৰত চুক্তি**

- মানৱ আৰু আৰ্থ-সামাজিক উন্নয়নৰ লক্ষ্যক সমৰ্থন কৰা জ্ঞান আৰু উদ্ভাৱনী ব্যৱস্থা গঢ়ি তুলিবলৈ গৱেষণাৰ ওপৰত একেলগে কাম কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। বাজৰা খেতি আৰু কৃষি খাদ্য উদ্ভাৱনৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বাবেও এক কাৰ্যবাহী কাৰ্যসূচীৰ বিষয়ত সহমতত উপনীত হয়।
- ভাৰতৰ বৈজ্ঞানিক বিশেষজ্ঞতা আৰু ওমানৰ অনুকূল কৃষি জলবায়ুৰ পৰিস্থিতিক একত্ৰিত কৰি বাজৰাৰ উৎপাদন, গৱেষণা আৰু প্ৰচাৰত সহায়ক হোৱাকৈ সহযোগিতাৰ কাঠামো স্থাপন কৰা।

**সামুদ্ৰিক সহযোগিতাৰ বিষয়ত যৌথ দৃষ্টিভংগী**

- আঞ্চলিক সামুদ্ৰিক সুৰক্ষা, নীলা অৰ্থনীতি আৰু সামুদ্ৰিক সম্পদৰ বহনক্ষম ব্যৱহাৰৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰা।



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ অনুষ্ঠান চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

## ভাৰত-ওমানৰ উমৈহতীয়া ভৱিষ্যত

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাস্কাটত অনুষ্ঠিত ভাৰত-ওমান ব্যৱসায়িক মঞ্চত ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত ভাৰত আৰু ওমানৰ আগশাৰীৰ ব্যৱসায়িক প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। মঞ্চত শক্তি, কৃষি, লজিষ্টিক, আন্তঃগাঁথনি, উৎপাদন, স্বাস্থ্যসেৱা, বিত্তীয় সেৱা, সেউজ উন্নয়ন, শিক্ষা, আৰু সংযোগ আদি মূল খণ্ডৰ অংশগ্ৰহণকাৰীসকল অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে মাণ্ডভিৰ পৰা মাস্কাটলৈকে দুয়োখন দেশৰ মাজত শতিকাজুৰি চলি অহা সামুদ্ৰিক বাণিজ্যিক সম্পৰ্কৰ বিষয়ে কয়, যিয়ে আজিও শক্তিশালী বাণিজ্যিক সম্পৰ্কক সমৰ্থন কৰি আছে। তেওঁ ব্যৱসায়িক নেতাসকলক ভাৰত আৰু ওমানৰ মাজত হোৱা বিস্তৃত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি (চিইপিএ) সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰে, ইয়াক তেওঁলোকৰ উমৈহতীয়া ভৱিষ্যতৰ বাবে এক ৰোডমেপ হিচাপে অভিহিত কৰে। তেওঁ লগতে উল্লেখ কৰে যে ভাৰত নীতি সংস্কাৰ, সুশাসন, আৰু বিনিয়োগকাৰীৰ দৃঢ় আস্থাৰ দ্বাৰা সমৰ্থিত হৈ বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ পথত আগবাঢ়িছে। বাণিজ্যিক অংশীদাৰিত্বক ভৱিষ্যতৰ বাবে সাজু কৰি তুলিবলৈ প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত-ওমান কৃষি উদ্ভাৱন হাব আৰু ভাৰত-ওমান উদ্ভাৱন দলং নিৰ্মাণৰ প্ৰস্তাৱ আগবঢ়ায়। তেওঁ পুনৰ কয় যে এই পদক্ষেপসমূহ কেৱল ধাৰণাই নহয়, বৰঞ্চ বিনিয়োগ, উদ্ভাৱন আৰু একেলগে ভৱিষ্যত গঢ়ি তোলাৰ মুকলি আমন্ত্ৰণ।




## জ্ঞান সদায় ভাৰত-ওমান সম্পৰ্কৰ কেন্দ্ৰীয় স্তম্ভ হৈ আহিছে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাস্কাটত ভাৰতীয় লোকসকলক সম্বোধন কৰি ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা তথা ওমানক নিজৰ ঘৰ হিচাপে গ্ৰহণ কৰা ভাৰতীয় প্ৰব্ৰজনকাৰী লোকসকলক লগ পাই আনন্দিত হোৱা বুলি কয়। তেওঁ উল্লেখ কৰে যে বৈচিত্ৰ্যই হৈছে ভাৰতীয় সংস্কৃতিৰ ভেটি, যি মূল্যবোধে ভাৰতীয়সকলক সমগ্ৰ বিশ্বৰ সমাজৰ সৈতে সহজে মিলি যোৱাত সহায় কৰি আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰত আৰু ওমানৰ মাজত থকা শতিকা প্ৰাচীন সম্পৰ্ক আজি আৰু অধিক শক্তিশালী হৈছে। ভাৰতীয় প্ৰব্ৰজনকাৰীসকলৰ কঠোৰ পৰিশ্ৰম, ঐক্য, আৰু অৱদানৰ দ্বাৰা সেয়া সমৃদ্ধ হৈছে। তেওঁ ভাৰত-ওমান সম্পৰ্কৰ মূলত জ্ঞান সদায় থকা বুলি আলোকপাত কৰি ওমানত থকা ভাৰতীয় বিদ্যালয়সমূহক ৫০ বছৰীয়া সেৱা সম্পূৰ্ণ কৰাৰ বাবে অভিনন্দন জনায়। ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে সমাজৰ যুৱ সদস্যসকলক ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ যুভিকা (YUVIKA) কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। এই কাৰ্যসূচী যুৱক-যুৱতীসকলক মহাকাশ বিজ্ঞানৰ প্ৰতি আগ্ৰহ গঢ়ি তুলিবলৈ উৎসাহিত কৰিবলৈ বিশেষভাৱে প্ৰস্তুত কৰা হৈছে।



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ অনুষ্ঠান চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*






# দৰিদ্ৰ ৰোগীৰ বাবে এগৰাকী ত্ৰাণকৰ্তা

মুনিশ্বৰ চন্দ্ৰ দাৱাৰে তেওঁৰ জীৱনকালত লাখ লাখ ৰোগীৰ চিকিৎসা কৰিছিল আৰু উচ্চ মুদ্ৰাস্ফীতিৰ সময়তো প্ৰতিজন ৰোগীৰ পৰা চিকিৎসাৰ বাবদ মাত্ৰ ২০ টকাহে লৈছিল। নিঃস্বাৰ্থ সেৱাৰ বাবেই সেনাৰ এই প্ৰবীণ চিকিৎসকগৰাকীক মধ্যপ্ৰদেশৰ দৰিদ্ৰ আৰু অভাৱগ্ৰস্ত জনসাধাৰণে ঈশ্বৰসদৃশ ব্যক্তি হিচাপে গণ্য কৰিছিল। সমাজ আৰু চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰখনলৈ অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁক ২০২৩ চনত পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হয়। জনসেৱাৰ প্ৰতি তেওঁৰ সমৰ্পণ আৰু মানৱতাৰ প্ৰতি থকা মমতাই আগন্তুক প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব।

**জন্ম: ১৬ জানুৱাৰী, ১৯৪৬ মৃত্যু: ৪ জুলাই, ২০২৫**

সমগ্ৰ জীৱন জনসেৱাত উৎসৰ্গা কৰা মুনিশ্বৰ চন্দ্ৰ দাৱাৰৰ জন্ম হৈছিল ১৯৪৬ চনৰ ১৬ জানুৱাৰীত অবিভক্ত ভাৰতত, যি অঞ্চল বৰ্তমান পাকিস্তানৰ অংশ। দেশ বিভাজনৰ পিছত তেওঁৰ পৰিয়াল ভাৰতলৈ গুচি আহে। ১৯৬৭ চনত জবলপুৰৰ পৰা চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী লাভ কৰি মানুহৰ সেৱাত নিজৰ জীৱন উৎসৰ্গা কৰে। পৰৱৰ্তী সময়ত ভাৰতীয় সেনাবাহিনীত যোগদান কৰি ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ সময়ত প্ৰায় এবছৰ সেৱা আগবঢ়াইছিল। বাংলাদেশত থকাৰ সময়ত তেওঁ বহু আহত জোৱানৰ চিকিৎসা কৰিছিল। যুদ্ধৰ পিছত স্বাস্থ্যজনিত কাৰণত তেওঁ ১৯৭২ চনত আগতীয়াকৈ অৱসৰ গ্ৰহণ কৰি জবলপুৰত মানৱতাৰ সেৱা আগবঢ়াই নিবলৈ বাছি লৈছিল, য'ত তেওঁ নিজাকৈ ক্লিনিক খুলিছিল। তেওঁ প্ৰথমে মাত্ৰ ২ টকাত ৰোগীৰ চিকিৎসা আৰম্ভ কৰিছিল আৰু গোটেই জীৱন মানুহক সহায় কৰাৰ প্ৰতি সম্পূৰ্ণ দায়বদ্ধ হৈ প্ৰায় পাঁচ দশক এই নিঃস্বাৰ্থ সেৱা অব্যাহত ৰাখিছিল।

গুৰুৰ পৰা শিকি অহা এটা শিক্ষাই তেওঁৰ জীৱনৰ পথ প্ৰদৰ্শক নীতি হৈ পৰিছিল। তেওঁৰ শিক্ষকে তেওঁক কৈছিল যে চিকিৎসা বৃত্তিটো মানুহৰ সেৱাৰ বাবেহে, মানুহক শোষণ কৰিবলৈ নহয়। এই কথাবোৰে তেওঁক গভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল আৰু তেওঁৰ জীৱনৰ পথ গঢ় দিছিল। তেওঁৰ আন্তৰিক আৰু সুলভ চিকিৎসাৰ প্ৰভাৱ এনে আছিল যে তেওঁৰ ক্লিনিকত সদায় ৰোগীৰ ভিৰ আছিল। মানুহৰ সেৱা কৰাটোৱেই আছিল তেওঁৰ একমাত্ৰ উদ্দেশ্য। তেওঁৰ নিষ্ঠা ইমানেই শক্তিশালী আছিল যে তেওঁ ৫০ বছৰ ধৰি ৰোগীৰ চিকিৎসা কৰি থাকিল। তেওঁ প্ৰথমে মাত্ৰ ২ টকা মাচুল লৈছিল, যিটো পিছলৈ ক্ৰমান্বয়ে ৫ টকা, ১০ টকা, ১৫ টকা আৰু শেষত ২০ টকালৈ বৃদ্ধি পাইছিল। সুলভ মূল্যৰ স্বাস্থ্যসেৱাৰ প্ৰতীক হিচাপে গণ্য কৰা মুনিশ্বৰ চন্দ্ৰ দাৱাৰ ড্ৰাগছ আসক্তিৰ বিৰুদ্ধে অভিযানতো সক্ৰিয়ভাৱে জড়িত আছিল আৰু গোটেই জীৱন সামাজিক বিষয়সমূহৰ প্ৰতি গভীৰভাৱে সচেতন হৈ আছিল।

২০২৩ চনত মুনিশ্বৰ চন্দ্ৰ দাৱাৰক পদ্মশ্ৰীৰে সন্মানিত কৰা হয় আৰু ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে তেওঁক এই বঁটা প্ৰদান কৰে। বছৰ বছৰ ধৰি তেওঁ সেৱাৰ বাবে আন কেইবাটাও সন্মানো লাভ কৰিছিল। নৰেন্দ্ৰ মোদীয়ে যেতিয়া জবলপুৰ ভ্ৰমণ কৰিছিল তেতিয়া তেওঁ ব্যক্তিগতভাৱে ডাঃ দাৱাৰক সাক্ষাৎ কৰি তেওঁৰ স্বাস্থ্যৰ বুজ লৈছিল। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে জবলপুৰ আৰু ইয়াৰ নিকটৱৰ্তী এলেকাৰ বহু লোকে দৰিদ্ৰ তথা অভাৱগ্ৰস্ত লোকৰ চিকিৎসাৰ ক্ষেত্ৰত ডাঃ দাৱাৰে চলোৱা প্ৰচেষ্টাৰ গভীৰভাৱে শলাগ লৈছিল। ২০২৪ চনৰ এপ্ৰিল মাহত জে পি নাড্ডায়ো ডাঃ দাৱাৰক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰিছিল। সেৱা, নিষ্ঠা আৰু মমতাৰ প্ৰতীক ডাঃ দাৱাৰে ২০২৫ চনৰ ৪ জুলাইত মৃত্যুবৰণ কৰে। তেওঁ এৰি থৈ যায় এক সমৃদ্ধ উত্তৰাধিকাৰ, যিয়ে প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব।

# বিশ্ব গ্ৰন্থমেলা ২০২৬

## ভাৰতীয় সামৰিক বাহিনীৰ শৌৰ্য্য আৰু প্ৰজ্ঞাক সন্মান জনোৱাৰ বাবে

এইবাৰ গ্ৰন্থমেলাখন স্বাধীনতাৰ পিছৰে পৰা ভাৰতীয় সেনাৰ অৱদানৰ প্ৰতি উৎসৰ্গিত। এইবাৰ ইয়াৰ বিষয়বস্তু হৈছে “ভাৰতীয় সেনাৰ ইতিহাস: শৌৰ্য্য আৰু প্ৰজ্ঞা @৭৫” (“Indian Army HistoryÊ. Valour and Wisdom @75”)। অপাৰেচন সিন্দূৰৰ সময়ত ভাৰতে সামৰ্থ্যৰ অনবদ্য প্ৰদৰ্শনৰ পিছত এই অনুষ্ঠানটোৱে বিশেষ তাৎপৰ্য্য লাভ কৰিছে। ১৯৭২ চনত আৰম্ভ হোৱাৰ পৰাই এই গ্ৰন্থমেলা বিশ্ব সাহিত্যসূচীৰ এক গুৰুত্বপূৰ্ণ অনুষ্ঠানলৈ পৰিণত হৈছে, যাৰ ফলত কিতাপ আৰু পাঠকক অধিক ঘনিষ্ঠ কৰি তুলিছে। সকলো বয়সৰ প্ৰকাশক, লেখক, গৱেষক, পাঠক একেখন চালিৰ তলত একত্ৰিত হয়। যোৱা কেইটামান দশকত এই মেলাখন কেৱল কিতাপ ক্ৰয়ৰ স্থানৰ পৰা ভাৰতীয় জ্ঞান প্ৰদৰ্শনৰ বাবে এক বিশ্বব্যাপী মঞ্চলৈ পৰিণত হৈছে, যিয়ে ধাৰণা, আলোচনা, ভাবৰ আদান-প্ৰদানক উৎসাহিত কৰিছে।

যোৱা ১০ জানুৱাৰীৰ পৰা নতুন দিল্লীৰ ভাৰত মণ্ডপমত আৰম্ভ হোৱা ৫৩ সংখ্যক গ্ৰন্থমেলা ১৮ জানুৱাৰীলৈকে চলিব। বিশ্ব গ্ৰন্থমেলাত ১০০০ৰো অধিক বক্তাৰ সৈতে ৬০০ৰো অধিক অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াত ৩৫খন দেশক প্ৰতিনিধিত্ব কৰা ১০০০ৰো অধিক প্ৰকাশকে অংশগ্ৰহণ কৰিছে। এইবাৰ গ্ৰন্থমেলাত সেনা, নৌসেনা আৰু বায়ুসেনাক একেলগে উজ্জ্বল কৰি তোলা হৈছে, তেওঁলোকক কেৱল ভাৰতৰ প্ৰতিৰক্ষা বাহিনী হিচাপেই নহয়, ৰাষ্ট্ৰীয় ঐক্যৰ শক্তিশালী স্তম্ভ হিচাপেও উপস্থাপন কৰা হৈছে। এই মেলাত ভাৰতীয় সশস্ত্ৰ বাহিনীত বৰ্তমানে কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত বিষয়াই লিখা বাহিনীটোৰ ইতিহাস, নিৰাপত্তা, কৌশলক সামৰি লোৱা ৫০০খন গ্ৰন্থও প্ৰদৰ্শিত হৈছে।



“নাগৰিকে যেতিয়া পঢ়ে, তেতিয়াই দেশ আগবাঢ়ি যায়।

**নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী




### ঘোষণা কৰা হ'ল পি এম যুৱ ৩.০ঃ৪৩ গৰাকী যুৱ লেখকক বাছনি


শিক্ষা মন্ত্ৰালয়ৰ অধীনস্থ নেচনেল বুক ট্ৰাষ্ট (এনবিটি) ইণ্ডিয়াই ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰীৰ যুৱ লেখক মেণ্টৰশ্বিপ আঁচনি (YUVA 3.0)ৰ অধীনত মুঠ ৪৩ গৰাকী যুৱ লেখকক নিৰ্বাচিত কৰা হৈছে। এই আঁচনিৰ লক্ষ্য হৈছে যুৱ আৰু উদীয়মান লেখকসকলক তেওঁলোকৰ কিতাপ প্ৰকাশ কৰাত সহায় কৰিবলৈ প্ৰশিক্ষণৰ সুযোগ, সম্পাদকীয় নিৰ্দেশনা, আৰু আৰ্থিক সহায় আগবঢ়াই চিনাক্ত কৰাৰ লগতে আগুৱাই নিয়া। এই পদক্ষেপে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ সৈতে সংগতি ৰাখি যুৱ লেখকসকলক তেওঁলোকৰ লেখা আৰু ধাৰণাসমূহৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণত অৰিহণা যোগাবলৈ উৎসাহিত কৰিব বিচাৰিছে। এই পৰ্যায়ত ২২টা চৰকাৰী ভাৰতীয় ভাষা আৰু ইংৰাজী ভাষাত ৩০ বছৰৰ তলৰ ৪৩ গৰাকী লেখকে লিখা গ্ৰন্থ প্ৰস্তাৱৰ ভিত্তিত ৰাষ্ট্ৰীয় পৰ্যায়ত নিৰ্বাচন কৰা হৈছে। নিৰ্বাচিত লেখকসকলৰ ভিতৰত ১৯গৰাকী মহিলা আৰু ২৪গৰাকী পুৰুষ। তেওঁলোকৰ গ্ৰন্থৰ প্ৰস্তাৱ ছমাহৰ ভিতৰত প্ৰখ্যাত পণ্ডিতসকলৰ মেণ্টৰশ্বিপত পূৰ্ণদৈৰ্ঘ্যৰ গ্ৰন্থলৈ বিকশিত কৰা হ'ব। প্ৰতিজন নিৰ্বাচিত লেখকে মাহে ৫০ হাজাৰ টকাৰ বৃত্তি আৰু প্ৰকাশিত গ্ৰন্থখনৰ ১০ শতাংশ আজীৱন ৰয়েল্টি লাভ কৰিব।



Narendra Modi
@narendramodi

ICMR यानि इंडियन काउंसिल ऑफ मेडिकल रिसर्च की हाल ही की एक रिपोर्ट बताती है कि निमोनिया और UTI जैसी बीमारियों में Antibiotic दवाएं कमजोर साबित हो रही हैं। इसका एक बड़ा कारण बिना सोचे-समझे इनका सेवन है। इसलिए मेरा आग्रह है कि Doctors की सलाह के बिना Antibiotics दवाएं ना लें।

#MannKiBaat



Rajnath Singh

A Proud Moment celebrating India's deep maritime heritage as INSV Kaundinya, #IndianNavy's Sailing Vessel, built using the Ancient Indian Stitched Ship technique, embarks on a historic voyage from Porbandar (Gujarat) to Muscat, Oman, carrying a powerful message of heritage,craftsmanship and enduring friendship.



Amit Shah
@AmitShah

भारतीय भाषाओं के सम्मान की दिशा में एक और बड़ा कदम!

हमारे संविधान का संथाली भाषा में प्रकाशन किया जाना, संथाली समाज के साथ ही पूरे देश के लिए गौरव की बात है। अलचिकि लिपि में प्रकाशित यह संविधान जनजातीय समाज तक हमारे संविधान के आदर्शों और मूल्यों को और भी स्पष्ट रूप में पहुँचाएगा तथा हमारे संविधान निर्माताओं का स्वप्न साकार करेगा।
इस ऐतिहासिक कार्य के लिए मोदी जी का हार्दिक आभार।



Nitin Gadkari
@nitin_gadkari

Under the visionary leadership of PM Shri @narendramodi Ji, the #IndiaOmanCEPA marks a major milestone in India's trade journey 🇮🇳🤝🇴🇲

Enhanced market access will boost Indian exports across plastics, furniture, engineering goods, pharmaceuticals, medical devices & automobiles.



Piyush Goyal

"Ideate in India, Innovate in India, Make in India & Make for the World" – PM @NarendraModi ji

The Trade Marks Act, 1999, has been a key pillar in protecting the interests of innovators & creators for 26 years. Along with that, the Modi Government's sincere efforts to foster the innovation ecosystem have strengthened the country's position in the global Intellectual Property (IP) landscape, promoting innovation-led growth that benefits not just India, but the world.



Ashwini Vaishnaw
@AshwiniVaishnaw

From finished products to components; production is growing. Exports are rising. Global players are confident. Indian companies are competitive. Jobs are being created.
This is 'Make in India' impact story!

# Kaundinya highlights India's rich maritime traditions: PM

New Delhi: PM Modi on Monday expressed delight at the maiden voyage of INSV Kaundinya, the Navy's engineless vessel built using the ancient stitched-ship technique, and said it highlights the nation's rich maritime traditions.



He said, "Wonderful to see that INSV Kaundinya is embarking on her maiden voyage from Porbandar to Muscat, Oman. Built using the ancient Indian stitched-ship technique, this ship highlights India's rich maritime traditions. I congratulate the designers, artisans, shipbuilders and the Indian Navy for their dedicated efforts in bringing this unique vessel to life." He sent best wishes to the crew for a safe and memorable journey as they retrace India's historic links with the Gulf region and beyond. TNN

# DAC gives its nod for defence purchases worth ₹79,000 cr.



DRDO tests Pinaka rocket

# Centre notifies guidelines for two shipbuilding initiatives with an outlay of ₹44,700 crore

# India reaches 50% non-fossil power capacity in '25



# Self reliance, empowerment of poor key for Viksit Bharat: PM



# Replicate PRAGATI in states, set up data strategy units: PM

Asks top state govt bureaucrats to set up deregulation cells in their offices



# World looks at India with hope due to our youth: PM



## সংৰক্ষণৰ প্ৰচেষ্টাৰে এক উদগনি...

# ১০০খন ৰামছাৰ ক্ষেত্ৰৰ বাবে শক্তিশালী পদক্ষেপ

পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতৰ প্ৰচেষ্টাই ইতিবাচক ফলাফল দেখুৱাইছে, কিয়নো ৰাজস্থানৰ চিলিচেৰহ হ্ৰদ আৰু ছত্তীশগড়ৰ কোপ্ৰা জলাশয়ক আন্তঃৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ জলাশয় হিচাপে ঘোষণা কৰা হৈছে। যাক ৰামছাৰ স্থান বুলিও কোৱা হয়। এই স্বীকৃতিয়ে পুনৰবাৰ প্ৰকৃতিৰ সুৰক্ষা আৰু সংৰক্ষণৰ প্ৰতি ভাৰতৰ দৃঢ় দায়বদ্ধতাক উজ্জ্বল কৰি তুলিছে। জৈৱ বৈচিত্ৰ্য ৰক্ষা, জলসম্পদ সংৰক্ষণ, জলবায়ুৰ সুৰক্ষা শক্তিশালী, আৰু বহনক্ষম জীৱিকাৰ সমৰ্থন আদিৰ বাবে দেশৰ সামূহিক প্ৰচেষ্টাক প্ৰতিফলিত কৰা ই এক উল্লেখযোগ্য কৃতিত্ব...


- নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে জৈৱ বৈচিত্ৰ্য আৰু ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত দ্ৰুত অগ্ৰগতি লাভ কৰিছে। পৰিৱেশ সুৰক্ষাৰ প্ৰতি থকা দৃঢ় দায়বদ্ধতাক প্ৰতিফলিত কৰি দেশখনে ১০০টা ৰামছাৰ ক্ষেত্ৰৰ স্বীকৃতি লাভৰ দিশত

**ভাৰতত ৰামছাৰ ক্ষেত্ৰৰ সংখ্যা**


২৬ (২০১৪) — ২৬৯% বৃদ্ধি — ৯৬ (২০২৫)

দেশৰ ৰামছাৰ ক্ষেত্ৰসমূহে সামৰি লোৱা এলেকা

**১৩.৬১** লাখ হেক্টৰতকৈ ২৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত অধিক।



(কোপ্ৰা জলাশয়, বিলাসপুৰ, ছত্তিশগড়)



*চিলিচেৰ হ্ৰদ (আলোৱাৰ, ৰাজস্থান)*

নিউ ইণ্ডিয়া সমাচাৰ
পষেকীয়া

আৰ এন আই, DELHIN/2020/78811, ১৬-৩১ জানুৱাৰী, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811, দিল্লী প'ষ্টেল লাইচেন্স নং DL(S)1/3545/2023-25, WPP নং U(S)-93/2023-25, BPC, মাৰ্কেট ৰোড, নতুন দিল্লী-110001ত 13-17 এডভান্স ফ'ৰ্নাইটলিত প'ষ্টিং কৰা হৈছে (Publishing Date: 2 January, 2026, Pages-64)

**EDITOR IN CHIEF**
**Dhirendra Ojha**
Principal Director General
Press Information Bureau, New Delhi

**PUBLISHED & PRINTED BY:**
**Kanchan Prasad**
Director General, on behalf of
Central Bureau Of Communication

**PUBLISHED FROM:**
Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003

**PRINTED AT:**
JK Offset Graphics Pvt. Ltd., B-278, Okhla Ind. Area Phase-I, New Delhi-110020